Lib. copy

# Assam Legislative Assembly Debates

## OFFICIAL REPORT

BUDGET SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

## VOL. VI
## No 3.

The 24th March, 1981

1986
PRINTED AT THE APICO PRINTERS
JORHAT

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1981

## ( Budget Session )

Volume VI

No. 3

Dated the 24th March, 1981

Contents. Page


| | | |
|---|---|---|
| 1. | Questions | 1—36 |
| 2. | Statement by Chief Minister | 37—40 |
| 3. | Statement by Minister | 41—53 |
| 4. | Announcement by Speaker | 53—55 |
| 5. | No-Confidence Motion | 55—147 |
| 6. | Adjournment | 147 |

## Proceedings of the Budget Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur; Gauhati on Tuesday, the 24th March 1981 with the Hon. Speaker in the Chair, 10 ( ten ) Ministers, 5 ( five ) Ministers of State, and 100 ( one hundred ) Members present.

### STARRED

### QUESTIONS AND ANSWERS

Date : 24th March, 1981.

( To Which oral answers were given )

Mr. SPEAKER : Pending Starred Question No.1.

শ্ৰীগান্ধী ৰাম টিমুং : অধ্যক্ষ মহোদয়, মই (গ) প্ৰশ্নৰ উত্তৰ নাপালো। এই প্ৰশ্নটোৰ উত্তৰ মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) : মই উত্তৰ দিছো প্ৰশ্ন নুঠে।

শ্ৰীসোনেশ্বৰ বৰা : যি কেইজন সদস্যক আতৰোৱা হৈছিল তেওঁলোক কোন কোন আৰু তেওঁলোকৰ ওপৰত কি কি অভিযোগ আছিল ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) : সকলো কাগজ-পাতি টেবুলত দিয়া হৈছে।

শ্ৰীসোনেশ্বৰ বৰা : নাম কেইটা জনাব নেকি ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) : তেওঁলোক হ'ল শ্ৰীঅঞ্জন টেৰাং, শ্ৰীবিতা টবি।

শ্ৰীসোনেশ্বৰ বৰা ঃ দকমকাত এখন কলেজ খুলিবৰ কাৰণে বিভিন্ন জনৰ পৰা টকা কালেকচন কৰা কথা কৈছে । এই কালেকচন ক'ৰ পৰা বা কাৰ পৰা কৰিছিল মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) ঃ স্থানীয়ভাৱে ।

শ্ৰীসোনেশ্বৰ বৰা : স্থানীয়ভাৱে কালেকচন কৰা বুলি কৈছে কিন্তু এই কালেকচনৰ কিবা তদন্ত হ'ল নে তেওঁলোকক আতৰ কৰিবৰ কাৰণেই এই ব্যৱস্থা কৰা হ'ল ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) ঃ তদন্ত কৰা হৈছে ।

শ্ৰীগান্ধীৰাম টিমুং ঃ মই জনাত তাত এখন নতুন কলেজ স্থাপন কৰিবলৈ যো-জা কৰিছে আৰু সেই অনুযায়ী লোকেলি কলেজ ফাণ্ডৰ কাৰণে চান্দা তোলা হৈছে, মোৰ বোধেৰে এই সংখ্যা ৫০ হেজাৰ হব আৰু সেইখিনি এতিয়াও ইনটেক আছে। গতিকে নিজৰ দলৰ সদস্য সংখ্যা বঢ়াবলৈ আৰু চৰকাৰী নমিনি কেনচেল কৰিবলৈহে এই ব্যৱস্থা কৰিছে বুলি আমি ধৰি লব পাৰো নেকি ?

শ্ৰীধনীৰাম ৰংপী ঃ ( মন্ত্ৰী ) ঃ প্ৰশ্নকৰ্ত্তাই নিজে জানে ৪০ হাজাৰতকৈও বেছি অৰ্থাত ৪৫ হাজাৰ মান হব আৰু সেই বিষয়ে জোৰ তদন্ত চলি আছে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ মই জানিব বিছাৰিছো কোন বিষয়াৰ হতুৱাই তদন্ত কৰিছে ?

শ্ৰীধনীৰাম ৰংপী ঃ ( মন্ত্ৰী ) —কমপিটেন্ট অথৰিটি।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মই জানিব বিছাৰিছো কাৰ হতুৱাই ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) ঃ উপায়ুক্তৰ দ্বাৰা ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ উপায়ুক্তই নিজে কৰিছে নেকি ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) ঃ নিজে কৰিছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ মোৰ এটা চাপ্লিমেন্টৰী আছিল, উত্তৰ পোৱা নাই । এইযে কাৰ্য্যকৰা কমিটিখন ভাঙিলে তাত সাংবিধানিকভাবে মন্ত্ৰী-সভাৰ অনুমোদন লাগে আৰু কালি তেখেতে সেই অনুমোদন দিয়া বুলি কৈছে কিন্তু কিমান তাৰিখে সেই অনুমোদন দিলে আমাক জনাব নে ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) ঃ সেই ৰাজ্যপালৰ শাসনতে কৰা হৈছে ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ তাৰিখটো জনাব নেকি ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) : ৬ তাৰিখ

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ এই প্ৰশ্নটো যোৱাকালিয়ে পেন্ডিং ৰখা হৈছিল আৰু সেই হিচাবে মন্ত্ৰী মহোদয়ে সকলোখিনি জানি আহিব লাগিছিল মাননীয় সদস্য গৰাকীৰ যিটো প্ৰশ্ন তাৰিখটো ইয়াৰ লগত ওতপ্ৰোতভাবে জৰিত কিন্তু মন্ত্ৰী মহোদয়ে কিয় চাই অহা নাই জনাব নে ?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ) ঃ তাৰিখটো জনাম ।

Mr. SPEAKER : Starred question No. 1 will remain pending.

## Re : Silchar Regional Engineering College

Md. FOKHRUL ISLAM asked :

* 16. Will the Minister, Education be pleased to state :

(a) The number of members and the date on which the existing Governing Body of Silchar Regional Engineering College started functioning?

(b) The name of the members of the present Governing Body?

(c) The number of meetings held during its tenure till date?

(d) Is it a fact that some members of the Governing body remained absent in most of the meetings and the names of the members attending each meeting regularly?

(e) Is it a fact that the same set of members pass all resolutions in the absence of regular absentee members?

(f) If so, whether there is any provision to replace the members who remained absent in three consecutive meetings?

Shri HITESWAR SAIKIA (Minister, Education) replied:

16. (a) The existing Board of Governors of the Regional Engineering College, Silchar consists of 16 (Sixteen) members and was formed on 23-6-76.

(b) The name of the members of the Board of Governors of the R. E. C., Silchar is placed on the table of the House.

(c) 16 ( sixteen ) numbers of meetings so far held since Nov., 1976.

(d) Yes a few of them remained absent in most of the meeting. The members attending most of the meetings are as below :—

1. The Chief Minister/Minister Education as Chairman.
2. The representative from Finance Deptt.
3. The representative from Education Deptt.
4. Asstt. Educational Adviser (T) Eastern Regional Office. Calcutta.
5. Representative of G. U.
6. —do— I. I. T.
7. —do— U. G. C.
8. —do— N. E. C.
9. —do— Faculty of the College
10. Shri S. M. Deb, M. P.
11. Shri Sanjoy Sen, Industrialist, from Calcutta.
12. Principal of the Colleges.

(e) The decisions in all the meetings are taken on the basis of consensus arrived at from the opinion of majority members present in a meeting.

(f) Yes, as per rule 8 (h) of the R. E. C.

( Silchar ) Society Rules a member shall cease to be such member if he fails to attend three consequtive meetings of Board without the leave of the Chairman.

Md. FOKHRUL ISLAM : Hon'ble Mr. Speaker, Sir, now the Hon'ble Minister has replied that some of the Members continuously remain absent in the meeting and a few Members assemble there to make the quorum and all decisions are taken. As per the provisions of the Rule Members are to be replaced if they remain absent consequtively in several meetings. What action has been taken about that ?

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ) : Sir, it is the duty of the Board of Governors. And the Government has already taken action sick Industries is being replaced by D.C. tackle for other nominees of the Central Government the Board should inform the Central Government. As we have come to know about this we also shall inform the Central Govt.

Md. FOKHRUL ISLAM : Sir, the Hon'ble Minister is saying that 'as we have come to know how we shall take action' but already the matter is known to the Government. I would like to know what action has been taken. There are several Members who do not attend the meeting continuously. What action has been taken and why the Government is waiting to know from the Board of Governors ? The

representative of the Chief Minister or the representative of the Education Minister is also there, so there cannot be any reason why the Government is not aware of the condition. What action the Government has taken in the matter ?

Shri ABDUL MUQTADIR CHOUDHURY (Minister of State) : Sir, I have already stated that it is registered under the 'Societies Act' and the Board of Governors should take action. There are nominees from the Central Government and the State Government–Assam, Bihar, Orissa and West Bengal from five states. We will take action from our end but first of all the Board of Governors should take action because they know who are attending and who are not attending as they are guided by the Articles of Association.

Md. FOKHRUL ISLAM : Sir, the Hon'ble Minister is saying that there are representatives from Assam, Bihar, Orissa and West Bengal but in the list that he has given there is no Member from those States. So he is misleading the House. The Board of Governors may fail to take action in any particular aspect but the ultimate responsibility lies with the Government. Whether the Government has acted upon ?

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ) : From the Government's side we are taking action.

Shri ALTAF HUSSAIN MAZUMDAR : Mr. Speaker, Sir, according to Rules how many Members are required to form the Board of Governor and is there any Member from the minority community ?

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ) : It requires 17 Members.

Shri ALTAF HUSSAIN MAZUMDAR : Is there any Member from the minority community in the Board of Governors ?

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ) : There is no provision for community representation.

Shri HEMEN DAS : Sir, the Hon'ble Minister has said that the Board of Governors of the R. E. C. Silchar was constituted in 1976 and it is still conitnuing. Will he kindly inform the House the life of the Board of Governors ?

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ) : Sir, it is a continuous process and its life is not limited to any number of years. A Member can however be replaced by another Member if necessary.

Shri ALTAF HUSSAIN MAZUMDAR : Does the Minister know that the few Members of the Board of Directors from West Bengal are dominating the meetings ?

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ): No, Sir, we are not aware of it.

Shri NOORUL HUDA : Sir, it is very strange to hear that the Hon'ble Minister has been telling the House that there is no life of this Governing Body . Actually Sir, I have not heard of any Association or Committee or Governing Body continuing and functioning in perpetuity My question to the Hon'ble Minister will be whether this particular Governing Board is supposed to function in perpetuity for the entire life of another 15 to 20 years more ?

Shri ABDUL MUQTADIR CHOUDHURY ( Minister of State ) : Sir, I have examined the Memorandum of Association and the Articles of Association but I do not find anything stipulating for the term of office and other things. One member can be replaced but there is no term as such.

Shri NOORUL HUDA : Sir, will the Government examine the provisions of the Articles of Association and find out whether there is any room to change the relevant provisions of the Memorandum.

Shri ABDUL MUQTADIR CHOUHURY ( Minister of State ) : Certainly we will look into this, Sir.

Shri ATUL CHANDRA GOSWAMI : Sir, how many Members form the quorum. এইটো কথা সত্যনেকি যে কোৰাম নোহোৱাকৈ মিটিং কৰি পিচত এবচেণ্টি সকলৰ স্বাক্ষৰ চহী লোৱা হয় ?

শ্ৰীআব্দুল মুক্তাদীৰ চৌধুৰী ( মন্ত্ৰী ) : পিচত চহী লোৱা কথাটো মই নাজানো।

## বি : বন বিভাগৰ মীন মহলত চৰকাৰী ডাক

শ্ৰীছামচুল হুদাই সুধিছে :

* ১৭। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যৰ বন বিভাগৰ কিছুমান ডাঙৰ ডাঙৰ মীন মহলত চৰকাৰী ডাকৰ প্ৰথা উঠাই দিয়াৰ ব্যৱস্থা কৰা কথাটো সচানে ?

(খ) চৰকাৰী ডাক প্ৰথা ৰহিত কৰণৰ দ্বাৰা ৰাজহৰ ক্ষতিৰ উপৰিও ৰাজ্যৰ মৎস্য উৎপাদন আৰু যোগান ব্যাহত হব নেকি ?

(গ) কোনো কোনো বিভাগীয় বিষয়াই এই ডাক ৰহিত কৰণৰ ঘোৰ বিৰোধিতা কৰাৰ কথাটো সঁচানে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

১৭। (ক) এইটো সঁচা নহয়। বন বিভাগৰ সকলোবোৰ বস্তু মীন মহলকে ধৰি নিবিদা যোগে বিক্ৰী কৰা হয়। কেৱল কাজিৰঙা অভয়াৰণ্যৰ মীন মহলবোৰ পূৰ্ব্বৰ পৰাই বিক্ৰী কৰা নহয়। লাওখোৱা সংৰক্ষিত বনাঞ্চলত বন্যপ্ৰাণী সংৰক্ষিত অভয়াৰণ্যলৈ ৰূপান্তৰিত কৰাৰ কাৰণে তাত থকা মীন মহলবোৰৰ বিক্ৰী বন্ধ কৰা হৈছে।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

শ্ৰীচামচুল হুদা ঃ মাননীয় অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীৰ পৰা এইটো কথা জানিব বিচাৰিছো যে ইতিমধ্যে লাওখোৱা বনাঞ্চলৰ লগতে থকা ধুনাচাপৰি আদি মীন মহলবোৰ চৰকাৰে ডাকত দি বছৰি লাখ লাখ টকা উপাৰ্জন কৰিছিল। কিন্তু এই ডাক বন্ধ কৰি দিয়াৰ ফলত হাজাৰ হাজাৰ মানুহ গৈ ২-৩ দিনৰ ভিতৰতে মাছ মাৰি শেষ কৰি দিছে। এইটো বন্ধ কৰিবৰ কাৰণে চৰকাৰে পুলিচ বাহিনী আনকি সামৰিক বাহিনীকো নিয়োগ কৰিব লগা হৈছে এই কথা সচানে ?

Mr. SPEAKER : I would like to make one point clear. When supplementaries are asked the question should always be specific so that the Minister concerned can reply porperly.

শ্ৰীচামচুল হুদা ঃ মই কৈছো যে মোৰ প্ৰশ্নটো স্পষ্ট। মই সুধিছো যে ডাক বন্ধ কৰি দিয়াৰ পিচত হাজাৰ হাজাৰ মানুহে মাছ মাৰিছে আৰু এই মাছ মৰা বন্ধ কৰিবৰ কাৰণে পুলিচ বাহিনীৰ সহায় লব লগা হৈছে এইটো সচানে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ( মুখ্যমন্ত্ৰী ) ঃ এই প্ৰশ্নটোত কেৱল লাওখোৱা বিজাৰ্ভৰ কথাহে কৈছে। তেখেতে যিটো সুধিছে তাৰ উত্তৰ দিবলৈ বেলেগে প্ৰশ্ন দিলে ভাল হয়।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ লাওখোৱা বনাঞ্চলৰ অন্তৰ্গত শালমি, কালীস্থান আদি মীন মহল বিলাকৰ সময় ২-৩ মাহ বঢ়াই দিয়া হৈছে সচানে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ ( মুখ্যমন্ত্ৰী ) ঃ ইন্দিয়ান ওৱাইল্ড লাইফ প্ৰিজাৰ্ভেচন এক্ট ১৯৭২ৰ মতে অভয়াৰণ্যত মাছ মাৰিবলৈ দিয়া নহয়। ১৯৭৯ চনৰ ৬ চেপ্তেম্বৰ তাৰিখে লাওখোৱা অভয়াৰণ্যক সংৰক্ষিত বনাঞ্চললৈ ৰূপান্তৰিত কৰা হৈছে। তাত থকা

মহলবোৰৰ সময় ১৯-৫-৮০ তাৰিখে উকলি যায়। কিন্তু তাৰ পিচত ৰাজ্যত হৈ থকা আন্দোলনৰ ফলত মহলবোৰৰ সময় উকলি গৈছিল যদিও আৰু এক মাহ বঢ়াই দিয়া হৈছে, কিয়নো আন্দোলনৰ সময়ত মহলবোৰৰ ক্ষতিসাধন হৈছিল।

শ্ৰীছামচুল হুদা : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে বা এইটো কথা সঁচানে যে মীন মহলদাৰ সকলৰ লগত দুৰ্নীতি পৰায়ণ বিষয়া কিছুমান লগ লাগি মাছ মাৰি ব্যৱসায় চলাই আছে? যদি এই কথা চৰকাৰে নাজানে তেনেহলে তদন্ত কৰাৰ ব্যৱস্থা কৰিবনে?

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ (মুখ্যমন্ত্ৰী) : তেনেকুৱা খবৰ আমাৰ হাতত নাই। মাননীয় সদস্যই কৈছে যেতিয়া এইটো তদন্ত কৰি জনোৱা হব।

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে কৈছে যে আন্দোলনৰ কাৰণে অসমৰ বেছিভাগ মহলদাৰৰ বহুতো ক্ষতি হৈছে। আন্দোলনকাৰী সকলে মাছ মাৰি ক্ষতি কৰিলে নে কি ধৰণে ক্ষতি কৰিলে। এই কথা আমাক জনাব লাগে?

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ (মুখ্যমন্ত্ৰী) : এই কথা অসমৰ সকলো ৰাইজেই জানে আৰু মাননীয় সদস্য গৰাকীয়েও ভালদৰে জানে।

শ্ৰীসোনেশ্বৰ বৰা : আন্দোলনকাৰী সকলে বিদেশী বিতাৰণৰ কাৰণে আন্দোলন কৰিছে। কিন্তু মাছ মৰা মহলদাৰৰ বিৰুদ্ধে আন্দোলন কৰি পইচা ঘটাৱ কাৰণে ক'ত ক'ত আন্দোলন হৈছিল জনাবনে?

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ (মুখ্যমন্ত্ৰী) : অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে মাছ বিক্ৰী কৰিবৰ কাৰণে বজাৰৰ আৱশ্যক। আন্দোলনৰ কাৰণে মাজে সময়ে বজাৰ বন্ধ থকা বাবে মাছ

মৰা কাম মাজে সময়ে বন্ধ ৰাখিব লগীয়াত পৰাত তেওঁলোকৰ লোকচান হৈছে ।

শ্ৰীসোনেশ্বৰ বৰা : আন্দোলনৰ নামত মহলদাৰ সকলৰ লোকচান হৈছে বুলি অচিলা মাতি মহলদাৰ সকলে ধন ঘটাৰ সুবিধা কৰাটোৱেই আচল কথা নহয় জানো ?

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ ( মুখ্যমন্ত্ৰী ) : এইটো 'বেটাৰ অৱ অপিনিয়ন' এমাহৰ কাৰণেহে দিয়া হৈছে ।

শ্ৰীছামচুল হুদা : অধ্যক্ষ মহোদয়, এইটো কথা সচাঁনে যে লাউখোৱা বনাঞ্চলৰ মীন মহলত মাছ মৰাৰ কাৰণে কাছাৰৰ মানুহৰ পৰা ১০ হাজাৰ টকা আগধন লৈছিল আৰু পিচত সেই মাছমৰীয়া সকলৰ টকা মৰা গৈছিল । যদি সচা হয় তেনেহলে এইটো তদন্ত কৰি জনাবনে ?

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ ( মুখ্যমন্ত্ৰী ) : অনুসন্ধান কৰা হব বুলি আগতেই কোৱা হৈছে ।

শ্ৰীউমেশ দাস : অধ্যক্ষ মহোদয়, যিহেতু আন্দোলনৰ কাৰণে মীন মহলদাৰ সকলৰ বহুতো লোকচান হৈছে, সেইকাৰণে যিবিলাক মীন মহল চৰকাৰৰ ফালৰ পৰা দিয়া হৈছে সেই লোকচান হোৱা মীন মহলদাৰ সকলক টকা-পইচাৰ ক্ষেত্ৰত ৰেহাই দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ ( মুখ্যমন্ত্ৰী ) ঃ এই বিষয়ে বেলেগে প্ৰশ্ন আহিলে উত্তৰ দিব পৰা হব ।

## বিঃ পুথিমাৰী নদীৰ মথাউৰী

শ্ৰীদেব্য শক্তি ডেকাই সুধিছে ঃ

*১৮। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) যোৱা বছৰ পুথিমাৰী নদীৰ মথাউৰী ভাঙিছিলনেকি ?

(খ) যদি ভাঙিছিল বান পানীৰ গজৰিদিং মতে কিমান উঠিছিল ?

(গ) বানপানী নিয়ন্ত্ৰণৰ নামত কিমান ধনৰ ব্যৱস্থা লোৱা হৈছিল আৰু তাত কিমান খৰচ কৰা হৈছিল ?

(ঘ) কাৰ্য্যস্থানত কিমান টকা খৰচ হ'ল আৰু কিমান বাকী থাকিল জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

১৮। (ক) ভঙা নাই।

(খ) গজৰিদিং মতে ১৯৮০ চনৰ ২০ জুলাই তাৰিখে পানীৰ সৰ্ব্বোচ্চ সীমা ৫৪'০৪ মিটাৰ হৈছিল।

(গ) বানপানী নিয়ন্ত্ৰণৰ কাৰণে তাত ৩ লাখ টকাৰ ব্যৱস্থা আছিল আৰু তাৰ মাজত খৰচ কৰা হ'ল ২ লাখ ৫০ হাজাৰ টকা।

(ঘ) কাৰ্য্যস্থানত খৰচ হ'ল ২,৩৭,১৩০'০০ টকা আৰু বাকী থাকিল ১২,৮৭০'০০ টকা।

শ্ৰীদৈৱশক্তি ডেকা ঃ অধ্যক্ষ মহোদয়, মোৰ (গ) প্ৰশ্নত আছে যে পানী নিয়ন্ত্ৰণৰ নামত যিখিনি ধনৰ ব্যৱস্থা লোৱা হৈছিল সেইখিনি কামত ব্যৱহাৰ হ'লনে নাই ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মই আগতেই কৈছো

যে কার্য্যস্থানত ২ লাখ ২৭ হাজাৰ ১৩০ টকা খৰছ হৈছে আৰু সেইখিনি খৰচ হৈছে প্লেন এষ্টিমেট এপ্ৰোভ মতে আৰু ১২ হাজাৰ ৮৭০ টকা ধৰা হৈছে।

শ্ৰীদৈৱশক্তি ডেকা: মই জানিব বিছাৰিছো এই টকা খিনি কামত খৰছ হ'ল নে নামত খৰচ হ'ল?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী): কামতেই খৰছ হৈছে।

শ্ৰীনজমূল হক: (১) প্ৰশ্নৰ উত্তৰত কোৱা হৈছে মথাউৰি ভঙা নাই অৰু (গ) প্ৰশ্নৰ উত্তৰত কৈছে ২ লাখৰো অধিক টকা খৰছ হৈছে। কি ভাবে টকা খিনি খৰছ হৈছে মন্ত্ৰী মহোদয়ে আমাক জনাব লাগে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, পুথিমাৰীৰ এই মথাউৰিটো কোমল মাটিৰ মথাউৰী আৰু এইটো বৰ দীঘল। এই নদীৰ দুয়োপাৰে মথাউৰী আছে। বাওঁফালে ৫০'২৪ কিঃ মিঃ আৰু সোঁ-ফালে ৪৫'২৫ কি: মি: দীঘল মথাউৰী নিৰ্ম্মান কৰা হৈছে। এই মথাউৰিৰ ফলত ১ লাখ একৰ মাটি বানপানীৰ পৰা ৰক্ষা পৰিছে। যোৱা বছৰৰ পৰা এই মথাউৰিৰ বিভিন্ন অংশত হোৱা খহনীয়া প্ৰতিৰোধ কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। প্ৰত্যেক বছৰেই মথাউৰি মেৰামতি কৰাৰ কাৰণে টকা খৰছ হয়। যোৱা বছৰ তিনি লাখ টকা ধৰা হৈছিল। গতিকে ২ লাখ ২৭ হাজাৰ ১৩০ টকাটো খুব বেছি খৰছ নহয়।

শ্ৰীজীৱন বৰা: মন্ত্ৰী মহোদয়ে কৈছে যে যোৱা ২০ জুলাই তাৰিখে পানীৰ সৰ্বোচ্চ সীমা ৫৪.০৪ মিটাৰলৈ উঠিছিল। বিপদসীমা অতিক্ৰম কৰিবলৈ এই নদীত কিমান পানী হব লাগে?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী): এই সম্পৰ্কে মই এতিয়াই মাননীয় সদস্য গৰাকীক কব নোৱাৰো। ১৯৮০ চনৰ ২০ জুলাই তাৰিখে পানীৰ সৰ্বোচ্চ সীমা ৫৪'০৪ মিটাৰলৈ উঠিছিল।

শ্ৰীজীৱন বৰা : মোৰ প্ৰশ্নৰ উত্তৰ নাপালো। বিপদসীমা অতিক্ৰম কৰিবলৈ কিমান পানী হব লাগে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : এইটো খবৰ মোৰ হাতত নাই। পিচত জনাম।

শ্ৰীপূৰ্ণ বড়ো : আমি জনাত এই মথাউৰিটো প্ৰতি বছৰে নহলেও এবছৰ বাদে এবছৰ ভাঙি থাকে। মন্ত্ৰী মহোদয়ে কৈছে যে ভঙা নাছিল। কিন্তু আমি জনা মতে এই মথাউৰীটো এনেদৰে মাজে সময়ে ভাঙি মানুহৰ দুৰৱস্থাৰ সীমা নাইকিয়া কৰি দিয়ে। এই মথাউৰীটোক বালিৰ বান্ধ বুলি কব পাৰি। গতিকে এই মথাউৰিটো মজবুট কৈ বন্ধাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : এইটো বিবেচনা কৰি চোৱা হব।

শ্ৰীবানেশ্বৰ শইকীয়া : মন্ত্ৰী মহোদয়ে কৈছে যে ২ লাখ ৫০ হাজাৰ টকা খৰছ হৈছে। আনহাতে মথাউৰিও ভঙা নাছিল। যদি মথাউৰি ভঙাই নাছিল এই টকা খিনি কি হ'ল পানীত উটি গ'ল নে কিবা কামত খৰছ হ'ল ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী : অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই মথাউৰীটো বৰ দীঘল আৰু ইয়াক শক্তিশালী কৰাৰ কাৰণে প্ৰতি বছৰেই প্ৰটেকটিভ মিজাৰচ হিচাবে এই টকা নিম্নতম বুলিয়েই ধৰি লোৱা হৈছে।

শ্ৰীছামছুল হুদা : অধ্যক্ষ মহোদয়, তিনি লাখ টকা ক'ত খৰচ হল তাৰ আভাষ মন্ত্ৰী মহোদয়ে আমাক দিব নোৱাৰিলে, সেই কাৰণে আমি জানিব পাৰোনে কি যে বস্তা কিনোতে, গছৰ ডাল কিনোতে, বাঁহ কিনোতে আৰু এন্দুৰৰ গাঁত পোটোতে এই টকা খিনি শেষ হল ? এই কথা জানিব পাৰিলে আমি বিধায়ক সকলে সংশ্লিষ্ট বিভাগত খবৰ কৰিব পাৰিম।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : এই টকা খৰচ কৰা হল in laying, earth filling, cement bags in the embankments, in the case of leakage. Sippgae, Slicing-ect, bamboo palisading in the case of embankment, fortifying and planting of trees, এই বিলাকতে এই টকা খৰচ কৰা হল।

শ্ৰীপ্ৰেমধৰ বৰা : অধ্যক্ষ মহোদয়, এই পুঠিমাৰী নদীত মথাউৰী নভঙাকৈয়ে যি তিনি লাখ টকা খৰচ কৰা হল, কি কি কাৰ্য্য স্থানত এই টকা খৰচ কৰা হল তাৰ আইটেম কেইটা কি কি জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মই অলপ আগতেই সদনৰ জ্ঞাতাৰ্থে জনাইছোঁৱেই। ইয়াৰ ডিটেইল এষ্টিমেট মোৰ হাতত নাই, পিচত হয়তো দিব পাৰিম।

( গণ্ডগোল )

( প্ৰশ্নটো পেন্দিং থাকিল। )

## বি ঃ দিল্লীত অৱস্থিত অসম এম্পোৰিয়াম

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামীয়ে সুধিছে ঃ

* ১৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত তাঁত শিল্প আৰু কুটীৰ শিল্পৰ উৎপাদিত সামগ্ৰী সমূহ বিক্ৰীৰ বাবে দিল্লীত এখন এম্পোৰিয়াম আছেনে ?

(খ) যদি আছে, এই এম্পোৰিয়ামত কিমানজন কৰ্ম্মচাৰী আছে ?

(গ) ১৯৭৫ চনৰ পৰা ১৯৮০ চনলৈ এই এম্পোৰিয়ামৰ আয় ব্যয়ৰ হিচাপ এটি দিবনে ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে :

১৯। (ক) হয় আছে।

(খ) ১৯ জন।

(গ) ১৯৭৪-৭৫ চনৰ পৰা ১৯৭৮-৭৯ চনলৈ অসম এম্পোৰিয়ামৰ আয়-ব্যয়ৰ হিচাপ এনে ধৰণৰ—

| বছৰ | আয় (টকা) | ব্যয় (টকা) |
|---|---|---|
| ১৯৭৪-৭৫ | ৯২,৬২২.৮৩ | ৮১,২৭৮.৮৭ |
| ১৯৭৫-৭৬ | ৮২,৯৩৬.৭৩ | ১,০১,৬০৪.৩৬ |
| ১৯৭৬-৭৭ | ১,৭৪,৯৪৩.০৯ | ১,৬৪,৫২৯.৪৪ |
| ১৯৭৭-৭৮ | ২,৬৮,৪৯৩.৩৩ | ১,৮৬,৬৫২.৮৫ |
| ১৯৭৮-৭৯ | ৩,৪৪,৪২০.২৩ | ৩,২৪,৬৩০.৭০ |

১৯৭৯-৮০ চনৰ হিচাব এতিয়াও পোৱা নাই।

(অডিট নোহোৱা হিচাপ)

শ্ৰীহৰেন্দ্ৰ নাথ দেব গোস্বামী : অধ্যক্ষ মহোদয়, এই কেইটা বছৰত চাবচিডি কিমান দিয়া হৈছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : চাবচিডিৰ কথাটো ইয়াত নাই।

শ্ৰীহৰেন্দ্ৰ নাথ দেব গোস্বামী : দিয়া হৈছিল নে নাই ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : খবৰটো মোৰ হাতত নাই।

শ্ৰীবাগেশ্বৰ শইকীয়া : অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ এনে এটা এম্পোৰিয়াম কলিকতাতো আছে। কলিকতাত থকা অসম চৰকাৰৰ এই এম্পোৰিয়ামটোৰ আয়-ব্যয় সম্পৰ্কে সংশ্লিষ্ট মন্ত্ৰীয়ে জনাবনে ? আৰু সেই

এম্পোৰিয়ামটো অসম ভৱনৰ (চাৰকুইট হাউচৰ) এচুকত ৰাখি গ্ৰাহক সংগ্ৰহ কৰিব পাৰিছেনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : কলিকতাৰ প্ৰশ্নটো এটা বেলেগ প্ৰশ্ন। দিল্লীত যিটো এম্পোৰিয়াম আছে সেইটোৱে যথেষ্ট গ্ৰাহক আৰু দৰ্শক সংগ্ৰহ কৰিব পাৰিছে।

শ্ৰীসোনেশ্বৰ বৰা : মন্ত্ৰী মহোদয়ে বাৰ্ষিক উপাৰ্জন দেখুৱাইছে, যিটো উপাৰ্জন দেখুৱাইছে সেইটো এম্পোৰিয়ামৰ চাবেক উপাৰ্জন নে আনুসঙ্গিক সাহায্য লৈ হোৱা উপাৰ্জন মন্ত্ৰী মহোদয়ে জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, তালৈ পঠোৱা বস্তু-বোৰ বিক্ৰীৰ কাৰণে বিভিন্ন ঠাইৰ পৰা পঠোৱা হয় আৰু সেইটো তাৰ উপাৰ্জন, কলিকতালৈ প্ৰদৰ্শনীৰ কাৰণে পঠোৱা হয়।

শ্ৰীসোনেশ্বৰ বৰা : অধ্যক্ষ মহোদয়, এম্পোৰিয়ামে নিজে উৎপাদন কৰেনে বিক্ৰী কৰিবৰ কাৰণে অন্যান্য ঠাইৰ পৰা গোটেই বস্তুবিলাক তালৈ পঠোৱা হয় ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, অসমৰ অন্যান্য জেগাৰ পৰা যেনেকৈ মণিপুৰৰ পৰা লাইচামপি বুলি কোৱা হয়, আৰু বাহঁ-বেতৰ বস্তু তালৈ পঠোৱা হয়। এইবোৰ বস্তুৱে দৰ্শকক আকৰ্ষণ কৰে আৰু সেইবোৰ বিক্ৰী হয়। তাৰ বাদেও মুগা-পাটৰ কাপোৰ, যদিও তাত মেখেলা হিচাবে বিক্ৰী নহয় সেইবোৰ ৰেডিমেদ বস্তু হিচাবে তাত ভাল বিক্ৰী হয়।

শ্ৰীঅনীল দাস : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব খুজিছোঁ যে দিল্লীৰ যিখন এম্পোৰিয়াম সেইখন এজন ব্যৱসায়ীক জুৱেলাৰী কৰিবলৈ দিয়া হৈছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : মই খবৰ লৈহে জনাব পাৰিম।

শ্ৰীবীৰেণ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে দিয়া আয়-ব্যয়ৰ হিচাবৰ পৰা আমি দেখা পাইছো যে ১৯৭৫ চনত বাণ বেছি হৈছে অৰ্থাৎ লোকচান হৈছে। ১৯৭৫-৭৬ চনত আয় দেখুৱা হৈছে ৮২, হেজাৰ কিমান টকা আৰু ব্যয় দেখুৱা হৈছে এক লাখ কিমান টকা। এইদৰে লোকচান হোৱাৰ কাৰণটো কি জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, এম্পোৰিয়ামৰ পৰা যিটো হিচাব দেখুৱা হৈছে সেইমতে মই জনাইছোঁ।

শ্ৰীজীৱন বৰা : অধ্যক্ষ মহোদয়, এইদৰে হোৱা লোকচানৰ পৰা আমি ইয়াকে বুজিম নে কি যে দিল্লীৰ এম্পোৰিয়ামটো প্ৰকৃততে অসমৰ বস্তু বিক্ৰীৰ কাৰণে দিয়া হোৱা নাই, সেইটো স্থানীয় ব্যৱসায়ীক ব্যৱসায় কৰাৰ কাৰণেহে দিয়া হৈছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ চাৰ, মই মাননীয় সদস্যৰ লগত একমত নহয়, কাৰণ এটা বছৰতহে ইয়াৰ লোকচান হৈছে আৰু সেই এম্পোৰিয়ামটো কোনো ব্যৱসায়ীক ব্যৱসায়ৰ কাৰণে দিয়া হোৱা নাই।

## বি ঃ শৰমুজা ফকিৰগঞ্জ মথাউৰী

শ্ৰীনজমুল হকে সুধিছে ঃ

* ২০। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্তমান বছৰত শৰমুজা ফকিৰগঞ্জ মথাউৰীৰ বান্ধটোৰ ৰাখলিডুবিত ব্ৰহ্মপুত্ৰৰ পৰা দূৰত্ব মাত্ৰ ২৮ মিটাৰ হে বুলি চৰকাৰে জানেনে ?

(খ) যদি জানে অনতিপলমে Boulder Spur দি বান্ধটো ৰক্ষা কৰাৰ কিবা আঁচনি গ্ৰহণ কৰিবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে

২০। (ক) শৰমুজ্বা ফকিৰগঞ্জ মথাউৰী- ৰাদ্ধটোৰ ৰাখালডুবিত ব্ৰহ্মপুত্ৰৰ পৰা মাত্ৰ ২৮ মিটাৰ দূৰত্বৰ কথা চৰকাৰে নাজানে।

(খ) বান্ধটোৰ ৰক্ষাৰ কাৰণে প্ৰয়োজনীয় আঁচনি হাতত লোৱা হৈছে।

শ্ৰীনজমূল হক ঃ মন্ত্ৰী মহোদয়ে কৈছে যে ২৮ মিটাৰ দূৰত্ব বুলি আজিলৈকে নাজানে। অথচ বি, এফ, চিৰ চেয়াৰমেন আৰু বাননিয়ন্ত্ৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী ভালৈ গৈছে। গতিকে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো এইটো পেণ্ডিং ৰাখি অহা কালি বি, এফ, চিৰ পৰা বিস্তৃত বিৱৰণ আনি জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ ২৮ মিটাৰ দূৰত্ব আছে এই কথাটো অস্বীকাৰ কৰিছো। আমাৰ হিচাব মতে ৰাখালডুবিৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰলৈকে ১৪০ মিটাৰ দূৰত্ব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ ১৪০ মিটাৰ নদীৰ পৰা মঠাউৰীলৈ দূৰত্ব হোৱাটো খুব সংকটজনক কথা। গতিকে অহা বাৰিষাত ৰক্ষা কৰিবৰ কাৰণে কি ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : এই বিষয়ত ইতিমধ্যে ১০ লাখ হাজাৰ টকাৰ স্কিম লোৱা হৈছে। এইটো ৰিপেয়াৰ কৰা হব আৰু এফ, টি, আৰ প্ৰগ্ৰেম হিচাবে লোৱা হৈছে কাম আৰম্ভ হৈছে।

শ্ৰীনজমূল হক ঃ কি আঁচনি কৰা হৈছে, বিতং ভাবে কোৱা নাই।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ বণ্ডাৰ আছে।

শ্ৰীনজমূল হক : আমি বল্ডাৰ স্পাৰৰ কামত দেখিছো বানপানী অহাৰ সময়ত কাম আৰম্ভ কৰা হয়। ঠিকাদাৰে ২০-৩০ হাজাৰ বস্তা মাত্ৰ পেলায়।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : কাম আৰম্ভ হৈছে।

শ্ৰীবীৰেণ চৌধুৰী : এই বানপানী প্ৰতিৰোধৰ কাৰণে বান্ধ বন্ধাৰ যিটো ব্যৱস্থা আৰু ফ্লাড্ ফাইটিংৰ কাৰণে যি বিলাক কাম কৰা হয় তাত কিছুমান দুৰ্নীতি আছে। চৰকাৰে এই দুৰ্নীতি বিলাকৰ সৰ্ম্পকত জানে নেকি ? ফ্লাড্ ফাইটিং মেটেৰিয়েল হিচাবে কিছুমান চিমেণ্ট বেগ দিব লাগে। এই বেগ বিলাকত মাটি ভৰাই বান্ধ ৰক্ষা কৰাৰ কাৰণে দিয়া হয়।

Mr. SPEAKER : You put the question directly. My point is that when putting supplementary there cannot be advice, only specific and pin pointed questions should be asked but no advice.

শ্ৰীবীৰেণ চৌধুৰী : বান্ধৰ ওপৰত এই চিমেণ্টৰ বেগ বিলাক দিয়াৰ কাৰণে মাটিৰ দাম্পিং হয়নে নহয় ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : আমাৰ টেকনিকেল এক্সপাৰ্ট বিলাকে পৰিস্থিতি চাই প্লেন এষ্টিমেট কৰে। বাননিয়ণ্ত্ৰণ বৰ্ডৰ হায়াৰ অফিচাৰ সকলে এইবিলাক চায় আৰু এষ্টিমেট চেংছন কৰা হয়। সেইমতে কাম চলি আছে।

শ্ৰীবীৰেণ চৌধুৰী : বিষয়া সকলক দায়িত্ব দিয়ে হয়, কিন্তু সেই বিষয়া সকলে প্ৰকৃতভাবে যি ব্যৱস্থা লব লাগে, সেই ব্যৱস্থা নলয়। ঠিকাদাৰ বিলাকে বিলৰ মিছা ৰিপোৰ্ট দিয়ে, এই কথাটো জানেনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) : এই কথাটোৰ তেনেকুৱা নোটিচ পোৱা নাই।

## বি ঃ গোলাঘাটৰ ফৰকাটিংত খোৱা পানী যোগান

শ্ৰীসোনেশ্বৰ বৰাই সুধিছে :

* ২১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলাঘাটৰ ফৰকাটিংত বিশুদ্ধ খোৱা পানী যোগানৰ আঁচনি এখন লোৱা হৈছে নেকি ?

(খ) যদি হৈছে আঁচনিখনৰ কাম কিমান আগবাঢ়িছে ?

(গ) এই আঁচনি খন কেতিয়া সমাধান হোৱাকৈ ব্যৱস্থা লবলৈ বিচৰা হৈছে ?

(ঘ) এই আঁচনি খনৰ নিৰ্ম্মাণ খৰচ কিমান হব বুলি ঠিৰাং কৰা হৈছে ?

শ্ৰীগোলোক ৰাজবংশী ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২১। (ক) গোলাঘাট মহকুমাৰ অন্তৰ্গত ফৰকাটিংত বিশুদ্ধ খোৱা পানী যোগানৰ আঁচনি এখন লোৱা হৈছে।

(খ) আঁচনি খন বিস্তৃতভাবে প্ৰস্তুত কৰি ভাৰত চৰকাৰৰ কাৰিকৰী মঞ্জুৰীৰ বাবে যোৱা ২৩-১-৭৯ তাৰিখে পঠোৱা হৈছে। কিন্তু এতিয়ালৈকে ভাৰত চৰকাৰৰ পৰা কাৰিকৰী মঞ্জুৰী পোৱা হোৱা নাই।

(গ) ভাৰত চৰকাৰৰ অনুমোদন পালে আঁচনি খনৰ কাম আৰম্ভ কৰা হব আৰু সোনকালে সম্পুৰ্ণ কৰাৰ বাবে চেষ্টা কৰা হব।

(ঘ) এই আঁচনিৰ বাবে ১৪,৭৫,০০০.০০ টকাৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে।

শ্ৰীসোণেশ্বৰ ৰৰা ঃ ২৩-১-৭৯ তাৰিখৰ পৰা ১৯৮১ চন পালেহি। এই সময় চোৱাত ভাৰত চৰকাৰৰ পৰা এতিয়ালৈকে অনুমোদন পোৱা নাই। গতিকে অনুমোদন আনিবৰ কাৰণে খৰখেদা চৰকাৰৰ ফালৰ পৰা কৰা হৈছে নেকি ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : ৰেকৰ্ড মতে যোগাযোগ কৰি থকা হৈছে। ভাৰত চৰকাৰে কলে যে অৰিজিনেল স্কিমটো ট্ৰেচেবুল নহয়। সেই কাৰণে দিটেইলচ্ স্কিম পঠাই দিয়া হৈছে।

শ্ৰীসোণেশ্বৰ বৰা ঃ দিটেইলচ স্কিমত কিমান টকা ধৰিছে ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ সেই একে টকা আছে। মাত্ৰ ট্ৰেচেবুল নোহোৱাৰ কাৰণে পঠোৱা হৈছে।

শ্ৰীচামচুল হুদা : এইটো কথা সঁচা নেকি যে অসম চৰকাৰে যি বিলাক আঁচনি পঠাইছে সেই বিলাক অনুমোদন পাওঁতে সাত বছৰৰ কম সময় নালাগে ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ সকলো ক্ষেত্ৰত নহয়। কিছুমান ক্ষেত্ৰত কুৱেৰী কৰে। সেই বিলাকৰ আকৌ এক্সপ্লেনেচন দিব লাগে। এইদৰে পলম হৈ যায়।

শ্ৰীনৰেণ দত্ত ঃ মন্ত্ৰী মহোদয়ে এই সম্পৰ্কত কলে যে ১৯৭৯ চনত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ কাৰণে যিথন স্কিম পঠোৱা হৈছে, তাত ১৪ লাখ টকা ধৰা হৈছিল। যি সময়ত টকাৰ মূল্য ১৯ পইচা পাইছে, এই স্কিমত এতিয়াও একে টকা ধৰা হৈছে, তাৰ প্ৰশাসনীক মুল্য কি আছে জনাবনে ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ নতুন স্কিম কৰিলে আৰু দেৰি হব পাৰে। স্কিমটো একচেপত কৰি লোৱাৰ পিচত অগাপিচা কৰিব পৰা যায়। কিন্তু পুৰণা স্কিমটো একে ভাগে পঠাব লাগিব।

শ্ৰীসোনেশ্বৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, টকাৰ সংখ্যাটো ১৯৭৯-৮১ চনত এ.কেটাকে ধৰিছে। গতিকে এলেকা বা গাওঁ বিলাক কম বেচি ধৰা হৈছে নেকি ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) ঃ অৱশ্যে পুৰণা স্কীমত সেইখিনি ধৰা হৈছে।

শ্ৰীসোনেশ্বৰ বৰা ঃ চৰকাৰে এই খোৱা পানী যোগানৰ আঁচনি লৈ যি প্ৰস্তাৱ চলাই আছে সেই আঁচনি অনুপাতে কাৰ্য্যকৰী কৰিবলৈ যথেষ্ট সময় লব। গতিকে আঁচনি কাৰ্য্যকৰী কৰাৰ আগতে ৰাইজে যাতে ভাল বিশুদ্ধ পানী পাব পাৰে তাৰ ব্যৱস্থা লবনে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) ঃ আঁচনিখনৰ বিষয়ে মই আগতে কৈছোৱেই যে টেম্পৰেৰী ভাৱে ডম ক'ল বহুওৱাৰ ব্যৱস্থা কৰিছো আৰু প্ৰত্যেক সমষ্টিতে ২০ টাকৈ ডম ক'ল দিয়াৰ ব্যৱস্থা কৰিছো।

শ্ৰীসোনেশ্বৰ বৰা ঃ যি টিউবেল দিয়াৰ আঁচনি মতে সোনকালে খোৱা পানী যোগান ধৰাৰ বাবে প্ৰত্যেক সমষ্টিতে ২০ টাকৈ টিউৱেল দিয়াৰ কথা কৈছে, এইটো "এপাচি কচু শাকত এটা জালুক" দিয়াৰ নিচিনা কথাহে হব। বহুতে জানে যে মোৰ সমষ্টিটো কিমান ডাঙৰ। গতিকে মোৰ এলেকাত মাত্ৰ ২০ টাহে টিউৱেল বহিব। গতিকে ২০ টা টিউৱেলেৰে এই এলেকাৰ মানুহখিনিক খোৱা পানী যোগান ধৰিব পাৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : অস্থায়ী ব্যৱস্থা কাৰণে বিবেচনা কৰি চাব লাগিব।

৩ শ্ৰীউমেশ দাস ঃ অধ্যক্ষ মহোদয়, যিবিলাক অঞ্চলত এনেকুৱা আঁচনি আছে মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পৰা জানিব পাৰিছো যে সেই বিলাক অঞ্চলত ১৯৭৯ চনৰ পৰা এতিয়ালৈকে পানী যোগান হোৱা নাই। সেই অঞ্চল বিলাকত টেমপৰাৰি পানী যোগান আঁচনিৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : যিবিলাক ঠাইত পানীৰ অভাৱ আছে সেই বিলাক ঠাইত এই অভাৱ গুচাবৰ কাৰণে চেষ্টা কৰিছো। বহুত বস্তু আমি বাহিৰৰ পৰা আনিব লাগে। যোৱা বছৰৰ পৰা ৰিং আহি পোৱা নাই সেই কাৰণে এই আঁচনি কাৰ্য্যকৰী কৰাত পলম হৈছে। গতিকে সেই বিলাক অঞ্চলত সোনকালে পানী যোগান ধৰাৰ বাবে টিউবেল দিয়াৰ ব্যৱস্থা কৰিছো। এই ক্ষেত্ৰত কিছুমান নৰ্মচ্ আছে। আৰু সেই মতেই কৰি থকা হৈছে।

শ্ৰীউমেশ দাস : এই বিষয়ে মই বিভাগীয় বিষয়াৰ লগত আলোচনা কৰিছো। তেওঁলোকে কৈছে যে পানী যোগানৰ বাবে অস্থায়ী ব্যৱস্থা কৰিব নোৱাৰে।

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : য'ত পানী নাই তাতহে এই ব্যৱস্থা প্ৰথমতে লোৱা হব।

শ্ৰীযোগেন গগৈ : অ, এন, জি, চি তেল খাটৰ তেল আহি যিবিলাক ঠাইৰ খোৱা পানী দুষিত কৰিছে সেই বিলাক ঠাইৰ কিবা ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : মই আগতেই কৈছো যে এই খোৱা পানী আঁচনি ফেইজ ওৱাইজ কৰাৰ ব্যৱস্থা কৰা হৈছে।

শ্ৰীযোগেন গগৈ : অ, এন, জি, চি য়ে নষ্ট কৰা এলেকা বিলাকক অগ্ৰাধিকাৰ দিয়া হবনে নাই ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : য'ত বেচি বেয়া পানী আছে তাতেই অগ্ৰাধিকাৰ দিয়া হব।

শ্ৰীচামচুল হুদা : যিবিলাক অঞ্চলত টিউবেল বহুওৱাৰ কাৰণে উপযুক্ত নহয় তাত ৰিংৱেল দিয়া হবনে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : এই আঁচনিত ৰিংৱেলৰ ব্যৱস্থা আছে।

শ্ৰীচামচুল হুদা ঃ মজুৰ হৈ থকা আঁচনি বিগ মেচিন নহাৰ বাবে কাৰ্য্যকৰী নোহোৱাকৈ আছে নেকি ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) ঃ আমাৰ বহুতো যন্ত্ৰ পাতিৰ অভাৱৰ কাৰণেই কিছু ক্ষেত্ৰত কাম কৰিব পৰা নাই। সেই কাৰণেই এনেকুৱা যন্ত্ৰপাতি আনিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ চৰকাৰে কৰা কাম বিলাক যিহেতু লেহেম গতিত হয় সেই কাৰণেই এই বিলাক দায়িত্ব মালচান্দ মতিলালক দিব নোৱাৰিনে ?

( উত্তৰ নাই )

শ্ৰীবিপিন হাজৰীকা ঃ অসমৰ ৰাইজৰ পানীৰ অভাৱ গুচাবলৈ অহা ২ বছৰৰ ভিতৰত কিমান শতাংশ পানী যোগান ধৰি এই সমস্যা সমাধান কৰাৰ কথা ভাবিছে ?

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) ঃ এইটো গোটেই অসমৰ কথা যেতিয়া বেলেগে প্ৰশ্ন দিলে উত্তৰ দিব পাৰিম।

**Re : Assam Tea Plantations Act**

Shri BIRENDRA NATH CHOUDHURY asked :

* 22 Will the Minister, Labour be pleased to state —

(a) Whether Govt. is aware of the fact that most of the workers' Welfare provisions of Assam Tea Plantation Act have not been implemented by the management of Maijanga

T. E. and Krishnakali T. E. of Goalpara District.

(b) If so, what steps Govt. propose to take against the offenders for violating the provisions of the Assam Tea Plantation Act ?

Shri JOYCHANDRA NAGBANGSHI (Minister of State, Labour) replied :

22. (a) Yes. Some provisions are found to have been violated.

(b) (i) Prosecution case against Krishnakali T. E. was filed in the Court of Chief Judicial Magistrate, Dhubri, which has been dismissed recently.

(ii) In case of the Maizanga T. E. sanction for prosecution has been accorded to the Assistant Labour Commissioner concerned.

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধুৰী ঃ অধ্যক্ষ ডাঙৰীয়া, মাইজোংগা আৰু কৃষ্ণকলি চাহ বাগিছাত কি কি প্ৰভিজন ভায়লেট কৰিছে জনাবনে ?

শ্ৰীজয় চন্দ্ৰ নাগবংশী ( মন্ত্ৰী ) ঃঅসম বাগিছা আইনৰ ৫৬ নং আইনৰ ১৫ ধাবা মতে বাগিছা কতৃপক্ষই যি ধৰণে ঘৰ সজাব লাগে সেই ধৰণে সজোৱা নাই । সেই দৰে ১০ ধাৰা মতে লেবাৰক টকা দিব লাগে সেই ধৰণে দিয়া নাই । আকৌ ১২ আৰু ১৩ ধাৰা মতে যেনেদৰে কেনটিন আদি চলাব লাগে সেই মতে চলোৱা নাই ।

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধাৰী ঃ চৰকাৰৰ ফালৰ পৰা তেনেধৰণৰ কিবা সুবিধা আগবঢ়াইছে নেকি ? প্ৰতি বছৰে ৮ টাকৈ পকী ঘৰ সজাব লাগে। তাৰ কাৰণে চৰকাৰৰ পৰা সাহায্য দিয়া হয় আৰু হাউচিং বৰ্ডৰ পৰা সেইবিলাক কৰে। মইজোংগা চাহ বাগিছাটো এনে ধৰণৰ চাবচিদি দিয়া হৈছিল নেকি ? যদি হৈছিল সেই টকা ঘৰ সজা কামত ব্যৱহাৰ হৈছিলনে ?

শ্ৰীজয় চন্দ্ৰ নাগবংশী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, ঘৰ সজাৰ বাবে হাউচিং বৰ্ডৰ পৰা চাবচিদি দিয়াৰ ব্যৱস্থা আছে যদিও বহু ক্ষেত্ৰত চাহ বাগিছাৰ কৰ্তৃপক্ষই চিমেণ্ট আদিৰ নটনি বাবেই কাম কৰিব পৰা নাই। বছৰি ৮ টাকৈ পকীঘৰ সজাব লাগে বুলি আইনত আছে।

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধাৰী : মোৰ প্ৰশ্নটো আছিল মইজোংগা চাহ বাগিছাত চাবচিদি দিয়া হৈছিল নেকি ?

শ্ৰীজয় চন্দ্ৰ নাগবংশী ( মন্ত্ৰী ) ঃ এই বিষয়ে মই ভালদৰে চাই পিচত জনাম।

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধাৰী ঃ চিকিৎসাৰ অভাৱত প্ৰায় ১ বছৰৰ আগতে মইজোংগা চাহ বাগিছাত এগৰাকী বৃদ্ধা শ্ৰমিকৰ মৃত্যু হোৱা কথাটো চৰকাৰে জানেনে ? আৰু এনে ভাবে চাহ বাগিছাৰ মেনেজমেণ্টে শ্ৰমিকৰ নিম্নতম সুবিধাখিনি দিব নোৱাৰাৰ ফলত শ্ৰমিক জন মৰিছে। গতিকে ইয়াৰ দায়িত্ব চৰকাৰে লবনে ?

শ্ৰীজয় চন্দ্ৰ নাগবংশী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এগৰাকী বৃদ্ধা মৰাটো সঁচা। চৰকাৰৰ ফালৰ পৰা এই বিষয়ে তদন্ত কৰি ধুবুৰীৰ আদালতত কেচ কৰা হৈছে। ( কেচ নম্বৰ ২৭৩/৭৯ )

শ্ৰীবীৰেন্দ্ৰ নাথ চৌধাৰী : এনেদৰে চিকিৎসাৰ অভাৱত এগৰাকী মহীলা মৃত্যু বৰণ কৰাৰ পিচত সেই শ্ৰমিকৰ পৰিয়ালক সাহায্য দিয়াৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে ?

শ্ৰীজয় চন্দ্ৰ নাগবংশী ( মন্ত্ৰী ) : মাননীয় সদস্যই বাবে বাবে একেটা কথাকে কৈছে ইয়াৰ পিচত যাতে বাগিছাৰ কৰ্তৃপক্ষই কেনেকুৱা দুষ্কৃতি নকৰে তাৰ বাবে সৰ্তক দৃষ্টি ৰখা হৈছে ।

Mr. SPEAKER : The Question Hour is over.

## Undisposed Starred Questions dated 24-3-81

### বিঃ জিলা আৰু সহকাৰী জিলা ন্যায়াধীশ আৰু ন্যায়িক দণ্ডাধীশ

শ্ৰীদেৱানন্দ বৰাই সুধিছে :

* ২৩। মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত নতুনকৈ কিমান জিলা, অতিৰিক্ত জিলা আৰু সহকাৰী জিলা ন্যায়াধীশ আৰু ন্যায়িক দণ্ডাধীশ নিযুক্তি দিয়া হৈছে ?

(খ) তেনে ধৰণে ক'ত কিমানজন ন্যায়াধীশ বা দণ্ডাধীশ নিযুক্তি দিয়া হৈছে ?

(গ) এই নতুনকৈ নিযুক্তি দিয়া আদালত সমূহৰ বাবে আদালতৰ ঘৰৰ ব্যৱস্থা কৰা হৈছেনে ?

শ্ৰীমহম্মদ ইদ্ৰিছ ( আইন, ন্যায়িক বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৩। (ক) অসমত নতুনকৈ নিযুক্তি দিয়া হৈছেঃ— অতিৰিক্ত জিলা ন্যায়াধীশ—৪ জন, সহকাৰী জিলা ন্যায়াধীশ কোনো নিযুক্তি দিয়া হোৱা নাই, ন্যায়িক দণ্ডাধীশ—৪২ জন ।

(খ) উল্লিখিত ন্যায়াধীশ আৰু দণ্ডাধীশ সকলৰ নিযুক্তি স্থান ক্ৰমে :—

অতিৰিক্ত জিলা ন্যায়াধীশ ঃ—শিলচৰ, যোৰহাট, ডিব্ৰুগড় আৰু গুৱাহাটী (প্ৰত্যেক ঠাইতে এজনকৈ)

ন্যায়িক দণ্ডাধীশ ঃ—ডিব্ৰুগড় ২ জন, যোৰহাট— ২ জন, হাইলাকাণ্ডি— ২ জন, তেজপুৰ— ৩ জন, বৰপেটা — ২ জন, গোলাঘাট— ২ জন, শিলচৰ— ৬ জন, নগাওঁ — ২ জন, তিনচুকীয়া— ২ জন, নলবাৰী— ২ জন, গুৱাহাটী— ৪ জন, শিৱসাগৰ — ২ জন, ধুবুৰী— ২ জন, কৰিমগঞ্জ— ২ জন, গোৱালপাৰা— ১ জন, উত্তৰ লক্ষীমপুৰ—২ জন, মঙ্গলদৈ — ২ জন, ধেমাজী— ১ জন, মৰিগাওঁ— ২ জন আৰু কোকৰাঝাৰ— ১ জন ।

এজনে চাকৰিত যোগদান কৰা নাই ।

(গ) এতিয়ালৈ অতিৰিক্ত মুখ্য দণ্ডাধীশ আদালতৰ বাবে ৩ টা আৰু ন্যায়াধীকৰ্ত্তা (মুন্সিফ) ৰ আদালতৰ বাবে ৪ টা ঘৰ নিৰ্ম্মাণৰ আৱশ্যকীয় প্ৰশাসনীয় অনুমোদন দিয়া হৈছে। ইয়াৰোপৰি আদালতৰ ঘৰৰ নিৰ্ম্মাণৰ ব্যৱস্থা নোহোৱালৈকে ভাড়া ঘৰ লোৱাৰ বাবে বাজেটত ব্যৱস্থা কৰা হৈছে।

## বিঃ নগাওঁ জিলাৰ গাৰুখুন্দা গাৱত বাজ্যিক চিকিৎসালয়

শ্ৰীবালিৰাম দাসে সুধিছে ঃ

* ২৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) নগাওঁ জিলাৰ কামপুৰ চাকোলৰ গৰুবাট মৌজাৰ গাৰুখুন্দা গাঁৱত এখন ৰাজ্যিক চিকিৎসালয় স্থাপনৰ আঁচনি লোৱা হৈছে নে ?

(খ) যদি হৈছে কেতিয়া লোৱা হৈছিল ?

(গ) এই চিকিৎসালয় নিৰ্ম্মাণৰ কাম কেতিয়া সম্পূৰ্ণ হব ?

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২৪। (ক) হয় ।

(খ) ১৯৮০ চনৰ জানুৱাৰী মাহত ।

(গ) অহা জুন মাহৰ শেষৰফালে সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে ।

## Re : Erosion of Tezpur Railway Station

Shri JIBON BORAH asked :

*25. Will the Minister, Flood Control be pleased to State—

(a) Whether the Government is aware of the fact that the river Brahmaputra has been continuously eroding the Tezpur Railway Station, Da-Kalibari Parbatia and Basseria areas of the Tezpur Assembly Constituency ?

(b) If so, what steps have been taken by the Government to protect these areas from erosion ?

(c) Whether the Government propose to provide lands to the people of these areas affected by the erosion ?

Shri RANENDRA NARAYAN BASUMATARI ( Minister, Flood Control ) replied :

25. (a) Yes, the Government are aware.

(b Government sanctioned protection works at Tezpur Railway Station and at Kalibari and work will be taken up within this financial year. Regarding Parbatia one retirement had been constructed but could not be completed due to vehiment public objection. The problem of Besseria is under investigation.

(c) Question does not arise.

## বিঃ ব্ৰহ্মপুত্ৰ নদীৰ বান নিয়ন্ত্ৰণ

শ্ৰীযোগেন গগৈয়ে সুধিছে :

* ২৬। মাননীয় বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ব্ৰহ্মপুত্ৰ নদীখন কিমান দীঘল আৰু ইয়াৰ কিমান দৈৰ্ঘ্যৰ অংশ অসম ৰাজ্যৰ ভিতৰত পৰিছে ?

(খ) বৰ্ত্তমান এই ব্ৰহ্মপুত্ৰৰ কিমান দৈৰ্ঘ্যতাত বান নিয়ন্ত্ৰণ হল আৰু কিমানত ইতিমধ্যে বান নিয়ন্ত্ৰনৰ ব্যৱস্থা লোৱা হৈছে ?

শ্ৰীমুকুট শৰ্ম্মা ( বান-নিয়ন্ত্ৰন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ।

২৬। (ক) ব্ৰহ্মপুত্ৰ নদীখন ২৮৯৭ কিঃ মিঃ দীঘল আৰু ইয়াৰে ৭২০ কিঃ মিঃ দৈৰ্ঘ্যৰ অংশ অসম ৰাজ্যৰ ভিতৰত পৰিছে।

(খ) বান প্ৰতিৰোধৰ ব্যৱস্থা হিচাবে ইতিমধ্যে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ৮৮৭ কিঃ মিঃ দৈৰ্ঘ্যৰ মঠাউৰি নিৰ্ম্মাণ কৰা হৈছে আৰু ৬ষ্ঠ পৰিকল্পনাত ২০৫ কিঃ মিঃ মঠাউৰি নিৰ্ম্মাণৰ কাৰণে প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

## বি ঃ বগীনদীত চিকিৎসালয় নিৰ্ম্মাণ।

শ্ৰীশূল বৰাই সুধিছে ঃ

* ২৭। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

ধেমাজী মহকুমাৰ ধকুৱাখানা বিধান সভা সমষ্টিৰ এলেকাৰ বগীনদীত ৩০ খন বিচনাৰ এখনি চিকিৎসালয় নিৰ্ম্মাণ কৰাৰ কাৰণে আৱশ্যকীয় ব্যৱস্থা কৰিবনে ?

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৭। তেনে কোনো আঁচনি এতিয়া নাই।

## বিঃ অসমত গ্ৰাম্য বিশ্ববিদ্যালয়

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

* ২৮। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমৰ গ্ৰাম্য উন্নয়ন আৰু অৰ্থনৈতিক বিকাশৰ বাবে গুৰুত্ব বুজি অসমত Rural University পতাৰ বিষয়ে চৰকাৰে বিবেচনা কৰিবনে ?

(খ) যদি বিবেচনা কৰে তেন্তে এনেধৰনৰ University অসমত কেইটা পতাৰ আঁচনি লব ?

(গ) যদি আঁচনি লোৱা হয় তেন্তে স্থান নিৰ্ব্বাচনৰ বাবেও সোনকালে এটা বিশেষ কমিটি গঠন কৰিবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৮। (ক) Rural University (গ্ৰাম্য বিশ্ববিদ্যালয়) পতাৰ বিবেচনা কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

## বিঃ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বিদেশী নাগৰিকৰ নিযুক্তি

শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামীয়ে সুধিছে ঃ

* ২৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ১৯৭৯ চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় ছাত্ৰ সন্থাৰ আলোচনীখনৰ সম্পাদকীয়ত চৰকাৰৰ দৃষ্টিগোচৰ হৈছে নে ?

(খ) উক্ত সম্পাদকীয়ত উল্লেখ কৰামতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কেইজনমান বিদেশী নাগৰিকক শিক্ষক হিচাবে নিযুক্তি দিয়া কথাটো সচানে ?

(গ) যদি সচা, উক্ত সম্পাদকীয়ৰ লগত ডিব্ৰুগড় বিশ্ববিদ্যালয় কর্তৃপক্ষ আৰু অসম চৰকাৰ একমত নে ?

শ্রীহিতেশ্বৰ শইকীয়া (শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৯। (ক) হয়, হৈছে।

(খ) সঁচা নহয়।

(গ) নহয়।

## বিঃ চৰকাৰী কৰ্ম্মচাৰীক পেঞ্চন

শ্রীশূল বৰাই সুধিছে :

* ৩০। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) চৰকাৰী কৰ্ম্মচাৰীক নতুন হাৰত পেঞ্চন দিয়াৰ কাৰণে চৰকাৰে কিবা স্মাৰক পত্ৰ পাইছেনে ?

(খ) কেন্দ্ৰীয় হাৰত চৰকাৰী কৰ্ম্মচাৰীক পেঞ্চন দিয়াৰ কথা চৰকাৰে বিবেচনা কৰিবনে ?

(গ) যদি নকৰে, কিয় জনাবনে ?

শ্রীকেশৰ চন্দ্ৰ গগৈ (বিত্ত বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

৩০ (ক) হয়, পাইছে।

(খ) কেন্দ্ৰীয় হাৰত চৰকাৰী কৰ্ম্মচাৰীক পেঞ্চন দিয়াৰ কথাটো চৰকাৰে পৰীক্ষা কৰি দৰমহা আয়োগলৈ পঠাইছে।

(গ) ওপৰোক্ত (খ) ৰ উত্তৰৰ সন্দৰ্ভত এই প্ৰশ্ন নুঠে।

## STATEMENT BY CHIEF MINISTER

Mr. SPEAKER : Before going to other businesses there are two statements to be made. Before that I want to inform Mr. Nishit Das that the Hon. Chief Minister will give the statement tomorrow. So he can raise the matter to-morrow. Now the hon. Chief Minister will give the statement.

*Smti. SYEDA ANOWARA TAIMUR (Chief Minister) : I would like to inform the House regarding the decision of the Govt. of India raising the royalty on Crude Oil. The Union Minister of Petroleum, Chemicals and Fertilizers made a statement in the Lok Sabha on 18th March, 1981 announcing the decision of the Govt. of India that the rate of royalty payable on Crude Oil from Assam and other States will be raised from the existing Rs. 42/-to Rs. 61/- per tonne with effect from 1st April, 1981. This will result in the accrual of an additional revenue of about Rs. 10 crores annually for Assam.

While welcoming the decision of Govt. of India and expressing our gratefulness, I would like to point out that we had requested the Govt. of India that the rate of royalty should be fixed at the rate of 20% of the international price of Petroleum crude and whenever the international price varies by 5% or more, the rate of royalty should be correspondingly reviewed. On this basis the State Govt. had requested that royalty should be fixed at Rs. 315/-per tonne.

---

* Speech not corrected.

We should continue to press the Government of India for further increase as indicated and look forward to a sympathetic consideration.

শ্ৰীগোলাপ বৰবৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, তেলৰ ৰয়েলটি ৪২ টকাৰ পৰা ৬১ টকা কৰি দিয়াত মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জনাই বহি থাকিল। আমি ভাবো এইটো অতি কম হৈছে। ইয়াৰ আগতে অসম চৰকাৰৰ পৰা বাৰে বাৰে এইটো দাবী কৰি অহা হৈছে যে ৰয়েলটি বঢ়াই দিব লাগে। জনতা চৰকাৰৰ দিনত তেলৰ ৰয়েলটি ১৬০ টকালৈ বঢ়াই দিবলৈ দাবী কৰা হৈছিল। এনে স্থলত ৬১ টকা কৰাৰ পিছতেই তৎক্ষনাত প্ৰতিবাদ জনাব লাগিছিল। কিন্তু তাকে নকৰি ইয়াতে সন্তুষ্টি প্ৰকাশ কৰি বহি থকাটো উচিত হোৱা নাই। অসমৰ কাৰণে এইটো অতি নগন্য। গতিকে ভাৰত চৰকাৰে ইয়াক ১৬০ টকালৈ বৃদ্ধি কৰিব লাগে। আৰু এইটোকে আমি দাবী কৰো।

শ্ৰীপ্ৰমোদ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, তেলৰ ৰয়েলটিৰ সম্পৰ্কত বৰ্ত্তমান চৰকাৰে যি সন্তুষ্টি লাভ কৰিছে, সেইটো সন্তোষজনক হোৱা নাই। কাৰণ অসমৰ কাৰণে এইটো অতি কম হৈছে। বৰ্ত্তমান কেন্দ্ৰীয় চৰকাৰে আমাক যিটো ৰয়েলটিৰ ক্ষেত্ৰত দিছে অৰ্থাৎ ৬১ টকাকৈ দিছে, সেইটোত ৰাজ্যিক চৰকাৰে সন্তুষ্টি লাভ নকৰি কেন্দ্ৰীয় চৰকাৰক জনাব লাগে যে অসম চৰকাৰে এই ক্ষেত্ৰত সন্তোষ প্ৰকাশ কৰিব পৰা নাই বৰং অসন্তুষ্টিহে প্ৰকাশ কৰিছে। বৰ্ত্তমান চৰকাৰে যিহেতু আমাৰ মনোভাবৰ কথা জানিব পাৰিছে, গতিকেই কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তত বিধান সভাই অসন্তুষ্টি প্ৰকাশ কৰাৰ কথা অবগত কৰিব লাগে। কিয়নো ভাৰতবৰ্ষত যিমান ক্ৰুদ অইল উৎপন্ন হয় তাৰ শতকৰা ৫০ ভাগ উৎপাদন অসমতে হয়। তাৰোপৰি, অসম ৰাজ্যখন অন্যান্য ৰাজ্যতকৈ অৰ্থনৈতিক ভাবে পিছপৰা আৰু ই এখন সীমা মূৰীয়া ৰাজ্য। এই গোটেইবোৰ কথা আৰু সদনৰ মনোভাব যে বৰ্ত্তমান চৰকাৰৰো মনোভাব

তাকে বিতং ভাবে কেন্দ্ৰীয় চৰকাৰক জনাবলৈ মই বাজ্যিক চৰকাৰক অনুৰোধ জনালো।

Shri Md. UMARUDDIN : Mr. Speaker, Sir, the contention of hon. member Shri Borbora deserves consideration by the House, for raising the royalty on crude oil produced in Assam. The mechanism of fixing the price of crude oil is related to the prices fixed by the OPEC countries. As a result of the OPEC countries raising their prices we have to pay in foreign exchange the amount worth Rs. 5 thousand crores. We are paying our money in terms of the prices prevailing in the foreign countries. There is a parity between these two prices. If there is parity the roylty is going to be very much higher. That Sir, since the Govt. of India is raising the prices of crude oil, we are not getting any share of the Excise Duty on it. Therefore, since the extraction of crude make certain topographical damage on the surface, it is also a loss to the State Government, it sustains loss in agricultural fields, in the geophysical condition of the State, by this crude oil operation extraction. Therefore, Sir, I think, we should pass a resolution on the statement made by the Chief Minister, and for that purpose form a Study Team to study the Subject so that our claim will not be arbitrary.

Shri NOORUL HUDA : Sir, we share the views expressed by the hon. members. The feeling of the people of our State for long years is that we are being deprived by the Centre in terms of

this royalty on crude oil as well as in terms of the tea export of which we do not get much. We get much less. That is why I fully endorse the views expressed by the hon. member Mr. Umaruddin and I would ask the Government to bring a resolution in this House today or to-morrow so that an unanimous view can be expressed by the hon. House demanding a higher royalty on the crude to the satisfaction of the people of the State.

মাননীয় অধ্যক্ষ মহোদয় : যিটো হ'ল, সেইটোত সকলোৰে সন্তুষ্ট হোৱা নাই।

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এইটো ভালকৈ বুজি পাইছো যে আপোনালোকে ৰয়েলটিৰ ক্ষেত্ৰত সন্তোষ প্ৰকাশ কৰিব পৰা নাই। কেন্দ্ৰীয় চৰকাৰে আমাৰ উন্নয়নমূলক কামৰ কাৰণে যিখিনি আগবঢ়াইছে তাৰ লগতে ৰয়েলটিৰ ৰেট বঢ়োৱাৰ কাৰণেও প্ৰেচ কৰিছিলোঁ। সেইটো পুনৰ বঢ়াই দিবলৈ অন্যান্য সদস্য সকলে দাবী কৰিছে। সেইকাৰণে আকৌ কেন্দ্ৰীয় চৰকাৰক প্ৰেচ কৰিম আৰু আপোনালোকৰ মনোভাৱ কেন্দ্ৰীয় চৰকাৰক জনাই দিম।

শ্ৰীবানেশ্বৰ শইকীয়া : এই খাৰুৱা তেলৰ ৰয়েলটি সম্পৰ্কে সদনৰ সকলোৰে সন্মতিক্ৰমে এটা প্ৰস্তাৱ অনা হ'ব নেকি ?

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মুখ্যমন্ত্ৰী) ঃ অনা হ'ব।

## STATEMENT BY MINISTER

* Shri RAMESH CHANDRA SAHARIA (Minister): Mr Speaker, Sir, with your kind permission, Sir, I would like to make a statement before the house on the bomb explosions which took place in the early hours of the 18th March, 1981 inside the Assembly hostel Campus at Dispur.

As the Hon'ble Members are aware, two explosions took place on the 18th of this month inside the Assembly Hostel area. The first of these took place at about 2.50. A.M. in the compound of Quarter No. 46 as a result of which some windows, ventilators etc. of the Quarter Nos. 46 45, 47, 44 and 49 were slightly damaged. The police staff of the Dispur O.P. immediately reached the spot and shortly thereafter, senior Police Officers also rushed to the spot and investigation was taken up.

The 2nd explosion took place at about 9.25 A.M. near Quarter No.3. In this explosion also glass panes and windows of Quarter No.3 and 1 were damaged. Police Officials were already near the spot in connection with the investigation of the first explosion and they immediately started investigating this case as well.

From the search of the place of the first occurance a few pieces of paper and a portion of casing of a torch cell were found and seized. During the search of the place of second

* Speech not corrected.

occurance, a few pieces of torn torch cell, one eveready cell and a metallic piece resembling a part of watch dial were found and seized. From the seized articles, particularly of the second explosion, it is suspected that high explosives with time device were used in this case. In both the cases, the explosives appeared to be connected with battery device for causing detonation. The forensic experts also visited the place and examined the articles. Their report in the matter is still awaited.

In both the cases the dog squad of police was pressed into service. After the first occurance, the services of the dog squad were utilised at 4 A. M. on 18.3.81. The dog was given the smell of the place of the blast and had entered the premises of Quarter No.78. It also entered the premises of Quarter No.82. The dog went upto the door of this house and returned. The dog also led the party to the house of Shri Basanta Talukdar, outside the campus and returned. The dog did not lead to any particular person.

In the second case, the dog squad was pressed into service at 9.45 A. M. The Police dog after being given the smell of the place of the blast went to Quarter No. 1 and again to Quarter No. 2. The dog did not lead to any particular parson.

It may be seen that in the two cases, the dog went into the compounds of Quarters Nos.

78, 1 and 2 and upto the door of Quarter No. 82 but in no case, it did lead to any specific spot or person.

It appears that the main reason why the dog could not lead to any particular person is the want of any particular item of clothing etc. which could be connected with the culprit. In both the cases the dog could be given only the smell of the explosives at the place of blasts. It appears that the dog could lead only within an area where the smell may have been carried by persons who may have visited the place of occurance soon after the occurance.

As regards arrests, I would like to inform the House that so far six persons have been arrested in the two cases. In the first case on 18.3.81, Shri Ashok Thakur son of Shri Phanidhar Thakur of Hengerabari was arrested. 2 more persons viz., Shri Nimesh Saikia son of Shri Nagen Saikia of Basistha, Ganeshnagar and Shri Hemanta Kumar Gogoi son of Shri Khagen Gogoi of Panjabari was arrested on 22.3.81. One more person viz., Shri Hemant Borgohain son of Shri Thanuram Borgohain of Panjabari was also arrested on 18.3.81 in connection with some other cases but he has also since been forwarded in connection with this case as he is strongly suspected in this case also.

In connection with the second case, on 18.3.81, Shri Dhrubaraj Sarma son of Shri Kamala Sarma of Noonmati and Shri Ramlal

Chetri son of Shri Dadhiram Chetri of Chandmari were arrested.

Subsequently, Shri Nimesh Saikia, Shri Hemanta Kumar Gogoi and Shri Hemanta Borgohain the three suspected persons in the first case have also been forwarded in connection with the second case on 22.3.81 because of their suspected involvement.

Security measures in the Dispur area and particularly around Assembly Hostel have been further strengthened and I would like to assure the Hon'ble Members that Govt. is determined to ensure full security to the life and property of the Hon'ble Members and also to bring the culprits to book.

I would like to assure the Hon'ble Members that investigation in these cases is being done vigorously although substantial results are yet to emerge. Govt. are actively considering the desirability of handing over the investigation to the Central Bureau of Investigation and decision in this regard will be taken shortly after consideration of all the aspects of the matter.

Here I would like to take note of the unfortunate allegation made by some Hon'ble Members against some senior Police and Civil Officers. With all emphasis at my command and with full sense of responsibility, I would like to categorically state that these allegations are not true. In this connection I would like

to impress the Hon'ble Members that such allegations may hinder proper course of investigation of these serious incidents which involved life and death question of the Hon'ble Members.

Hon'ble Members are aware that there have been persistant efforts on the part of certain sections to make the functioning of this August House difficult if not impossible. While I would not like to detail all such efforts as these are well known, I would like to point out that the recent explosions appear to be a part of the same design. Hon'ble Members should recall that similar explosion had taken place on the boundary wall of the Assembly Hostel on 22nd February near the back side of Quarter No. 98.

The two recent explosions, therefore, appear to be part of the same design aimed at making the democratic functioning of the state difficult.

I would again like to assure the members of the Govt.'s determination to provide full security to Hon'ble Members to bring the culprits to book and to thwart the designs of those who want to jeopardise the democratic functioning of the Assembly and to create chaotic conditions by acts of terrorism.

Sir, I may be permitted to point out that security measures during the current Assembly Session have been considerably tightened after a series of discussions held at different levels

and concrete measures were formulated with the permission of the Hon'ble Speaker to ensure adequate security to the members of the Assam Legislative Assembly during their stay in Assembly Hostels for the Assembly Session commencing from 19. 3. 81. The Hon'ble Speaker was apprised of the measures which were finalised after on the spot visit to the Assembly Chamber, Assembly premises and the Assembly Hostels (old and new). The Hon'ble Speaker was pleased to accord approval to the security arrangements for the Assembly Chamber, Assembly premises and the Members Hostels.

It would thus be evident that all possible efforts were made to safeguard the life and property of the Hon'ble Members of the House to the extent possible and feasible without imposing undue restrictions on the Hon'ble Members of the House, their family members and visitors.

Shri IBRAHIM ALI : Sir, I have a supplementary.

Mr. SPEAKER : There cannot be any supplementary. If you want any clarification you can ask it.

Shri IBRAHIM ALI : Yes Sir, I want one clarification. A few weeks ago there was bomb explosion in Chandmari. Will the Home Minister tell us whether the series of bomb explosion is of the same nature or there is some difference among one another ?

Shri RAMESH CHANDRA SAHARIA ( Minister ) : I shall look into it.

Shri DULAL CHANDRA BARUA : Sir, in the statement given by the Hon'ble Home Minister it has been said that there was damage in No. 1 ( voices : no, there is no damage ). He has said that there was damage in No. 3 and 1, Sir, we are generally to accept the statement of a Minister, but I must say with full authority that this statement is misleading.

শ্ৰীমোজামিল আলী চৌধুৰী ঃ মন্ত্ৰী মহোদয়ে তেখেতৰ প্ৰতিবেদনত বহু কথাই কৈছে। কিন্তু তেখেতৰ প্ৰতিবেদনত যি কেইটা কোৱাৰ্টাৰৰ ওচৰে পাজৰে বোমা ফুটিছিল সেইবোৰ কোৱাৰ্টাৰত মানুহ স্থায়ী ভাবে আছিল নেকি ? আৰু বোমা ফুটাৰ পিচত সেই মানুহবোৰ তাৰ পৰা গুছি গৈছিল নেকি ? এইবোৰ কথা প্ৰতিবেদনত দিয়া নাই। তেখেতে কিছুমান মানুহক এৰেষ্ট কৰাৰ কথা কৈছে। কিন্তু তাত মানুহ স্থায়ী ভাৱে নাছিল নেকি আৰু বোমা ফুটাৰ পিচত তাৰ পৰা গুচি গৈছিলনেকি সেই কথা কোৱা নাই।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ( মন্ত্ৰী ) ঃ বোমা ফুটাৰ পিচত তাৰ পৰা কোনোবা মানুহ গুছি গৈছিলনেকি সেইটো কথা বিচাৰ কৰি চাব লাগিব। শ্ৰীবৰুৱা দেৱে যিটো মিচলিডিং বুলি কৈছে সেইটো আচলতে ভুলক্ৰমেহে হৈছে।

Shri DULAL CHANDRA BARUA : Sir, it is a very serious matter. After so many discussions the hon'ble Minister gave a statement. But there is no damage in Quarter No.1.

Shri PRASAD CHANDRA DOLEY ( Minister of State ) : There is damage in Quarter No.1.

Shri DULAL CHANDRA BARUA : Quarter No. 2 is damaged, and nct Quarter No.1. Quarter No. 1 was not damaged.

Shri PRASAD CHANDRA DOLEY ( Minister of State ) : Mr. Speaker, Sir, when the bomb burst I was present.

Shri DULAL CHANDRA BARUA : Hon'ble members who have seen the spot must have seen Quarter No.2 is damaged and not Quarter No. 1. Though the Minister has said that he was very much hurt. But this is a very serious matter and there is a vast difference between one and two. And who made the investigations ; the persons who are alleged to have been involved in this incident has investigated the case. Therefore, this Statement is completely misleading and biased.

Shri FAKHRUL ISLAM : Mr. Speaker, Sir.

Mr. SPEAKER : Let us hear Mr. Malakar, he was in Room No.3.

শ্ৰীৰবীন মালাকাৰ : চাৰ, আচলতে যিহেতু মই ৩ নম্বৰত আছো আৰু বোমা বিস্ফোৰণৰ সময়তো আছো আৰু গৃহ মন্ত্ৰী, আৰু মুখ্যমন্ত্ৰী যোৱাৰ সময়ত আৰু পুলিচৰ অনুসন্ধানৰ সময়তো আছোঁ সেই কাৰণেই মই এই বিষয়ত কেইটামান কথা কবলৈ ওলাইছোঁ। সাধাৰণতে এনে দুৰ্ঘটনা হব বুলিময়ো নাজানো, বা আন কোনেও নাজানে। কিন্তু দুৰ্ঘটনা হোৱাৰ পৰিপ্ৰেক্ষিতত এজন মানুহ ভিক্টিমাইজ হোৱাৰ পিচতো তাৰ কোনো খবৰ নললে। সেই মানুহজনৰ কিবা অসুবিধা হৈছেনেকি এইটো সোধা গৃহমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ

উচিত আছিল। কিন্তু দুখৰ কথা আৰু সুখৰো কথা যে পুলিচ বিষয়া সকলে কলে যে এই কোৱাৰ্টাৰত থকাটো আপোনাৰ কাৰণে অলপ বিপদজনক। তেতিয়া মই উপায় নাপাই একচেঞ্জতে থাকিলো। গৃহমন্ত্ৰীয়েও দেখি আছিছে। গৃহমন্ত্ৰীয়ে মোক আশ্বাস দিছিল; কিন্তু কাৰ্য্যত তেখেতে একো কৰা নাই। আপোনালোকে কথাটো অলপ মন দি শুনিব। মই এই কাৰণেই কৈছোঁ যে সেই সময়ত মোৰ পৰিবাৰৰ অলপ গা বেয়া আছিল তেওঁক চিকিৎসালয়লৈ নিব লগা হৈছিল। মোৰ এই বিপদৰ সময়ত মোৰ পৰিবাৰক অন্য ঠাইলৈ নিবলৈ গৃহমন্ত্ৰীক এখন গাড়ী দিবলৈ কোৱাত তেখেত মান্তি হৈছিল। কিন্তু তাৰ পিচত একো খবৰ নকৰিলে। মুখ্যমন্ত্ৰী নিজেই এসময়ত মোৰ ওচৰ চুবুৰীয়া আছিল। তেখেতৰ লগত ঘৰলৈ অহা যোৱা কৰাৰ এটা সম্পৰ্কও আছিল।

........(সদনত হাঁহিৰ ৰোল উঠে ........।)

কিন্তু বোমা ফুটাৰ পিচত মুখ্যমন্ত্ৰীয়ে নিজে গৈ গাতটো চালে, কিন্তু ৩ নং কোৱাৰ্টাৰত কোন থাকে তেখেতৰ কিবা অসুবিধা হৈছে নেকি একো নুসুধিলে। মোৰ চেণ্টিমেণ্ট এইটোহে মানে মই এইটোহে কব খুজিছোঁ যে মুখ্যমন্ত্ৰীয়ে গাতটোহে চালে কোৱাৰ্টাৰত থকা মানুহজনক নাচালে। এইটোৰে কি বুজিব পাৰি। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য এজনে কৈছে যে ১ নং নহয় ৩ নংতহে ডেমেজ হৈছে। মই শুনিছো যে ১-নং কোৱাৰ্টাৰৰো কিছু ক্ষতি হৈছে। এই সন্দৰ্ভত মই কব খোজোঁ যে য'ত বোমা বিস্ফোৰন হৈছিল তাৰ পৰা মোৰ শোৱনি কোঠালৈ আঠ ফুটৰ বেছি নহয়। তথাপি মই কোনো উৎকণ্ঠা প্ৰকাশ কৰা নাছিলোঁ। মোৰ কোঠাতে মই লিখা মেলা কৰি আছিলোঁ। কিন্তু ইতিমধ্যে মোৰ সমষ্টিৰ দুজন ল'ৰা অহাত মই বাহিৰৰ কোঠাত বহি কথা পাতি আছিলোঁ। তাৰ পিচত পুলিচ অনুসন্ধান কৰিবলৈ আহিল। তেওঁলোকে মোৰ পৰিবাৰ আৰু মোৰ ঘৰত থকা লৰাটোৰ বিষয়ে যিধৰনে ক্ৰুহ

কৰি প্ৰশ্ন সুধিবলৈ ধৰিলে অনুমান হল যেন তেওঁলোকক্ষাহে এৰেষ্ট কৰিব। তাৰ পিচত মোৰ সমষ্টিৰ পৰা অহা মঁৰা দুজন কত থাকে, কি কৰে আদি সুধি ব্যতিব্যস্ত কৰে।

শ্ৰীআব্দুছ চৌহান : পুলিচে সকলোকে সুধিছে।

শ্ৰীৰবীন মালাকাৰ : প্ৰশ্ন কৰাত আপত্তি থকা কৰা নাই। মই কৈছোঁ যে ইমা পুলিচৰ আবেষ্টনীৰ মাজত বোমা ফুটিল কেনেকৈ? কোনেও হাতেৰে দলিয়াইও দিয়া নাই। গতিকে কোৱাটাৰলৈ অহা যোৱা কৰা মানুহেই কৰিব লাগিব। পুলিচ অফিচাৰে জনা উচিত যে যি বিলাক মানুহে M. L. A. হোষ্টেলৰ কথা জানে তেওঁলোকে এই কাম কৰিব লাগিব। গৃহমন্ত্ৰীয়ে কৈছে যে এজন মানুহক গনেশগুৰিত এৰেষ্ট কৰা হৈছে। কিন্তু এইটো সকলোৱে জানে যে এজন মানুহক কিবা এটা কথাত এৰেষ্ট কৰি আন কিবা এটা কেচত লগাই দিয়াটো সহজ। আমি ক্ৰিমিনেল কেছ দিল কৰা মানুহ হিচাবে এই কথা জানোঁ।

এতিয়া কথা হল এজন সদস্য সি ৰবীন মালাকাৰহওক বা আন কোনোবাই হওক তেওঁ মৰক সেইটো কোনো গণ্য কৰিবলগীয়া কথা নহয়। মুখ্যমন্ত্ৰী বা গৃহমন্ত্ৰী বাচি থাকক অসমখন ভালে ৰাখিবৰ কাৰণে, যদিহে কিবা কৰি বা ভালে ৰাখিব পাৰে। আচলতে এই কথাবিলাক যেনে ধৰণে তদন্ত হব লাগিছিল তেনে ধৰণে কৰা হোৱা নাই। যি তদন্ত হৈছে তাতো সন্দেহৰ থল আছে। আমাক সুধিচাওক আমি কিছু কিছু কব পাৰিম। গতিকে মই ভাবো স্বাভাৱিকতে বাহিৰা মানুহক এৰেষ্ট নকৰি হোষ্টেলৰ ভিতৰতে কালপ্ৰিট আছেনেকি সেইটো পৰীক্ষা কৰিব লাগে। আজিলৈকে মোৰ কোৱাৰ্টাৰত কিবা অসুবিধা হৈছেনেকি বা কিবা ক্ষতি হৈছেনেকি কোনেও সোধা নাই আনকি মন্ত্ৰী বা অধ্যক্ষ মহোদয়েও সোধা নাই।

*শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ অধ্যক্ষ মহোদয়, মই এই সদনৰ সদস্য সকলৰ ৰক্ষণাবেক্ষণৰ কাৰণে গৃহ মন্ত্ৰীৰ উৎকণ্ঠা দেখি সন্তোষ পাইছো। উৎকণ্ঠা থকা স্বত্বেও অতি দুখেৰে সৈতে মই জনাব খুজিছো যে আমাৰ ইয়াত থকা মানুহৰ ওপৰত অত্যাচাৰ এতিয়াও শেষ হোৱা নাই। আজি পুৱা ৯ বজাত এচ, বি, দেৱ নামৰ পুলিচ বিষয়া এজনে ১৬ নং কোৱাৰ্টাৰলৈ গৈ যথেষ্ট অভদ্ৰ ব্যৱহাৰ কৰিছে। তাত এজন প্ৰাক্তন এম, এল, এ আছিল। সেই পুলিচ বিষয়াজনে কাজী কুটুবুদ্দিন ক'ত আছে, কলৈ গল, উলিয়াই দিয়ক বুলি চিঞৰ বাখৰ কৰে। হুলস্থুল শুনি মই তালৈ ওলাই যোৱাত বিষয়াজন লৰালৰিকৈ গুচি যায়। এনে অৱস্থাত চৰকাৰে আমাক কেনেকৈ ৰক্ষণাবেক্ষণ দিব ? যদি নোৱাৰে কৈ দিয়ক যে যেয়ে যেনেকৈ পাৰে তেনেকৈ থাকক। অধ্যক্ষ মহোদয়, মই নাম ধাম দি কৈছোঁ তেওঁ ইনটেলিজেন্সৰ মানুহ, আজি পুৱা ৯ বজাত ১৬ নং কোৱাৰ্টাৰত আহি অত্যাচাৰ আৰম্ভ কৰে। গতিকে এই বিষয়ে তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

শ্ৰীৰমণী বৰ্মণ ঃ মাননীয় অধ্যক্ষ মহোদয়, যিটো 'ইনকুৱাৰি ৰিপৰ্ট' দিয়া হৈছে তাৰ পৰা এইটোকে প্ৰতীয়মান হৈছে যে মাত্ৰ কেইজনমান-কহে গ্ৰেপ্তাৰ কৰা হৈছে।

Mr. SPEAKER : I cannot allow the Hon. Members to speak at a time. I am sorry. The Hon. Members have already expressed their views. I ask the Honourable Minister to investigate and take action if necessary. When this cannot be acceptable to the Honourable Members, as has been expressed, so it is the Honourable Minister to make proper inquiry into it and if necessary

* Speech not corrected.

he will ask member also in this connection.

( Interruptions )

* শ্ৰীবানেশ্বৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় গৃহমন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিছাৰিছো। ছয়জন মানুহক গ্ৰেপ্তাৰ কৰা হৈছে বুলি কোৱা হৈছে। কিন্তু এইটো কথা আমাৰ সকলোৰে জনা আছে যে আজি এবছৰ ধৰি সশস্ত্ৰ পুলিচ বাহিনী আৰু চোৰাংছোৱা বিভাগে বিধান সভাৰ হোষ্টেলৰ সন্মুখত দিনে ৰাতিয়ে পহৰা দি আছে। ওলাওতে সোমাওতে চহী কৰি অহা যোৱা কৰিব লাগে। এতিয়া প্ৰশ্ন হৈছে, বশিষ্ঠ, পাঞ্জাবাৰী আৰু চান্দমাৰীত এই মানুহ কেইজন কেনেকৈ সোমাবলৈ পালে সেই কথাটো কিয় উল্লেখ কৰা নহল আৰু মাজনিশা এই মানুহ কেইজন কেনেকৈ সোমাবলৈ পালে ? ইয়াত নিশ্চয় কিবা এটা গভীৰ ষৰযন্ত্ৰ থাকিব লাগিব। বিভাগীয় কাৰো-ৰাৰ সহযোগ নেথাকিলে এইটো কেতিয়াও সংঘটিত হব নোৱাৰিব।

* শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ( গৃহ মন্ত্ৰী ) : মাননীয় সদস্য শইকীয়া ডাঙৰীয়াই কোৱা কথাটো সত্য নহয়। মাননীয় সদস্য সকলৰ দৃষ্টিগোচৰ কৰিবৰ কাৰণেই মই এইটো কও যে 'টেৰৰিষ্ট এক্টিভিটিজ' ৰোধ কৰিবৰ কাৰণে বহুত ঠাইত বহুতবিলাক ব্যৱস্থা কৰা হয়। তথাপিও বহু ঠাইত এই বিলাক হৈয়েই থাকে। আপোনালোকে জানেই যে, বোমা বিস্ফোৰণ হোৱাৰ পিছত এইখিনি কৰা হৈছে। সেই সময়ত তেনেকুৱা ব্যৱস্থা কৰা হোৱা নাছিল। বিমান কোঠ বিলাকত গা বিলাক খানাতালাচ কৰা হোৱা স্বত্বেও 'হিজাক' হৈয়েই থাকে। গতিকে এতিয়া যি কেইটা ঘটনা সংঘটিত হল সেইটো বিভাগীয় কৰ্ম্মচাৰীৰ কাৰণে হোৱা নাই। বিভাগীয় কৰ্ম্মচাৰীক এইদৰে দোষাৰোপ কৰি থাকিলে প্ৰশাসনীয় ব্যৱস্থা কেনেকৈ চলিব পাৰে ? এই বিষয়ত মাননীয় অধ্যক্ষ মহোদয়েও উল্লেখ কৰিছে

* Speech not corrected.

আৰু মই:য়া মোৰ বিবৃতিত উল্লেখ কৰিছোৱেই । 'ফাইনেল ৰিপ'ৰ্ট' এতিয়াও দাখিল কৰিবলৈ বাকী । 'চি, বি, আইক' অনুসন্ধান কৰিবলৈকো ব্যৱস্থা কৰা হৈছে । সকলো 'প্ৰিকশ্বন' ব্যৱস্থা লোৱা হব আৰু অনুসন্ধান কৰি ব্যৱস্থা কটকটীয়া কৰা হব।

## ANNOUNCEMENT BY THE SPEAKER

Mr. SPEAKER : Here is an announcement. I hereby inform the House that the Hon'ble Member Shri Kul Bahadur Chetri has intimated me in writing yesterday evening that he has resigned from the Indian National Congress (I) and joined the Janata Party. The strength of the Janata Party has risen to 28.

Under Rule 313 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I nominate the following Members to constitute the Library Committee:

1. Shri Dileswar Tanti,
2. Shri Binoy Kumar Basumatari,
3. Shri Dewan Joynal Abedin,
4. Shri Madhab Rabjanshi,
5. Shri Kaliram Deka Raja,
6. Shri Nishith Ranjan Das,
7. Dr. Kosheswar Bora,
8. Shri Jagat Patgiri,
9. Shri Padma Lochan Boro.

Under Rule 198 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I hereby appoint Shri Dileswar Tanti as Chairman of the Library Committee. The Committee will function for a term of one year with effect from 24.3.81.

I hereby announce the party wise time allotted for the discussion on the No-Confidence Motion and time taken by Members yesterday for information of the hon'ble Members.

Shri Atul Chandra Goswami, mover of the motion spoke for 31 minutes against 27 minutes including right of Reply. Four members of the Indian National Congress (I) spoke for 49 minutes out of 150 minutes leaving a balance of 101 minutes which will also include the Minister's reply: Five members of the Janata Party spoke for 65 minutes out of 81 minutes leaving a balance of 16 minutes for the whole party. The Leader of the C.P.M. spoke for 19 minutes out of 33 minutes leaving a balance of 14 minutes to other members of the Party. One member of the R.C.P.I. spoke for 9 minutes out of 12 minutes leaving a balance of 3 minutes only.

I hope the remaining hon'ble members of these parties who will participate in the discussion will kindly stick to the time table and conclude their speeches within the allotted time,

Now item No. 2.

May I know from the hon'ble members whether the hon'ble members think that it will exceed 5 P. M. or will be over by 5 P. M. Please do not mind for my asking this question because I am thinking of arrangement of tea if goes beyond 5 P. M. That is why I am taking prior information.

( Voice : It will not exceed 5 P. M. )

So then the hon'ble members will try to confine themselves to the time schedule and complete the business by 5 P. M. Now Shri Promode Gogoi.

## NO-CONFIDENCE MOTION

শ্ৰীপ্ৰমোদ গগৈ : মাননীয় অধ্যক্ষ ডাঙৰীয়া, অনাস্থা প্ৰস্তাৱ উত্থাপন কৰোতে মাননীয় সদস্য অতুল গোস্বামী ডাঙৰীয়াই কৈছিল যে কমিউনিষ্ট সকলৰ মতলব বুজা টান। স্বাভাৱিকতে তেখেতৰ দৰে মাননীয় সদস্যই আবেগ অনুভূতিত যেনেকৈ অনেক সময়ত উটি যায়, কমিউনিষ্টসকলে স্বাভাৱিকতে এটা কথা বিশ্লেষণ কৰোতে যুক্তি, বাস্তৱ সত্যতা এই সকলো কথা বিচাৰ কৰি চাব লাগিব। সেইকাৰণে অৱশ্যে তেখেতে কমিউনিষ্ট সকলক চাৰ্টিফিকেট দিয়াত বেয়া পোৱা নাই। তেখেতে এইটো কথা কৈছিল অনাস্থা প্ৰস্তাৱ তেখেতে আনিছে নীতিৰ ফালৰ পৰা। তেখেতে কোনো-ৰকমে ইন্দিৰা কংগ্ৰেছৰ চৰকাৰ অসমত থাকিবলৈ দিব নিবিছাৰে। সন্দেহ হৈছে যে, সেই নীতি আচলতে হয়নে নহয়? কাৰণ ১৮, মাচৰ ষ্টেটচমেন কাগজত এটা সংবাদ ওলাইছে আৰু সেইটোত দেখা গৈছে যে, পশ্চিমবংগত জনতাপাৰ্টি আৰু কংগ্ৰেছ ( আই )

য়ে এটা যুক্ত ফ্ৰণ্ট কৰিছে। তেৰেতে আপত্তি কৰিব বুলি মই কাগজৰ প্ৰবন্ধটো পঢ়ি দিছো। ষ্টেটচমেন কাগজৰ ১৮ তাৰিখত Leaders of the Congress (I), Janata and Congress (U) of Burdwan District have agreed to set up a single candidate on behalf of the 3 parties to fight left front in the Municipal election, according to Mr. P. C. Sen, Janata leader. সেই কাৰণেই অধ্যক্ষ ডাঙৰীয়া, মই কৈছো যে, নীতিগত পাৰ্থক্য আছেনে নাই ? যি কি নহক আমি সেই কাৰণে নীতিৰ ফালৰ পৰা যাও আৰু সেই দিশৰ পৰা আমি বিবেচনা কৰি চাব লাগিব। যোৱা সময় চোৱাত অসমত বিদেশী নাগৰিকৰ বাবে যি আন্দোলন হৈছিল সেই বিষয়ত এই কথা দেখিবলৈ পাও যে, এই বিষয়টোলৈ মত পাৰ্থক্য কৰা নাই। কাৰণ বিদেশী নাগৰিকক চিনাক্ত নকৰিবলৈ কোনো ৰাজনৈতিক দলৰ পৰা কোৱা নাই। আমাৰ দেশৰ সংবিধান আৰু অন্যান্য প্ৰচলিত আইনৰ যোগেদি বিদেশী নাগৰিকক বহিষ্কাৰ কৰাত আপত্তি নাই। সেই সময়ত এনেকুৱা এটা পৰিবেশ সৃষ্টি কৰা হল যে, সেই পৰিবেশৰ উদ্দেশ্য ৰাজনৈতিক দলৰ বিৰুদ্ধে, মই সময় কম কাৰণেই আৰু বিতংকৈ কবলৈ নিবিচাৰো। যোৱা ২৩ অক্টোবৰ তাৰিখে আছু আৰু গণসংগ্ৰামে আহবান দিলে যে, সৰ্ব্বভাৰতীয় ৰাজনৈতিক দল সমূহক বৰ্জ্জন কৰিব লাগে। আৰু তেওঁলোকে কতো মিটিং কৰিব নালাগে। এইটো কথা আহ্বান কৰা হল যে যি-বিলাক দলে বা যিবিলাক সদস্যই ১৯৫১-৫২ চনক ভিত্তি হিচাবে গ্ৰহণ নকৰে তেওঁলোকক ঘেৰাও কৰিব লাগে। অৱশ্যে কিছুমান দলে লিখি দি ঘেৰাওৰ পৰা মুক্ত হল। আমি কৰা নাই। আমি এই কথা জানো যে এই সমস্যা সমাধান কৰিবলৈ যাওতে এটা নীতিৰ ওপৰত কৰিব লাগিব। আৰু যোৱা সময়ছোৱাত আমি দেখিবলৈ পাইছো যে, এই আন্দোলনক যিমানেই গান্ধীবাদী আন্দোলন, শান্তি পূৰ্ণ আন্দোলন বা গণতান্ত্ৰিক বুলি কোৱা হৈছে,

এইবিলাক কোৱা কথা। যোৱা ১২ মাহত অসমৰ কিমান ক্ষয়-ক্ষতি হৈছিল। আজি উত্তৰ কামৰূপৰ বিভিন্ন ঠাইত কামৰূপৰ বিভিন্ন ঠাইত নগাৱৰ বিভিন্ন ঠাইত চৰকাৰী হিচাব মতে হাজাৰ মানুহৰ প্ৰাণ হানি হল। এইবিলাক কোনে কৰিলে তাৰ উত্তৰ কোনে দিব ? হিংসাৰ দ্বাৰা এই আন্দোলনৰ সময়ত মানুহৰ প্ৰাণনাশ কৰা হল, মানুহৰ ঘৰ-বাৰী জুই লগাই দিয়া হল, লুণ্ঠন কৰা হ'ল। এইবিলাক কাম শান্তিপূৰ্ণ আন্দোলনৰ যোগেদি কেতিয়াও সম্ভৱ নহয়। কালি মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই কৈছে যে, এই আন্দোলনত সকলোতকৈ বেছি ক্ষতি হৈছে। এই আন্দোলনৰ সময়তে আমাৰ ৫ জন কৰ্ম্মীক হত্যা কৰা হৈছে। অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় জানে যে, নলবাৰীৰ অমূল্য পণ্ডিতক নৃশংসভাৱে হত্যা কৰা হল চকু কাঢ়ি অনা হল এতিয়ালৈকে তাৰ বিচাৰ হোৱা নাই। ইয়াৰ উপৰিও যোৱা জানুৱাৰী মাহত শিৱসাগৰৰ ৰাজনৈতিক পেন্সন পোৱা কৰ্ম্মী ভদ্ৰ কৃষ্ণ গোস্বামীক ৰাতি ১২ বজাত ঘৰৰ ভিতৰত জুই লগাই দিয়া হল। নগাৱত যোৱা জানুৱাৰী মাহৰ ১০ তাৰিখে ৰাইদঙিয়াৰ গাওঁ সভাপতি ভদ্ৰেশ্বৰ হাজৰিকাক গুলি কৰা হল। গ্ৰেপ্তাৰ কৰা হল এজন ছাত্ৰ সন্থাৰ আৰু এজন গণ সংগ্ৰাম পৰিষদৰ। নগাৱৰ হস্পিতালত চিকিৎসা কৰা নহল মাইনৰ ইনজুৰি বুলি এৰি দিলে। তাৰ পিছত গুলি অপাৰেচন কৰি উলিয়াই অনা হল কলিকতাৰ হস্পিতালত। মই মেডিকেল মন্ত্ৰীক এই বিষয়ে অৱগত কৰিছিলো। তদন্ত কৰাৰ কি ব্যৱস্থা কৰিলে বুজি ন্পালো।

অধ্যক্ষ মহোদয়, এই কথা আমি দেখিবলৈ পাইছো যে এই শক্তি বিলাকে ৰাজনৈতিক দল বিলাকৰ বিৰুদ্ধে কাম কৰিছে। তেওঁলোকে কব বিচাৰে যে, অসমত সৰ্বভাৰতীয় দলৰ কোনো স্থান নাই। অসমত কোনো সৰ্বভাৰতীয় দলৰ কোনো অস্তিত্ব থাকিব নোৱাৰে। অৱশ্যে কম সময় হোৱাৰ কাৰণে মই নকওঁ।

'অসম মিৰৰ' নামৰ আলোচনীত ওলাইছে জুলাই মাহৰ ১৯৮০ চনত গণ সংগ্ৰাম পৰিষদৰ নেতা নিবাৰণ বৰাব ইণ্টাৰভিউ প্ৰকাশ পাইছে। তেখেতে ইণ্টাৰভিউত কৈছে যে, National Parties have become irrevalent অৰ্থাত ৰাজনৈতিক দলবিলাকৰ বিৰুদ্ধে আক্ৰমণ কৰাৰ উদ্দেশ্যে এইটো কথা কোৱা হৈছে যে, অসমত এই ৰাজনৈতিক দলবিলাক, সৰ্বভাৰতীয় দলবিলাক থাকিব নালাগে।

ইয়াৰোপৰি ১৯৮০ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৪ তাৰিখে অসম ট্ৰিবিউনত এটা প্ৰবন্ধ প্ৰকাশ পাইছে ........... Assam Tribune February 24, 1980. "In quest of an Ideology". by Shri Arup Kumar Dutta.

"Certain All India political and economic ideologies have already been rejected by us because experience has taught us that such ideologies far from ending exploitation of our people or enabling us to preserve our identity have brought untold harm to our cause" ইয়াত আঞ্চলিকতাবাদৰ আইদিয়লজীৰ ভেটি প্ৰতিষ্ঠা কৰাৰ কাৰণে চেষ্টা কৰিছে।

গতিকে ইয়াৰ পৰা আমি দেখিছো এই সময়চোৱাৰ মাজত এনেকুৱা ভাবধাৰা তৈয়াৰ কৰাৰ চেষ্টা কৰা হৈছে, যিটোৰ যোগেদি সৰ্ব্বভাৰতীয় জনসাধাৰনৰ পৰা অসমৰ মানুহক পৃথক কৰি নিয়াৰ কাৰণে চেষ্টা কৰা দেখিবলৈ পাইছো। তেওঁলোকৰ এটা ধ্বনি হ'ল ইউ-এচ-এ অৰ্থাৎ ইউনাইটেড ষ্টেটচ অৱ আমেৰিকা নহয় ইউনাইটেড ষ্টেট অৱ আসাম। আজি মিজো এম-এন-এফ সকলে এই কথা স্বীকাৰ কৰিছে যে আৰাকান ট্ৰেইনিং চেণ্টাৰত অসমৰ উগ্ৰপন্থী সকলে ট্ৰেইনিং লৈছে। এই কথা

অস্বীকাৰ কৰা কাৰো পক্ষে সম্ভৱ নহয়। সেই কাৰণে গণ-তন্ত্ৰৰ কথা কোৱা হৈছে। কিন্তু ছাত্ৰসন্থা বা গণসংগ্ৰাম পৰিষদৰ মতে সকলো ৰাজনৈতিক দল গণতন্ত্ৰ বিৰোধী। মই আগৰ কথা বাদেই দিছো যোৱা ২২ মাৰ্চ তাৰিখে চ'থা দিনা মৰিগাওঁত আমি ৭টা ৰাজনৈতিক দলে মিটিং কৰিবলৈ যাওতে আন্দোলনৰ কৰ্মীসকলে গণ্ডগোল কৰিবলৈ চেষ্টা কৰিছে। গতিকে গণতন্ত্ৰত কাৰ বিশ্বাস আছে মাননীয় সদস্য সকলে এতিয়া ভাবি চাওঁক। লগে লগে এই কথাও কওঁযে যোৱা তিনি মাহত ৰাজ্য চৰকাৰৰ কাৰ্য্যকলাপ, এই অধিবেশনত ৰাজ্যপালৰ ভাষণ আৰু বিত্ত-মন্ত্ৰী মহোদয়ে যি বক্তৃতা দিছে তাত আমি কোনোৱে সন্তুষ্ট নহয়। কাৰণ অসমৰ আজি যি জ্বলন্ত সমস্যা সেই বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ কাৰণে ৰাজ্য চৰকাৰে যে কিবা উদ্যোগ লৈছে ৰাজ্যপালৰ ভাষণত তাৰ উল্লেখ নাই। যদিও আমি জানো যে এই সমস্যা সমাধানৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰহে ৰাজ্য চৰ-কাৰৰো এটা কৰ্ত্তব্য আছে। এই সুযোগ ৰাজ্য চৰকাৰে কিয় গ্ৰহণ কৰা নাই? ইয়াৰ মাজতে এই কথাও মাননীয় সদস্য সকলে কৈছে যে, এই সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত ৰাজ্য-চৰকাৰৰ যি ইচ্ছা, উদ্যোগ থাকিব লাগিছিল সেইখিনিৰ অভাব। আমি এই কেইদিনৰ ভিতৰতে বহুত দুৰ্নীতিৰ অভিযোগো আমি শুনিছো। এই কথা বিলাকৰ নিশ্চয় অনুসন্ধান হ'ব লাগিব। যদি ১০০ দিনৰ ভিতৰতে ইমান বিলাক দুনীতি হ'ব পাৰে। মই নাজানো, তেনেহলে দিন গলে আৰু বেচি হ'ব আৰু তাৰ মাত্ৰা বাঢ়িব। গতিকে আমাৰ ফালৰ পৰা ইয়াৰ অনুসন্ধান আমি দাবী কৰো। অধ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণত অসমৰ আঞ্চলিক অৰ্থনৈতিক বিকাশৰ কাৰণে কোনো ধৰণৰ পৰ্য্যালো-চনা কৰা হোৱা নাই। ইতিমধ্যে এই সদনত তেলৰ ৰয়েলটি সম্পৰ্কে আলোচনা কৰিছে। আমাৰ ৰাজ্যৰ অৰ্থনৈতিক বিকাশৰ কাৰণে ৰাজ্য চৰকাৰে যি খিনি উদ্যোগ লোৱা দৰ্কাৰ সেই

উদ্যোগৰ কথা ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। সেই কাৰণে এই কথা কৈছো যে এতিয়াও আমাৰ গণতান্ত্ৰিক অধিকাৰৰ পূৰ্ণ প্ৰতিষ্ঠা হোৱা নাই। এতিয়াও বিভিন্ন ঠাইত প্ৰতিক্ৰীয়াশীল শক্তি সমূহে গা কৰি আছে যিবোৰক ৰাজ্যচৰকাৰে কঠোৰ হাতেৰে দমন কৰাতো আমি দাবী কৰো। মই পুনৰ এটা কথা কব বিছাৰিছো যে আন্দোলনৰ সুযোগ লৈ এই শক্তি সমূহে যি বিশৃঙখলতাৰ সৃষ্টি কৰিছে সেই বিনাকৰ বিৰুদ্ধে চৰকাৰে কঠোৰ ব্যৱস্থা লব লাগে। এই চৰকাৰৰ কাম কাজ সম্পৰ্কে মই নিজে মন্তব্য দিয়াৰ আগতে যোৱা ১৯ মাৰ্চ তাৰিখে দিল্লীৰ পৰা প্ৰকাশিত এটা সম্পাদকীয়ত ওলাইছে-কাগজখনৰ নাম হৈছে পেট্ৰিয়ট -এই কাগজখনে ইন্দিৰা গান্ধীক সমৰ্থনো কৰে। মই গোটেইখিনি নপঢ়ো "Assam Chief Minister Anwara Taimur must hold herself responsible for frittering away the support available to her from the opposition, specially the left parties. Instead of establishing a constructive and fruitful relationship with these parties, Mrs. Taimur, like some other Chief Ministers who lose all sense of proportion on ascending the gaddi with the Centre's blessings, formed a coterie of 'advisers' including her close relatives, for running the affairs of the State. Also, instead of expanding the Government's support base by utilising the opportunity created by the ebb in the agitation on the foreign nationals issue, Mrs. Taimur continued to act in a sectarian manner. This alienated not only those opposition parties which had taken a categorical stand against communal and chauvinist elements in the Assam agitation, but also gave rise to discontent and dissatisfaction within the ruling party." माननीया মুখ্যমন্ত্ৰী মহোদয়ে পঢ়িছে নে নাই

নাজানো। এইটো সম্পাদকীয়ৰ কথা। আমি মন্তব্য নকৰো বাৰু কিন্তু এইটো অৱস্থা স্বাভাবিকতে যদি এখন ৰাজ্যৰ গণতান্ত্ৰিক ব্যৱস্থাত হব পাৰে, কথাটো সত্য হয় নে নহয় নাজানো-কিন্তু কোনো কোটাৰীয়ে এখন ৰাজ্য শাসন কৰা ঠিক নহয়। এইটো যদি সচা হয় তেনেহলে এইটো নিতান্তই দুখৰ কথা।

অধ্যক্ষ মহোদয়, মোৰ সময় কম কিন্তু মই মাননীয় সদস্য সকলক নিবেদন জনাইছো চমৎকাৰ থাকিব পাৰে বা যাবও পাৰে কিন্তু অসমৰ জলন্ত সমস্যা সমাধানৰ কাৰণে আমি সকলোৱে চেষ্টা কৰিব লাগিব। আৰু সেইকাৰণে আমি ৭ টা ৰাজনৈতিক দলে ১৯৮০ চনৰ ২১ জুন তাৰিখেই যিটো বিবৃতি দিছিলো তাৰ এটা অংশ পঢ়ি দিওঁ— অসমৰ আন্দোলনৰ মিত্ৰ বুলি পৰিচয় দিব বিছৰা আৰ এচ এচ আৰু অন্যান্য সাম্প্ৰদায়িক শক্তিবোৰ সাম্প্ৰদায়ীক সংঘৰ্ষ সংঘটিত কৰাত ব্যস্ত হৈ পৰিছে। সেইবিলাকে হিন্দু আৰু মুছলমানৰ মাজত বিভাজন আনিবলৈ উঠিপৰি লাগিছে। এনে কাৰ্য্যই নিশ্চিত ভাবেই অসমীয়া ভাষা আৰু সংস্কৃতিৰ উন্নতি আৰু বিকাশৰ স্বাৰ্থৰেই পৰিপন্থী। সেয়ে নিজৰ ন্যস্তস্বাৰ্থ পূৰণ কৰাৰ বাবে আমাৰ জনসাধাৰনক ভাগ ভাগ কৰিবলৈ চেষ্টা কৰি থকা এই শক্তিবোৰৰ বিৰুদ্ধে সতৰ্ক থাকিবলৈ আৰু অসমীয়া লোকৰ স্বাৰ্থতে ভাষিক, ধৰ্মীয় আৰু জাতিগত সংখ্যালঘু সকলৰ অধিকাৰ আৰু আকাংখা যাতে ৰক্ষা পৰে আৰু যাতে জনজাতীয় লোকসকলৰ অস্থিত্ব, ভাষা আৰু আৰ্থিক স্বাৰ্থ সুৰক্ষিত হয় তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ ৰাজনৈতিক দল কেইটাই জনসাধাৰনৰ প্ৰতি আহ্বান জনাইছে।

মই সেইকাৰনে সকলো মাননীয় সদস্যকে অসমৰ শান্তি, সম্প্ৰীতি ৰক্ষা কৰি বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰিবলৈ আগবাঢ়ি আহিবলৈ আবেদন জনালো।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ : মাননীয় অধ্যক্ষ মহোদয়, বৰ্ত্তমান এই চৰকাৰৰ বিৰুদ্ধে আমি অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছো। এই প্ৰস্তাৱ উত্থাপন কৰিবলৈ যাওঁতে যিসকল সদস্যই এই চৰকাৰৰ বিৰুদ্ধে অকৰ্ম্মন্যতা, অপদাৰ্থতা আদি নানা উদাহৰণ দাঙি ধৰিছে, সেই উদাহৰণ মই আকৌ দোহাৰিব খোজা নাই। সেই সকল সদস্যৰ লগত একমত হৈ এটা কথাই মাত্ৰ দাঙি ধৰিব খুজিছো, আৰু সেই কথাটোৰ ওপৰতেই মই বেছি গুৰুত্ব আৰোপ কৰিব খুজিছো। মই এটা কথাই উল্লেখ কৰিম যিটো কথা সকলো সদস্যই সম্পূৰ্ণ অৱগত। আনহাতে তেওঁলোকে উল্লেখ কৰা কথা বিলাক মই দোহাৰিব খোজা নাই। চৰকাৰ পক্ষৰ পৰা কোৱা হৈছে যে এই চৰকাৰ প্ৰতিষ্ঠিত হোৱা মাত্ৰ ১০০ দিন হৈছে। তাৰ এই ১০০ দিন এখন চৰকাৰৰ গুণাগুণ বিচাৰৰ কাৰণে যথেষ্ঠ সময় নহয়। কিন্তু আমাৰ এটা নীতি বচন আছে "যি মূলা বাঢ়ে, তাৰ দুপাততে চিন"। ১০০ দিনৰ ভিতৰত এই চৰকাৰে যি কাম কৰিছে, সেই কামৰ তালিকা দীঘলীয়া তালিকা নহবওঁ পাৰে। কিন্তু এই ১০০ দিনত, কি কাম, কি ধৰণে কৰিছে, এই কথা ভালকৈ পৰ্য্যালোচনা যদি কৰা যায়, দেখিবলৈ পাওঁ ১০০ দিনৰ ভিতৰত যি কাম কৰিলে, সেই নীতি বচনলৈ চাই ১০০ বছৰ হলেও এই চৰকাৰৰ দিনত সেই মূলা আৰু নহব। মাননীয় সদস্য সকল অৱগত আছে যে এই চৰকাৰ গঠন হোৱাৰ সময়ত ঘোষণা কৰিছিল যে কেৱল সাংবিধানিক অসুবিধা দূৰ কৰিবৰ কাৰনেই এই চৰকাৰ প্ৰতিষ্ঠিত হোৱা নাই, বৰ্ত্তমান ৰাজ্যত দেখা দিয়া যি জলন্ত সমস্যা; সেই সমস্যা সমাধানৰ দায়িত্বও লব। আজি বিদেশী বহিস্কাৰৰ পৰিপ্ৰেক্ষিতত ২ বছৰ ধৰি গোটেই ৰাজ্যখনত যি আন্দোলন চলিছে, সেই আন্দোলনে আবেগিক, সাংস্কৃতিক পাৰস্পৰিক বুজাপৰাৰ যি ভাব সেই ভাব ভাঙি চিঙি চুৰমাৰ কৰি পেলাইছে। ঐক্য সংহতিৰ সেই ভেটি সুদৃঢ় কৰা এই চৰকাৰৰ কাম হয় নে নহয় ? এই চৰকাৰে সেই দায়ীত্ব মূৰ পাতি লব লাগিছিল। কিন্তু চৰকাৰ গাদীত বহি ঘোষণা কৰা

আৰম্ভ কৰিলে যে আন্দোলন আৰু নাই। আন্দোলন শেষ হ'ল। আন্দোলন আৰু কৰিব নোৱাৰে। আনকি যি কেন্দ্ৰীয় চৰকাৰে আলোচনাৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰিছিল; সেই কেন্দ্ৰীয় চৰকাৰকো কৈ দিয়া হ'ল - আলোচনাৰ আৰু প্ৰয়োজন নাই। মাননীয় সদস্য সকলে কৈ গৈছে যে আমি সাতোটা ৰাজনৈতিক দলে পূৰ্বচৰ্ত্ত নোহোৱাকৈ আলোচনাত বহিবলৈ আন্দোলনকাৰী সকলক আগবাঢ়ি আহিবলৈ আহ্বান জনাইছিলো। সেই কাৰণেই হওক বা অন্য কাৰণেই হওক, আন্দোলনকাৰী সকল পূৰ্ব্বচৰ্ত্ত নোহোৱাকৈ আলোচনাত বহিবলৈ মান্তি হল। আমি ভাবিছিলো, সেই সুযোগ আমাৰ ৰাজ্য চৰকাৰে লব আৰু কেন্দ্ৰীয় চৰকাৰকো হেঁচা দিব— যাতে আলোচনাত বহে। কিন্তু আচৰিত কথা— ৰাজ্য চৰকাৰে সেই সুযোগ গ্ৰহণ নকৰি আলোচনাৰ কোনো প্ৰয়োজন নাই বুলিহে কেন্দ্ৰীয় চৰকাৰক জনালে। ইয়াৰ ফলস্বৰূপে কেন্দ্ৰীয় চৰকাৰে আলোচনা কৰাৰ কাৰণে কোনো ব্যৱস্থা গ্ৰহণ কৰা দেখা নগল। ফলত কি হৈছে? চৰকাৰ থাকিব বা যাব। কিন্তু, আমাৰ ৰাজ্যত বিভিন্ন শ্ৰেণী গোষ্ঠীৰ যি সকল লোক ইয়াত বসবাস কৰি আছে, সেই সকলৰ মাজত ঐক্য, সংহতিৰ পৰম্পৰা যি দৰে বিঘ্নিত হৈছে, সেই পৰম্পৰা নিৰ্ব্বিঘ্ন কৰাত নিৰাশজনক ভাৱে এই চৰকাৰ ব্যৰ্থ হৈছে। আজি সেই পৰম্পৰা, সেই বুজা পৰা, সেই আবেগ ভাঙি চুৰমাৰ হৈ যোৱাৰ উপক্ৰম হৈছে। তাৰ শীঘ্ৰ সমাধানৰ কিবা লক্ষণ দেখিছে নে? এই মন্ত্ৰীসভাৰ ১০০ দিনৰ ভিতৰত অসমৰ ঐক্য সংহতি অটুট ৰক্ষাৰ কাৰণে চৰকাৰে কোনো চেষ্টা কৰা নাই। এই দিন কেইটাৰ ভিতৰত কিবা চেষ্টা কৰাহেতেন আমি নিশ্চয় তাৰ উমান পালোঁহেতেন। আচৰিত কথা যে এই চৰকাৰে নিজেটো নকৰিলেই, আনকি কেন্দ্ৰীয় চৰকাৰো যাতে আগবাঢ়ি নাহে তাৰহে ব্যৱস্থা কৰিছে। তাৰ প্ৰমাণ আন্দোলনকাৰী সকলে বিনা চৰ্ত্তই আলোচনাত বহিবলৈ আগ্ৰহ প্ৰকাশ কৰা স্বত্তেও

কেন্দ্ৰীয় চৰকাৰে যাতে আগবাঢ়ি নাহে-সেই চেষ্টাহে চৰকাৰৰ পক্ষে অহৰহ চলি আছে। সেই কাৰণে আমাৰ দৃঢ় বিশ্বাস এই নেতৃত্বই আমাৰ পৰম্পৰা, ভাষা সংস্কৃতি, ধৰ্ম্মনিৰপেক্ষতা, ঐক্য সংহতি আৰু বিভিন্ন শ্ৰেণীৰ মাজত সম্প্ৰীতি কেতিয়াও ৰক্ষা কৰিব নোৱাৰে। বা কৰাও দৰকাৰ বুলি চৰকাৰে বিবেচনা নকৰে। এইখন ৰাজ্যৰ মানুহৰ মাজত বিভিন্ন ভাষা, গোষ্ঠী, বিভিন্ন ধৰ্ম্মৰে যি মিলাপ্ৰীতি আমি অত দিনে দেখি আহিছো, ইতিহাসত ই বৰ বিৰল। বৰ্ত্তমানৰ আন্দোলনৰ পটভূমিত সেই সকলো ভাঙি চুৰমাৰ হৈ যোৱাৰ যি উপক্ৰম হৈছে, তাক ৰক্ষা কৰিবৰ কাৰণে চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। বৰঞ্চ, কেন্দ্ৰীয় চৰকাৰ আগবাঢ়ি অহাতো, ৰাজ্য চৰকাৰ তাত হেঙাৰ স্বৰূপ হৈছে। গতিকে এই চৰকাৰ শাসনত থাকিলে অসমৰ ৰাইজৰ কোনো কল্যাণ হব নোৱাৰে। তাৰ কাৰণেই এই অনাস্থা প্ৰস্তাৱ।

* শ্ৰীৰমেশ মোহন কুলি ঃ অধ্যক্ষ মহোদয়, বৰ্ত্তমান চৰকাৰৰ ওপৰত যিটো অনাস্থা প্ৰস্তাৱ এই বিধান সভাত অনা হৈছে, সেই অনাস্থা প্ৰস্তাৱত সমৰ্থন জনাই মই কব খুজিছো যে, বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকলাপ দেখি এই চৰকাৰৰ মন্ত্ৰীসভা এক মুহূৰ্ত্তও থাকিব নালাগে। যোৱা দুবছৰ ধৰি এই বিদেশী নাগৰিকৰ সমস্যা সন্দৰ্ভত কেইখন মন্ত্ৰীসভা ভঙা হ'ল। এই আন্দোলন আৰম্ভ হৈছিল বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ কাৰণে, সেই সমস্যা সমাধানৰ কাৰণেই, অধ্যক্ষ মহোদয়, বিভিন্ন দিশত আন্দোলন বিলাক গঢ়ি উঠিছিল।

( At This Stage Hon'ble Speaker has vacated the Chair and Mr. Deputy Speaker occupied the Chair )

আৰু আন্দোলনৰ পৰিপ্ৰেক্ষিতত সৰ্বভাৰতীয় যি বিলাক

* Speech not corrected.

ৰাজনৈতিক দল, এই ৰাজনৈতিক দল সমূহক ইৰিভেলেণ্ট বুলি চৰকাৰৰ পতন ঘটাই ৰাষ্ট্ৰপতিৰ শাসন দিব লগীয়া হল। আৰু ৰাষ্ট্ৰপতি শাসনৰ সময়ত গোটেই অসমখন এখন মৰিশালিত পৰিণত হল। মৰিশালি এই কাৰণেই হোৱা বুলি কৈছো যে সেই সময়ত স্কুল কলেজবোৰ বন্ধ হৈ গল, বিধান সভাৰ সদস্য সকলক যেৰাও কৰি থাকিবলগীয়া হল। এনেকুৱা অৱস্থাত ৰাজনৈতিক দল সমূহে বিভিন্ন প্ৰকাৰে ৰাইজক বুজোৱা বঢ়োৱা কৰিবলগীয়া হল। আমাৰ ৭ টা ৰাজনৈতিক দলৰ ফালৰ পৰা ঠায়ে ঠায়ে এই দল সমূহ আৰু অন্যান্য ৰাজনৈতিক দলে সমূহৰ লগ লাগি এই আন্দোলনৰ যি উদ্দেশ্য সেই উদ্দেশ্য যাতে কেন্দ্ৰীয় চৰকাৰে মানি লয় আৰু যাতে আমাৰ দাবী মানি লৈ আলোচনাৰ যোগেদি বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰে তাৰ কাৰণে চেষ্টা কৰিছিলো। কিন্তু আজি গণতন্ত্ৰ বিপন্ন হোৱাৰ অৱস্থা হৈছে। এইটো ঘূৰাই আনিব লাগিব। আমি কৈছিলো বিনাচৰ্ত্তে আন্দোলনকাৰী সকলে আলোচনা কৰিব লাগিব। আৰু সেই কথা তেওলোকে মানি ললে। আৰু সেই অনুপাতে দিল্লীত অসমৰ নেতা সকলৰ লগত আলোচনা হৈছিল তাত ময়ো অংশ গ্ৰহণ কৰিছিলো। তাত কেন্দ্ৰীয় চৰকাৰৰ গৃহমন্ত্ৰীয়ে সুধিছিল যে অসমত এখন চৰকাৰ হব পাৰেনে নোৱাৰে? আমি কৈছিলো যে এখন চৰকাৰ অসমত হব পাৰে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিচতেই অসমত বিদেশী নাগৰিকৰ সমস্যাটোৱে যি জলন্ত ৰূপ ধাৰণ কৰিলে সেই সমস্যা সমাধানৰ কাৰণেই এটা চৰকাৰ লাগে। সেই অনুপাতে ইয়াত যি চৰকাৰ গঠন হল আৰু যি ধৰণে গঠন হৈছে সেইটোত আমি দেখিবলৈ পাইছো যে, প্ৰথমতে চৰকাৰ গঠন কৰোতে গণতন্ত্ৰৰ যি পৰম্পৰা অনুধাৱন কৰিব লাগে সেইমতে পৰম্পৰা অনুধাৱন কৰি চৰকাৰ গঠণ নকৰিলে। তেখেতসকলে চৰকাৰ গঠণ কৰিয়েই কলে যে বিদেশী নাগৰিকৰ সমস্যা সমাধান কৰাতোৱেই তেওলোকৰ প্ৰথম কাম। তেওলোকে কলে যে কেন্দ্ৰীয় চৰকাৰ আৰু আন্দোলনকাৰী

সকলৰ লগত আলোচনাৰ মাধ্যমেৰে সমস্যা সমাধান কৰিব লাগিব। আমি মুখ্যমন্ত্ৰীক কৈছিলো যে তেখেতে নেতা সকলৰ লগত আলোচনা কৰিব লাগে। এই সম্পৰ্কত দুবাৰো মাতিছিল। মাননীয় সদস্য শ্ৰীশইকীয়া, চি, পি, এম, আৰু চি, পি, আইৰ সদস্যও তাত আছিল। তাৰ পিচত এই সমস্যা সমাধানৰ বাবে আমি আলোচনা কৰিব লাগে বুলি যেতিয়াই কৈছিলো তেতিয়াই মুখ্যমন্ত্ৰীয়ে কৈছিল যে আলোচনা কৰিলেও ছাত্ৰ সকলে নেমানে তেওঁলোকে ১৯৫১-৫২ বছৰকেই ভিত্তি বছৰ হিচাবে ধৰি আছে। মুখ্যমন্ত্ৰীয়ে নেমানে নেমানে বুলিয়েই উঠি গৈছিল। এতিয়া এনেকুৱা অৱস্থা হৈছে যে তেখেতসকল পুলিচ মিলিটেৰীৰ মাজেদি যি ধৰণে আগবাঢ়িছে তাৰ ফলত যি জুই উমি উমি জলি আছে সেই জুই নুমুৱাটোৱেই তেওলোকৰ প্ৰথম কাম। আজি যি ধৰণেৰে চলি আহিছে, যদি এই ধৰণেই চলি থাকিবলগীয়া হয় তেতিয়াহলে এদিন আলোচনাৰ পথ বন্ধ হৈ যোৱাৰ সম্ভাৱনা আছে। এই চৰকাৰে আজি আলোচনা যে কৰাই নাই আনকি আলোচনাৰ পথো বন্ধহে কৰিছে। আজি যিটো অৱস্থাত চৰকাৰ চলাইছে আনকি জৰুৰী অৱস্থাৰ সময়তো এনেকুৱা অৱস্থা নাছিল। এইবিলাক কাৰণতে কৰ্তন প্ৰস্তাৱ আমি সমৰ্থন কৰিবলগীয়া হৈছে। এই চৰকাৰে নীতিগত ভাৱে নিজেই নিজৰ ৰাস্তা লব লাগে।

মোৰ দ্বিতীয় কথা হৈছে জনজাতীয় ৰাইজৰ প্ৰতিকূলে যি বিলাক কাম কৰিছে সেইবিলাক চাবলগীয়া। ১৯৮০ চনৰ ১ জানুৱাৰীৰ পৰা গোটেই অসমতে বেদখলকাৰী সকলক উচ্ছেদ কৰাৰ কথা কৈছিল, সেই উচ্ছেদ যে নহলেই আনকি উচ্ছেদ কৰাটোও বন্ধহে কৰিলে। জনজাতীয় যি বিলাক বেল্ট আৰু বুকত বেদখলকাৰী আছিল সেইবিলাকক উচ্ছেদ কৰাটো বন্ধ কৰি ৰাখিছে। আজি জনজাতীয় ৰাইজে স্বীকাৰ কৰিছে যে এই চৰকাৰ থাকিলে অকল জনজাতীয়ই নহয় গোটেই অসমৰেই

অস্তিত্ব বিপন্ন হব। অন্যান্য যিবিলাক কাৰ্য্যকলাপ কৰিছে সেইবিলাক দেখিলেও আচৰিত হব লাগে। এই চৰকাৰে ধেমাজী মহকুমা পৰিষদখন ভংগ কৰি দিছে। তাত যিজন চীফ এডমিনিষ্ট্ৰেটৰ দিছে তেখেতে এম, ডি, এচিষ্টেণ্ট বিলাকক বিভিন্ন ঠাইলৈ ট্ৰেন্সফাৰ কৰি আছে। তাত তেখেতে জৰুৰী অৱস্থাৰ সময়ৰ নিচিনাকৈ কাম কৰি আছে। কিন্তু আমি এই ধৰণৰ কাম সদায় চলি থাকিবলৈ দিব নোৱাৰো। গতিকে সদনত যিটো অনাস্থা প্ৰস্তাৱ আহিছে সেই অনাস্থা প্ৰস্তাৱৰ মই সমৰ্থন কৰি এইখিনি কথা কলো।

Mr. DEPUTY SPEAKER : Mr. Joynal Abedin, You have got 6 minutes time.

Shri JOYNAL ABEDIN : I would like to have three minutes more.

Mr. DEPUTY SPEAKER : I do not have any extra time at my dispcsal.

* Shri JOYNAL ABEDIN : Mr. Deputy Speaker, Sir, this August House is sitting after $1\frac{1}{2}$ years and during this $1\frac{1}{2}$ years many things have happened in the State of Assam while circumstances have so happened in this beloved State of ours that it appears to me that as if several decades have passed between our last Session and this Session. Sir, we all know how during this period, the State of Assam, the people of Assam have passed through one of the most critical and one of the greatest crisis in the life of the people of this State.

* Speech not corrected.

Hon.members have explained what sort of things have happened in this State. We know that thousands of people have lost their lives, houses have been burnt and damages in terms of loss of human lives, wealth etc. cannot be measured. Above all which is most noteworthy is that during this period, we the traditionaly peace loving people of Assam belonging to different communities, linguistic and ethnic groups, have lost substantially. The bondage of universal love and brotherhood which were traditionaly existing among the people of this State is disturbed. I do not know when this loss can be repaired. When this can be restored. Mr. Deputy Speaker Sir, now this Govt. is facing a No-Confidence Motion and on our part we would like to say that we can never stand in support of this Govt. because it is a Govt. of defectors, it is a Govt. of minority side. Along with this there are other reasons for which we have no reason to support this bourgeois Govt. Mr. Deputy Speaker Sir, we need a Govt. at this critical hour of our social life-but we need a Govt. to solve the burning problems that are faced by the people of Assam. This Govt. which is claiming to have solved the problems of Assam has done nothing to this effect. I would like to know from the Hon. Ministers what they have done towards solution of this problem which the people are facing. Today also they have claimed that normalcy has been restored. But how ? Even the life and property of the Honourable Members of this August House are not secured. How

can the Govt. claim that the normalcy has been restored ? Nothing has been done towards solution of the problem. Not only that this Govt. in the name of fighting communalism, parochialism they are initiating counter communalism and counter parochialism. Mr. Deputy Speaker Sir, we have hoped that at the first instance they will solve the problem of foreign nationals for which the different communities have become restless. But what they have done ? We have hoped that when the leaders of the movement have agreed to sit in an unconditional talk the Govt. at the first instance would come forward for a discussion for bringing about a permanant solution, a solution satisfactory to all concerned. But this Govt. have not yet done anything, nor we see any desire in them in this respect. How can we believe and rely on this Govt. that they will bring about a solution to this problem ? They have taken recourse to some cunning tactics. They are trying to win over some minority communities in the name of religion, in the name of languages etc. In the name of fighting communalism what they are doing ? It may pay immediate divident no doubt, but it will do enormous harm to the social and cultural life of the people of Assam. Mr. Deputy Speaker Sir, I would like to reiterate-I do not know whether the Govt. will be defeated or not, but if they continue, they must change their policy and try to restore the emotional and cultural integration of the people of the State, and for that they must do

first thing first. Now Sir, we want that good policies should not be opposed as the Opposition should be democratic and secular. Unfortunately, here we see that side by side with the democratic and secular opposition there is another democratic opposition which is not secular, which is again communal.

( Voices: Please say who is communal )

I have my rights to say Mr. Deputy Speaker. When we feel that this Govt. should be opposed we oppose. But Opposition should be democratic and secular. At one stage we felt that an elected and democratic forum should be found out and for that 7 parties of Assam from Tinsukia to Dhubri unitedly stood by the side of the people of Assam to make them understand the common cause. Assamese people are Assamese people and nobody is going to be minority in the State. People are always majority when we are united, and unitedly we must fight against the oppressors. Now Sir, the ruling bourgeois party are playing this trick of dividing the people in the name of caste, community, religion and language and to that extent they are successful. Mr. Deputy Speaker Sir, the parties which have brought the No-Confidence Motion are known to be parties having bourgeois inclinations........

Mr. DEPUTY SPEAKER : Order, order, it is 12.30 now. The House stands adjourned till 2.30 P. M. to-day.

( After lunch )

*Shri JOYNAL ABEDIN : Sir, I might be allowed to conclude. While I was speaking I tried to show why this Government should go, and we think that sooner this Government goes the better it is for the people of the State. But the Government think that the Government should be opposed from a secular and democratic point of view. But at the moment we see that the Opposition with which we can dislodge the Government, this democratic Government is not secular. So we feel that a democratic Government should come into power. A democratic Government alone can successfully solve not only the problem of the foreign nationals which is the burning problem of the State to-day, but also other problems of lives of the people of the State. As such, at the eventuality, a democratic Government has not yet emerged, so we cannot from our side support an alternative Government by forces which are also of bourgeois character which have tested power in their terms. So, in such circumstances, we would like to say that this Government should go. But as there is no suitable democratic and suitable alternative, we abstain from taking part in this No-Confidence Motion. Thank you.

Mr. SPEAKER : Hon. member Mr. Hazarika.

*Shri JOGENDRA NATH HAZARIKA : Sir, I thank

*Speech not corrected.

you very much for giving me this chance, because, this is my maiden speech as a private member of this House. I am very much pained to observe and say something to-day in a critical juncture of the State. It is a critical juncture, because, after one year of President's Rule a Government has been established in the State which is a nominated Government, whose majority has not been proved under the Constitution. It is functioning as a caretaker Government, as an adhoc Government. Therefore, I am not surprised, if no policy matter has been enected or a stand has not been taken to solve the very irritated problem of the foreign nationals. I know that this cannot be done by our Government. She knows that she has not established her majority as yet because, she knows that her support is still in doubt.

Before I say something about the main national issue or the burning issue of the State, I want to cite only a few cases which this Government has taken during the last 100 days of its establishment. Sir, everybody knows that the Government has curtailed the fundamental rights of the people by the imposition of the censorship on certain newspapers. You know Sir, this Government has promulgated the Assam Special Powers Act of 1960. They have directed the Printers and Editors of Assam Tribune and the Dainik Asom to submit the materials before publication, and thereby they have curtailed the right of the

Press. ( Some members : it is sub-judice ). It may be that this matter is sub-judice, it is outside the House, the members may say anything, but these are the steps this Govt. took during its 100 days of sitting.

Shri GOLAK CHANDRA RAJBANSHI ( Minister, Health) : Sir, we want your rulling whether he can discuss this in the House.

* Shri JOGENDRA NATH HAZARIKA : These are the actions taken by the Government. Sir, not only that, they have extended its terms of enforcement by another two months, and they have extended it to other papers, namely, the 'Janambhumi', and as far as I remember, the 'Agradut'. Sir, you know that this censorship is a restriction on the Press. It infringes the right of the Press under Article 19 of the Constitution. The Supreme Court in 1959 held, in such a case that it infringed the fundamental rights. In 1950 in a case in Delhi State Government ordered the Printers, Publishers and the Editors of a paper known as 'Organiser' to submit the materials before the Government for approval before publication. The news were about Pakistan, and this was restricted. The news came from other sources than news agencies. Then it was censured. The parties concerned had gone to the Supreme Court. The High Court held that the restriction was with regard to the matters coming from the private agencies than the Government

* Speech not corrected.

agencies. Therefore, Sir, it is a censorship under Article 19 of the Constitution of India. Therefore Sir, this pre-censorship has restricted the fundamental rights of the people. Here, what they do;-they ask the Editors to bring copies of the papers. Whichever paras they donot like they put a rubber stamp 'not to be published.' Therefore, when the Government say 'we bring the papers only for scrutiny, it is not so actually. It is a precensorship and it is a restriction on the freedom of the Press. Therefore, Sir, this is an action which cannot be approved of by this House.

Secondly, Sir. this Government cannot make policies because it has got some inherant difficulties. Sir, before the Governor addressed the House the majority of the ruling party ought to have been proved but this has not been done. She says foreign national issue is a national issue and it is not the business of the State Government to bother so much. Sir, foreign national issue, as you also know is a national issue but at the same time it is also an issue which the Government of Assam cannot allow to be sidetracked. That means, Sir, the identification of foreigners, if there be any, is the business and responsibility of the Government and they have not been able to do anything about it.

Now, Sir, after having the identification done and from whatever date it is decided upon it will be a political decision. If they decide that, well, people who came after 1961 they

should be retained and those who came later on should be sent away somewhere then that is a political decision. Therefore, Sir, the Assam Government is equally responsible for the solution of the foreign nationals' issue. This the Government has not taken up.

Therefore, Sir, I am sure that this Government has no intention to solve any problem —neither it has got the capacity nor it is sure of staying any longer. As far as I understand, the party is cracking and it is difficult because it knows the majority of the House has not yet assured her and she could not and cannot do anything because people in general are not happy, not satisfied because she has not taken active steps to solve the foreign nationals' issue. This is such an important issue in which thousands and thousands of people have become victims of the situation. Some of them belong to the minorities, some of them belong to the majorities, some of them Hindus, some of them Muslims, some of them are Bengalees, some of them are Assamese irrespective of religion, caste or creed, so far as this is concerned. There may be foreigners also who knows! Therefore, Sir, this issue is a very vital issue and the Government has failed to show any encouragement either to the movement leaders or to the Government of India or has arranged anything required for the solution of the problem. I am distressed that this Government has no decision to-day. Sir, I offer my thanks to the

leader of the Congress ( I ) leader because her party in the past supported the Government headed by me but inspite of that I am unable to do that because of the omissions and commissions.

Sir, although we are not in the Government, many of our party members have gone to Delhi and met the leaders including the Opposition leaders and Government leaders both at the Centre as well as in the State to find out a solution and after having known all these things the Government should have come by this time with a particular proposal for the solution of this vital problem. As far as I understand the problem is coming nearer for a solution. The Government of India so far wants to take away the people who have come across to Assam after 1971. If the students do not object to the keeping of the people who have come between 1951 and 1961 then the difference is disappearing gradually remaining only in case of the people who have come in Assam within 1961-1971. But the leader of the Ruling Congress now should have taken advantage of this position and give a specific proposal for consideration of this House. Therefore, Sir, I am convinced that this Government does not have the intention or capacity to deliver goods. It is in the interest of the people and in order to save her position and also to save the House from confusion my advice to her is that she should tender her

resignation as quickly as possible.

Thank you, Sir.

শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি ভৈয়াম জনজাতি পৰিষদৰ তৰফৰ পৰা এই চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাব আনিছিলো। আমি আনিছিলো প্ৰধানত এইবোৰ কাৰণত যে, এই চৰকাৰে যেতিয়া শপত গ্ৰহণ কৰে আৰু অধিষ্ঠিত হয়, ইয়াৰ পিচতেই মুখ্যমন্ত্ৰী মহোদয়াই এটা বিবৃতি দিছিল। সেই বিবৃতি বিদেশী নাগৰিক বহিস্কৰণ আন্দোলন সম্পৰ্কে বিবৃতি। এই বিবৃতিত মুখ্যমন্ত্ৰী মহোদয়াই কৈছিল যে এই সমস্যা সমাধানৰ প্ৰাথমিক দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ যিহেতুকে এই সমস্যা ৰাষ্ট্ৰীয় সমস্যা।

মাননীয় অধ্যক্ষ মহোদয়, বিদেশী নাগৰিকৰ সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হয়। কিন্তু এই সমস্যাই আমাৰ ৰাজ্য অসমত প্ৰচন্দভাবে আমাক আক্ৰমণ কৰিছে বা জৰিত কৰিছে। সেই কাৰণেই আমাৰ ৰাজ্যিক চৰকাৰৰ, অসমৰ চৰকাৰৰ, এই বিষয়ত জনগণৰ প্ৰতিনিধি হিচাবে, ৰাজ্যৰ নিৰাপত্তাৰ দায়িত্বত অধিষ্ঠিত হিচাবে প্ৰাথমিক দায়িত্ব আছে। আমি ভাবো যি সংবিধানক সন্মুখত লৈ কাম কৰি আছো, সেই সংবিধানৰ তলত ৰাজ্যিক চৰকাৰে কাৰ্য্যকৰী ভূমিকা গ্ৰহণ কৰাৰ সুস্পষ্ট স্থল আছে। তেনেকুৱা ক্ষেত্ৰতো ৰাজ্যিক চৰকাৰে এই বিষয়ত সুস্পষ্ট মত দাঙি নধৰি কেন্দ্ৰৰ ওপৰত জাপি দি প্ৰাথমিক দায়িত্বৰ পৰা নিজকে এৰাই চলিবলৈ বিচাৰিছে। সেই কাৰণেই আমি ভাবিছিলো, হয় এই চৰকাৰে প্ৰাথমিক দায়িত্ব লব নিবিচাৰে নহলে প্ৰাথমিক দায়িত্ব লোৱাৰ যোগ্যতা এই চৰকাৰৰ নাই। সেই কাৰণেই আমি এই অনাস্থা প্ৰস্তাব আনিছিলো।

দ্বিতীয়তে, মাননীয় অধ্যক্ষ মহোদয়, মই বৰ দুখেৰে সৈতে

মোৰ বক্তব্য ৰাখিছো যে, এই চৰকাৰৰ যোৱা এশ দিনীয়া প্ৰশাসনীক কালছোৱাত চৰকাৰী ক্ষমতাত অধিষ্ঠিত থাকি যি ধৰণৰ নিৰপেক্ষতা অৱলম্বন কৰিব লাগিছিল ঠিক সেই ধৰণে নিৰপেক্ষতা অৱলম্বন কৰা আমি দেখিবলৈ পোৱা নাই। বহুতো ক্ষেত্ৰত এই চৰকাৰে বিভিন্ন গোষ্ঠীৰ প্ৰতি পক্ষপাতদুষ্ট। অসমৰ নিচিনা বহু ভাষী ৰাজ্যত, অসমৰ নিচিনা বহু গোষ্ঠি থকা ৰাজ্যত চৰকাৰ যদি পক্ষপাতদুষ্ট হয়, তেতিয়াহলে ৰাজ্যখনৰ বিভিন্ন ভাষিকগোষ্ঠী, বিভিন্ন জন গোষ্ঠীৰ মাজত, সম্প্ৰীতি আৰু সংহতি ৰক্ষা কৰি উন্নতিৰ পথত আগ বাঢ়ি যাব নোৱাৰিব। এই কাৰণেই আমি ভাবিছিলো এই চৰকাৰৰ ক্ষমতাত অধিষ্ঠিত হৈ থকাৰ কোনো নৈতিক অধিকাৰ নাই। আৰু লক্ষ্য কৰিছিলো এই চৰকাৰ সংখ্যালঘু দলৰ চৰকাৰ। হব পাৰে যি দলৰ চৰকাৰ সেই দল বিধানসভাত আটাইতকৈ বেছি দলৰ কিন্তু বিভিন্ন ৰাজনৈতিক দল বিলাকৰ সুস্পষ্ট সমৰ্থন তেওঁলোকে দাঙি ধৰিব পৰা নাই। ইত্যাদি কাৰণত এই চৰকাৰৰ বিৰোধিতা কৰি অনাস্থা প্ৰস্তাৱ আনিছিলো। তথাপি আমি যোৱাকালি এটা বিবৃতি দিছো। এই বিবৃতিত আমি কৈছো—

The Plains Tribals Council of Assam is committed to the cause of protection and well being of the Plains Tribals in Assam. But regretablly no one has come forward to help the Plains Tribals of Assam when their home and hearth continues to be attacked from all sides.

In the light of the above position and circumstances the Congress (I) central leadership has assured protection to the Plains Tribals of Assam in their land, area, along with socio-economic development and have come forward

with some concrete proposals.

Therefore, the PTCA is re-assessing the position of its stand.

এই ধৰণে আমি বিবৃতি দিছিলো। আৰু আমাৰ এই বিবৃতি অল ইন্দিয়া ৰেডিঅত গুৱাহাটী ষ্টেচনৰ পৰা যেতিয়া সন্ধিয়া আঞ্চলিক বাতৰিত প্ৰচাৰিত হয় তাৰ পিচত আমাৰ বহুতো সদস্য বন্ধু সকলে আমাক লগ ধৰিছিল। আমাৰ সদস্য বন্ধু সকলৰ বাহিৰেও বিভিন্ন দলৰ বহুতেই আমাক লগ ধৰিছিল। বিশেষকৈ বিৰোধী পক্ষৰ বন্ধু সকলে যিসকলে আমাৰ লগ লাগি এই চৰকাৰৰ বিৰোদ্ধে অনাস্থা প্ৰস্তাৱ আনিছিল আৰু তাক কাৰ্য্যকৰী কৰিবৰ কাৰণে বিশ্বস্তভাবে অহোপুৰুষাৰ্থ কৰিছিলো, তেওঁলোকে আহি আমাৰ আগত বক্তব্য ৰাখিছিল। অধ্যক্ষ মহোদয়, তেওঁলোকৰ বক্তব্যত মই অসমীয়া জাতিৰ আত্মাৰ ধ্বনি শুনিবলৈ পাইছিলো। ফলত আমি বিভিন্ন দ্বন্দত ক্ষত-বিক্ষত হৈছিলো।

আমি এটা উছিত আৰু যোগ্য সিদ্ধান্তত উপনীত হবৰ কাৰণে অহৰহ ভগবানৰ ওচৰত প্ৰাৰ্থণা কৰিছিলো, হে ভগবান, এই সংকট মুহুৰ্ত্তত, এই ঐতিহাসিক মুহুৰ্ত্তত সঠিক সিদ্ধান্ত লবলৈ আমাক শক্তি দিয়া।

অধ্যক্ষ মহোদয়, আমি ভৈয়ামৰ জনজাতি সকলে এক অদ্ভুত পৰিস্থিতিৰ মাজত বসবাস কৰি আছো। আমাক সকলোৱে কয় যে আমি অসমৰ আদিম ভূমি পুত্ৰ- First sons of the soil.

কিন্তু এই আদিম ভূমিপুত্ৰ সকলৰ এনে ভাগ্য যে আজিৰ দিনত মই এই বক্তব্য সদনত ৰখাৰ সময়তো অৰুণাচল ৰাজ্যত ভৈয়াম জনজাতিৰ এহেজাৰ পৰিয়াল আবৰ সকলৰ আশ্ৰয় লৈ দাসত্বৰ জীৱন যাপন কৰি আছে। সেই জনজাতি সকলৰ আৰ্ত্তনাদো

আমাৰ অন্তৰত অহৰহ বাজে। এফালে অসমীয়া জাতিৰ আত্মাৰ ধ্বনি আনফালে বঞ্চিত, নিস্পেষিত জনজাতি সকলৰ আত্মাৰ আৰ্ত্তনাদ। দুৰ্ভাগ্য বা সৌভাগ্যই হওক আমাৰ জনজাতি পৰিষদৰ যি মুষ্টিমেয় চাৰিজন সদস্য আছো, বৰ্ত্তমানৰ ঐতিহাসিক মুহূৰ্ত্তত ইতিহাসৰ গতি নিৰ্দ্ধাৰণত কিঞ্চিৎ পৰিমানে হলেও বৰঙনি যোগাবলৈ সুযোগ পাইছো। অধ্যক্ষ মহোদয়, অকল অৰুণাচলত আৰৰ সকলৰ আশ্ৰয়ত থকা এহেজাৰটা পৰিয়ালঃৰই সমস্যা নহয়, আন বহুতো গভীৰ সমস্যাত জনজাতি সকল জৰ্জ্জৰিত। মই সিদিনাখন মঙ্গলদৈ মহকুমাত গৈছিলো। তাত দেখিছিলো কলাইগাৱৰ উচ্চ মাধ্যমিক বিদ্যালয়ত বড়ো মাধ্যমৰ ছাত্ৰ-ছাত্ৰী সকলক ভৰ্ত্তি কৰা হোৱা নাই। মই জনাত চৰকাৰৰ তৰফৰ পৰা বড়ো মাধ্যমৰ লৰা ছোৱালীক ভৰ্ত্তি কৰাৰ কাৰণে নিৰ্দ্দেশ দিছে। কিন্তু সেই নিৰ্দ্দেশ দিয়া স্বত্বেও উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ গৰ্গৰাম বৰুৱা ডাঙৰীয়াই বড়ো লৰা ছোৱালীক ভৰ্ত্তি কৰিবলৈ অস্বীকাৰ কৰিছে। যুক্তি দৰ্শাইছে যে বড়ো মাধ্যমৰ লৰা ছোৱালীক ভৰ্ত্তি কৰিলে অসমীয়া মাধ্যমৰ লৰা ছোৱালী বিলাকে ধৰ্ম্মঘট কৰিব বিচাৰে।

**শ্ৰীহেমেন দাস ঃ** চাৰ, এইখিনিতে মই এটা কথা কব বিচাৰো। এনে ঘটনা অসমবাসীয়ে কৰা নাই। অসমৰ আন্দোলনকাৰী সকলেহে এইটো কাম কৰিছে।

**শ্ৰীসমৰ ব্ৰহ্ম চৌধুৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আন্দোলনকাৰী বুলি কোৱা নাই, অসমীয়া জাতি বুলিও কোৱা নাই। অসমীয়া ছাত্ৰ-ছাত্ৰী, ভাইটি-ভণীটি সকলে ধৰ্ম্মঘট কৰিব বিচাৰে বুলিহে কৈছো।

( ভইচ ঃ আন্দোলনকাৰী শব্দটো উঠাই লওক। )

( ভইচ ঃ কবলৈ দিয়ক, কবলৈ দিয়ক। )

শ্রীসমৰ ব্ৰহ্ম চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, এই পৰিস্থিতিত পৰিয়েই ভৈয়ামৰ জনজাতি সকলৰ নিৰাপত্তাৰ কাৰণে আৱাজ দিছিলো আৰু যিহেতু ঘটনাচক্ৰত ভৈয়ামৰ জনজাতি সকলৰ মুখপাত্ৰ হিচাবে কাম কৰিবলগীয়া হৈছে, সেই কাৰণে ভৈয়ামৰ জনজাতি সকলৰ মুখপাত্ৰ হিচাবে তেওঁলোকৰ অন্তৰৰ ভাৱ আৰু নিৰাপত্তাৰ আশ্ৰয়ৰ কাৰণে যি দাবী সেই দাবীৰ ওপৰত ভিত্তি কৰি উদয়াচলৰ আৱাজ দিবলৈ আমি বাধ্য হৈছিলো। আৱাজ দিবলৈ বাধ্য হৈছিলো 'নো উদয়াচল নো ৰেষ্ট।' সেই আৱাজ এতিয়াও আছে, সেই আৱাজ আমি এতিয়াও প্ৰত্যাহাৰ কৰা নাই। মাজতে আমি স্থগিত ৰাখিছিলো। কিয়নো আমাৰ বন্ধু সকলে আমাৰ প্ৰতিবেশী সকলে আমাৰ প্ৰতি তেওঁলোকৰ মনোভাব পৰিবৰ্ত্তন কৰিব বুলি আশা কৰিছিলো। আমি ভাবিছিলো অসমৰ আটাইতকৈ চৰমতম ঐতিহাসিক মুহূৰ্ত্তত সামগ্ৰীকভাৱে সকলো অসমবাসী ৰাইজে একত্ৰিত হৈ অসমৰ সমস্যা সমাধানৰ কাৰণে কাম কৰিব পাৰিব। যি সমস্যা অকল অসমৰ নিৰাপত্তাই নহয়, ভবিষ্যতে অসম ভাৰতবৰ্ষৰ ভিতৰত থাকিবনে নাই এই প্ৰশ্নও আনি দিছে। এইটো জাতীয় সমস্যা। এই জাতীয় সমস্যা সমাধানৰ ক্ষেত্ৰত সকলোৱে একেলগে থিয় দিব লাগিব। কিন্তু এই সমস্যাৰ সময়তো আমাৰ প্ৰতি কৰা আচৰণত আমি বৰ দুখ পাইছো। আমি জনজাতি সকলো বাচি থাকিব বিচাৰো। সেই কাৰণে আমি উদয়াচলৰ আৱাজ দিছো আৰু জনজাতিসকলৰ নিৰাপত্তাৰ কাৰণে, তেওঁলোকৰ উন্নধাৰৰ কাৰণে বাট বিচাৰি আমি হাবাথুৰি খাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আমি আমাৰ ক্ষমতা আৰু যোগ্যতাৰে যি দায়িত্ব লৈছো সেই দায়িত্ব পালন কৰিবলৈ যত্ন কৰিছো। আমি ভৈয়ামৰ জনজাতি পৰিষদৰ সদস্য সকলে আমাতকৈ যোগ্যতৰ সকলৰ নিচিনাকৈ ৰাজনীতি কৰিব নোৱাৰো, ৰাজনীতি কৰিব বিচৰা নাই বা ৰাজনীতি কৰিব জনা নাই।

মাত্র আমি যি লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰতি প্ৰতিশ্ৰুতি-বদ্ধ সেই লক্ষ্য আৰু প্ৰতিশ্ৰুতিৰ প্ৰতি বিশ্বস্ত ভাৱে কাম কৰিব বিচাৰিছো। এই ক্ষেত্ৰত আমি মাননীয়া মুখ্যমন্ত্ৰী মহোদয়াৰ পৰা প্ৰতিশ্ৰুতি পাইছিলো যে ভৈয়ামৰ জনজাতিসকলৰ নিৰাপত্তাৰ কাৰণে 'অসম ভূমি আৰু ৰাজহ' আইন প্ৰয়োজনীয় ভাবে সংশোধন কৰা হব। এই আইন কাৰ্য্যকৰী কৰিবলৈ জিলা ভিত্তিত, মহকুমা ভিত্তিত আৰু ৰাজ্যিক ভিত্তিত কাৰ্য্যকৰী প্ৰশাসনীক ব্যবস্থা লব। আৰু জনজাতি সকলৰ উন্নতিৰ কাৰণে ট্ৰাইবেল ডেভেলপমেণ্ট অথৰিটি গঠন কৰিব। তেখেতে দলৰ হাইকমাণ্ডৰ আশীবাদ লৈ আৰু তেওঁৰ চৰকাৰৰ সহযোগীসকলৰ অনুমোদন লৈ এই প্ৰতিশ্ৰুতি দিছিল। আমি আশা কৰিছো যে বৰ্ত্তমান চৰকাৰে এই প্ৰতিশ্ৰুতি নিশ্চয় পালন কৰিব।

( ভইচ ঃ উদয়াচলৰ দাবীও মানি লৈছে নেকি ? )

এইটো মামি ললে বৰ ভাল পালোহেঁতেন। কিন্তু আমি জানো যে এই উদয়াচলৰ দাবী মানি লব নোৱাৰে যিহেতু উদয়াচল সৃষ্টি কৰাৰ অধিকাৰ বা ক্ষমতা এই সদনৰ নাই। যদি থাকিলেহেঁতেন নিশ্চয় উদয়াচলৰ দাবী উথাপন কৰিলোহেঁতেন। কিন্তু অধ্যক্ষ মহোদয়,, আমি যিহেতু ভাৰতীয় সংবিধানক বিশ্বাস কৰো—

( ভইচ ঃ জনজাতিসকলেই একমাত্ৰ ভূমিপুত্ৰ নেকি ? )

অধ্যক্ষ মহোদয়, আমি কোনোদিনেই কোৱা নাই যে জনজাতি সকলেই একমাত্ৰ ভূমিপুত্ৰ। জনজাতি সকলৰ বাহিৰেও বেলেগ ভূমিপুত্ৰ আছে এইটো আমিও স্বীকাৰ কৰিছো।

অধ্যক্ষ মহোদয়, আমি যিহেতু একে ভাৰতীয় সংবিধানকেই স্বীকাৰ কৰি লৈছো আৰু ভাৰতীয় সংবিধানত থকা গণতান্ত্ৰিক

পদ্ধতিত বিশ্বাস ৰাখিয়েই দেশ চলাই নিয়াত সহযোগীতা কৰিছো। সেই কাৰণেই আমি এই চৰকাৰৰ প্ৰতিশ্ৰুতিত আস্থা ৰাখিছো। যদি চৰকাৰে ভাৱে এই সংকট মূহৰ্ত্তত ভৈয়ামৰ জনজাতি সকলৰ ভোটৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হোৱা কাৰণেই আমাক প্ৰতিশ্ৰুতি দিছে, তাৰ পিচত আমাক অৱহেলাৰে চাব তেনেহলে আমি দুখ প্ৰকাশ কৰিছো। বহুতেই আমাক কৈছে যে, চৰকাৰে প্ৰতিশ্ৰুতি ৰক্ষা নকৰে। মাত্ৰ অনাস্থা ভোটৰ উদ্যত চুৰি নাইবা উদ্যত পিস্তল আগত থকাৰ কাৰণেই তাৰপৰা অব্যাহতি পাবলৈ প্ৰতিশ্ৰুতি দিছে। এই পৰিস্থিতিৰ পৰা উদ্ধাৰ পালেই প্ৰতিশ্ৰুতি ভঙ্গ কৰিব। ইয়াৰ সম্ভাৱনাক আমি অস্বীকাৰ কৰা নাই। যদি সেয়ে হয় তেনেহলে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এই চৰকাৰক কব বিচাৰো—অকল এই চৰকাৰকেই নহয়, অসমবাসী তথা গোটেই ভাৰতবৰ্ষকেই কব বিচাৰো যে পুনৰবাৰ যদি আমাৰ প্ৰতি বিশ্বাসঘাটকতা কৰা হয় তেনেহলে আমি অসমতেই নহয় গোটেই উত্তৰ-পূব ভাৰততে জুঁই জলাম আৰু এনে পৰিস্থিতিৰ সৃষ্টি কৰাম যে এই অঞ্চলত কোনো দিনেই, কাহানিও নভবা অভূতপূৰ্ব আগ্নেয়গিৰিৰ উদগিৰণ কৰা হব।

শ্ৰীলক্ষেশ্বৰ গোহাঁই : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই বৰ্ত্তমান চৰকাৰৰ প্ৰতি যি অনাস্থা প্ৰস্তাৱ দাঙি ধৰিছে তাৰ সমৰ্থন কৰি মই কেইষাৰমান কব খুজিছোঁ। কাৰণ এই চৰকাৰ সংখ্যালঘুৰ চৰকাৰ। কালিলৈ এই চৰকাৰৰ স্থায়ীত্বৰ বিষয়ে আচল পৰিচয় প্ৰকট হৈ পৰিব আৰু তেওঁলোকৰ দলেই তেওঁলোকৰ চৰকাৰৰ পতন ঘটাব। অসমৰ পৰা বিদেশী বহিস্কাৰ কৰিব লাগে বুলি আজি দীৰ্ঘদিন ধৰি আন্দোলন চলাই আছে। আন্দোলনকাৰী সকলে পূৰ্বচৰ্ত্ত নৰথাকৈ আলোচনালৈ আহিবলৈ সাজু থকা স্বত্বেও, অথচ ৰাজ্যিক চৰকাৰে ইয়াৰ সমাধানৰ প্ৰতি কোনো মিমাংসা কৰাৰ চেষ্টাই কৰিব খোজা নাই। বৰং

জনসাধাৰণৰ ওপৰত দমন নীতিহে প্ৰয়োগ কৰি আহিছে। গতিকেই এই চৰকাৰৰ ওপৰত আমাৰ আস্থা নাই। এই চৰকাৰে উৎছেদ বন্ধ কৰিবৰ কাৰণে শেহতীয়াকৈ এটা নিৰ্দেশ দিয়াৰ বাবে ভি-জি-আৰ, পি-জি-আৰ আৰু ৰোদ চাইদ লেও আৰু চৰকাৰী মাটিত ব্যাপক হাৰত বেদখল হবলৈহে সুবিধা দিছে। ইয়াৰ ফলত চৰকাৰৰ উন্নয়নমূলক কাম কাজত বাধা আহিছে। ইয়াৰ এটা মাত্ৰ উদাহৰণ দিও ভৰকাৰ পুলিচ থানাৰ কাৰণে চৰকাৰে মাটি দিছে। কিন্তু সেই মাটি আগতেই বেদখল হৈ আছে। তাত কাম কৰিব পৰা নাই। এই চৰকাৰৰ কামৰ মাত্ৰ মই দুই এটা নমুনা দিব বিচাৰিছো। এই চৰকাৰৰ গোটেই ৰাজ্যতে অত্যাচাৰ, উৎপীড়ণ, স্বজন-প্ৰীতিৰে ভৰি পৰিছে। তাৰ উদাহৰণ স্বৰূপে প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীবৰবৰা আৰু শ্ৰীগোস্বামী ডাঙৰীয়াই কৈ গৈছে। তিনিচুকীয়া কলেজৰ দুজন অধ্যাপকক যি ধৰণে নিৰ্ম্মমভাবে পুলিচে অত্যাচাৰ কৰিলে সেইটো মই নকও। আনকি ১৯-১-৮১ তাৰিখে কামপুৰৰ ওচৰৰ হাটবেৰত এটা ঘটনা ঘটিছিল। চন্দ্ৰ লস্কৰ নামৰ এজন মানুহৰ গাত মৰাপাট মেৰিয়াই কেৰাচিন তেল দি জুই লগাই দিয়া হৈছিল আৰু তেওঁৰ ঘৈণীয়েকক পাশবিক অত্যাচাৰ কৰিছিল। চৰকাৰক এই বিষয়ে জনোৱা হৈছিল কিন্তু আজিলৈকে কোনো বিহিত ব্যৱস্থা নললে। প্ৰকৃত দোষীক ধৰি দিব নোৱাৰিলে। গতিকে এই চৰকাৰক ক্ষমতাত থাকিবলৈ দিব নোৱাৰি। সেয়ে মই শ্ৰীগোস্বামী ডাঙৰীয়াৰ অনাস্থা প্ৰস্তাৱটো সমৰ্থন জনাইছো।

* Shri ALTAF HUSSAIN MAZUMDAR : As a democratic party, the No-Confidence Motion has been brought on the floor of the House to prove whether there is majority of the Government or not. Certain arguments have been put forward by the Opposition in support of their

* Speech not corrected.

No- Confidence Motion against the Government which need examination. Sir, I respectfully disagree with the points advanced by Opposition Members supporting the No-Confidence Motion. I am not going into the question as to whether there is a majority of the Government but the next charge levelled by Opposition Members is that Shrimati Indira Gandhi and her Government has not been able to settle the burning problems facing the State and the foreigners issue and they also have doubted the secularism of Indira Gandhi. Sir, leaving aside that question, the most important criticism that has been adduced by Hon. Members is charge of corruption against a particular Minister. This particular Minister has been charged of favouring a particular merchant of Fancy Bazar, Gauhati which has encroached upon the domain of Co-operatives. Sir, this is a motion not against a particular Minister but against the entire Ministry. I am not going to defend the particular Minister because he is strong enough to defend himself.

Shri PREMODHAR BORAH : Sir, on a point of clarification. I want to know whether he is supporting the Government's supply policy. What are his suggestions ?

* Shri ALTAF HUSSAIN MAZUMDAR : I am proposing now. Sir, this is a Motion against the whole Ministry. This Ministry has been installed in a peculiar circumstance in the annals

* Speech not corrected.

of Assam. They say that this minority Government has no right to exist. Respectfully I like to point out Sir, that when Shri Golap Borborah Ministry was formed that Ministry did not have absolute majority. But with the help of some other Partics they were working. And Shri Jogen Hazarika Ministry also was formed with a hopeless minority. Now this Ministry has been installed only a few months back. Shrimati Anwara Taimur does not have any extra-ordinary power to solve the problems of Assam within such a short time. Next Sir, there was criticism about the style of functioningof Government. Sir, I have said, I do not hope that this Ministry can solve the problems within such a short time which the previous Ministries years after years could not solve them. Sir, it will be little necessary to go back to what had happened in the last 1½ years. Sir, it is a border State and the problems of foreigners is not a new one. Nobody will allow foreigners to stay in the State. As my Hon. Member Shri Promode Gogoi has said, "every one of us want that every single foreigner should be pushed out".

There are various reasons of the agitation, such as economic reason, political reason and above all reason of security. So, noboby in the house or outside will support the idea that a single foreigner should be allowed to stay in India but at the same time we should see that not a single Indian should be harassed.

Sir, you will recollect the writings in some papers in West Bengal for some years back where it was written that it is going to be made Pakistan, it is going to be made a Bangladesh. These reactionary papers played a gre role in encouraging communalism even in Assam. The people of Assam are simple minded and they cannot disbelieve the West Bengal paper. Even to-day they are playing the same thing. Sir, can we leave aside our friends, can we live alone without them ? Then it may be a fools paradise. Sir, you know what has happened due to this long agitation. Even a child of 6/7 years is giving the slogan that foreigners should be drive out even though he does not understand anything of what is meant by foreigners. When I asked some whether I am a foreigner, they straightaway say 'no'. Then who is a foreigner ? 'Lungiwala' and 'tupiwala' and then another section started thinking that the 'dhutiwalas' are the foreigners. It is seen that everybody has his own definition of foreigners. I have got a feeling for the Assamese people and they are very good friends and if the agitation was really started against the actual foreigners, nobody would mind. But, Sir, there are elements, there are extremists who cannot think anything of non-violence and they will take the path of subversive activities and that is what happened here in the name of non-violence. Sir, you have seen the Mukalmua happenings. Houses have been burnt down to ashes, children have been thrown to fire.

Shri PREMODHAR BORA : Mr. Speaker, Sir, I take strong exception to the reference of hon'ble member to the Mukalmua incidence. It is not that a section of people were affected.

( interruption.... noise )

* Shri ALTAF HUSSAIN MAZUMDAR : Sir, I do not mean to say that a section of people were the victims of the incidence at Mukalmua. I want to say that none was spared and the innocent people be he an Assamese, a Muslim or a Hindu was the victim of this ugly incident.

( interruption.... noise )

Mr. DEPUTY SPEAKER : Let him finish and if you have got anything to say or if you want any clarification you can have it after he finishes his speech.

* Shri ALTAF HUSSAIN MAZUMDAR : Mr. Deputy Speaker, Sir, I do not want to cast expersion on any particular community. What I mean to say is that as a result of this the innocent people were suffering and lost their lives. Even Assamese people were not spared, they also suffered equally. I have got greatest respect for Assamese people and their culture. I have said there are extremists section who are in the name of Assamese people wanted to do this mischief. You will be surprised to know

* Speech not corrected.

that in my district there are posters that we want Bengalistan. Anandamargis were there. We cannot support this sorts of action of a section of people, we cannot support the action of the extremist elements or anti-social elements. No extremist can be tolerated. History will never forget the past. If we behave irresponsible we will be answerable to the next generation. My feeling is that the Assamese people are my brothers and friends and they are very good friends. I would like to preserve their culture and tradition. Now I would like to draw the attention of the Chief Minister that Ananda Margis and Amra Bengali are active in my district and some people who organised a meeting in the Gandhi Bag, Silchar are moving here in Dispur even in Govt. car in C.R.P.C banner.

(Voice : What is the meaning of C.R.P. C ? )

I do not know.

Shri ATUL CHANDRA GOSWAMI : It is Citizens Right Preservation Committee and Mr. Tarapada Bhattacharjee and Mr. Osmani are the leaders of this organisation.

Shri ALTAF HUSSAIN MAZUMDAR : Thank you, I did not know the full abbreviation of C.R.P.C.

Mr. DEPUTY SPEAKER : How long you will take ?

Shri ALTAF HUSSAIN MAZUMDAR : About 10 minutes, Sir.

শ্ৰীলক্ষ্যধৰ চৌধুৰী : উপাধ্যক্ষ মহোদয়, মাননীয় সদস্যই মুকালমুৰাৰ কথা যে কৈছে ওৱেষ্ট বেঙ্গলৰ লেফ্‌ট্‌ গভৰ্নমেণ্টৰ ট্ৰাম পোৰাৰ কথা নকয় কিয় ?

* Shri ALTAF HUSSAIN MAZUMDAR : Now, Sir it is clear to-day that Prime Minister Indira Gandhi was definitely not encouraging any agitation and she was all along saying the agitationists as 'my boys' and 'my heart is always with them'. And also she says that law and order is to be maintained. She says all these boys are my boys and in order to bring normalcy she wanted to instal a popular Govt. in the State and when Smti. Anwara Taimur was selected as leader we welcomed it. Because before installation of a popular Govt. there was no security of life and the political parties had to remain inside their house. So, when Smti. Anwara Taimur was called to form the Govt. we were all happy and to-day we are exercising our right to sit in this house. Sir, I say that Anwara Taimur has no connection with any extremist, she is complacent. There was no law and order before the installation of this Govt. It is becoming gradually normal and normal life is restoring after the installation of the present Govt. Even though it is not yet fully normal but we can compare it what it was before 90 days. But Anwara Taimur alone cannot deliver the goods. It is the whole house and the people outside with whose co-operation she can deliver goods. Sir, the secularism of Prime Minister Indira

* Speech not corrected.

Gandhi has been established long long back and the people believe that she is fully seculiar minded and there is no doubt about her seculiarism.

Sir, I would like to say that taking a balanced view of the Ministry for the last 100 days this Government should be given a chance because it has been normalising the process and certainly the House will consider that aspect. Nobody is infallible mistakes will be there. A last word to the Chief Minister the activities of the Ananda Margis and the agitationists should be crushed and the burning problem of foreigners should be settled through negotiations. Our Prime Minister has stated repeatedly that the agitation should be settled through negotiations and our Chief Minister has also stated that the door is open for negotiation. As one SUC member has rightly stated take the people into confidence and settle the problem through negotiation. I hope the Hon'ble members and all sections of people would give their support so that the problem could be solved peacefully. I appeal to the Hon'ble Members "Let the Government continue, it is not the right moment to dislodge the Government."

Shri NOORUL HUDA : Mr. Deputy Speaker, Sir, the House is meeting after a long lapse of 16 tortuous months in circumstances which are well-known to the Hon'ble Members. It is usefull to recall that the Janata Government which our Party

had supported both at the Centre and in Assam collapsed due to deep inner party crisis because they followed a policy of favouring the monopolists and the landlords at the Centre and they refused both at the Centre and in our State to make a clean break from the previous 30 or 31 years of continuous Congress Party rule. Sir, then came the defectors' Government of Shri Jogendra Nath Hazarika. Our Janata Party friends would do well to remember that our party at that critical hour when heads were counted in the Gauhati Circuit House we were completely against Shri Jogen Hazarika and supported Shri Golap Barbora, the leader of the Janata Party. Shri Jogen Hazarika was then suppborted by Congress ( I ) amongst other parties and during that short regime of three months the agitation on the issue of foreign nationals gained considerable ground with the active connivance of powerful sections of top bureocracy and high Police echelon. That Government inevitably broke up because during that time unheard of brutalities were perpetiated on the innocent about which our other friends have already related and I will also cite only two instances. In the first place Shri Santi Ranjan Dasgupta, the then Veterinary Minister, was kidnapped and kept confined for hours together, Secondly Shri Robin Choudhury, the then Minister of Irrigation, was gheraoed in his residence for long hours. Many suspect that it was organised by the hirelings of the then Chief Minister. During the three months of the Assam Janata Ministry and for the first 11 months

of Indira Gandhi's rule in the State, we had seen, the ugly face of President's rule and how law and order completely collapsed and anarchy prevailed. I would not like to add to that. Democracy and democratic rights were given a complete go-by. The left democratic parties were made the main target of attack–parties like CPM, CPI, SFI, Kisan Sabha, C.I.T.U. and others were the main targets. Even progressive minded individuals and intellectuals like Dr. Hiren Gohain were assaulted and writers like Smti. Nirupoma Borgohain were insulted and intimidated in Gauhati. That was the regime. The administration did not care to apprehend a single culprit. People were wondering as to why the Indira Government during the President's Rule in Assam took inordinately long time to take action against the unruly elements who, in the guise of conducting agitation against the foreign nationals, let loose violence on an unprecedented scale against people who have been permanently settled in Assam for 30 years or more. We do not forget the cases of Dr. Anjan Chakravarty and Dr. Robin Mitra and hundreds of others who have been killed. Atleast so far, nobody has claimed that places like Barpeta, Nalbari, Nowgong etc. were infested with foreign nationals. Dr. Anjan Chakravarty was not a foreigner nor for that matter Dr. Robin Mitra, the famous technologist. Why some people were made target of attack–we want to ask. There are grounds to suspect that the Central Government hibernated because Smti.

Gandhi wanted to reap the harvest by allowing the Congress (I) Legislature Party to swell its ranks from a mere 8 to 48 MLAs–whether it is 48 or more or less will be decided to-day-and to install a minority Government headed by her trusted leutenant of Smti. Gandhi, Smti. Anwara Taimur. In this respect I would like to rebutt the statement made by Shri Umaruddin Saheb, such a veteran parliamentaian, who had drawn an analogy with the State of Kerela. That analogy cannot apply Assam because in Kerela, as we all know, certain parties combined together to form a Ministry on a minimum programme elected a leader and established a majority before being called by the Governor to form a Ministry. Nothing of that sort happened in Assam. That would not be allowed to happen by Smti. Indira Gandhi in Assam. Shri Sarat Chandra Sinha or Shri Golap Barbora cannot get comfort of forming a Ministry. Now Sir, what have the Taimur Ministry done in 3½ months ? They cannot claim credit for partial restoration of law and order because the process started in the last week of November 1980 barely a week before the installation of the present Ministry. The steps taken by the Central Government have no doubt given rise to some amount of hope and confidence not only among the minority but also among that section of the Assamese people who disapprove of violence against the innocent. Unfortunately the Taimur Ministry have belied all expectations by refusing to take initiative in tackling the problem of foreign nationls, the central political issue of the day in our State.

Sir, what have they done in respect of the burning problems of our State ? Every essential commodity is dear and scarce. Kerosene is not available at Gauhati or in the rural areas. Prices of all commodities have gone beyond the purchasing power of the common man. Nothing is being done to remove transport bottleneck which have pushed commodity prices in Assam to atleast, 10/15% more than any other State. Passenger trains run inordinately late, some 10 to 12 hours behind schedule. The State Government do not bother, the Central Government remain unconcerned. The M.P.s who have been elected from this State— some in Rajya Sabha and some in the Lok Sabha from Cachar District they are also not concerned. Jute prices have fallen so low that it does not fetch even half the price announced by the Government, ruining and pauperising tens of thousands of Jute cultivators. I am thankful to the hon. member, Shri Umaruddin, who have also raised this point about jute price. Peasants are not getting remunerative prices for paddy and other produces. The economy of the State is pauperising the peasantry and the toiling sections of the people; the resultant misery knows no bounds. Have the present Ministry lifted their little fingers to alleviate the distress of our people ? The answer would be an emphatic 'No'. On the contrary, the Finance Minister is proposing to bring in legislation to increase the amenities of the hon. Ministers, who definitely fall in the category of the privileged. Sir, utter

chaos and fight for loaves and fishes of office prevail among the ruling party.

Prominent members of the ruling party are waiting in the wings to become Ministers. Within a short span of time, serious allegations of corruption have been levelled against a Cabinet Minister. Among those who have brought the charges there are prominent members, both in the ruling party and the Opposition who in their times earned notoriety for amassing unaccounted wealth, in their times some few years back. As for normalcy, assaults are taking place even now. On the 19th March in Agia in the Goalpara districts Gaon Panchayat President of Balijana Nripen Das belonging to our party was severely beaten up by the police in Agia in the District of Goalpara. C.P.I. ( M ) office at Sarbhog was attacked in broad day light in the presence of the police. The examinees of the M.A. & M.Sc. of the Gauhati University belonging to the Students Federation of India and minority linguistic groups have not been allowed to enter hostels and are being threatcned by certain goonda elements. This Government has been paying scant respect to the democratic norms; the Panchayats have been superseded in the Lakhimpur ( North ) and Karbi Anglong district and most regretably transfers and postings are made in a partisan and narrow manner which has already caused largescale discontentment and dissatisfaction among the people. We do not believe that only by promoting and placing

handpicked officers from the Minority community to senior positions, the interest of the minority communities can be protected. It is indeed an extremely short-sighted policy, I can dare say. Sir, we are reminded of Smti. Gandhi's electoral promises; this is relevant; by winning ⅔ majority in the Lok Sabha election has she been able to give the country what her Government at the Centre and the State wanted ? Has she been able to give the country a Government that works, have prices been checked or assaults on minorities, the backward the Harijons and the scheduled tribes put a stop to ? On the contrary, inflation, steep price rise, stagnation in the industrial production, attacks on the working class and the peasantry have assumed serious critical proportions. Communal, caste and linguistic riots which have occurred in Muradabad, Aligarh and Gujarat are examples to show that the Government which is being led by Smti. Indira Gandhi is sowing disunity and division amongst our people. Sir, I will not take much time. I have come to the last stage of my speech. Sir, there are members in the ruling party who in their speeches on 25th may, 78- I may mention that the hon. member Shri Akram Hussain said "আমাৰ ভয় হৈছে, অসমত আজিলৈকে যিমানখিনি উদ্যোগ হৈছে সেই উদ্যোগবোৰত থলুৱা মানুহৰ ঠাই নাই। বঙাইগাওঁ পেট্ৰ-কেমিকেলচত সেই সময়ত এখন বহিৰাগতৰ স্বৰ্গ হৈছে"।

Sir, on 24th May, 1978 one of the Minister now adorning the Treasury Bench said that

"দেশৰ কৃষিজীৱি বিলাকেই ৰাজনৈতিক ক্ষেত্ৰত গণ্ডগোলৰ সৃষ্টি কৰা আচল কাৰণ"। Sir, these are the speeches which were made by the Hon'ble Members who are adorning now the Ministers seat over here to-day and claiming that they are protectors of the minority as stated by Mr. Ibrahim Ali. They are saying that they are the protectors of the weaker sections, harijans, scheduled castes and scheduled tribes. They cannot lay that claim. That is why we submit from our party that the Cong.-I on the one hand and the other Bourgeous opposition parties on the other hand, I say Bourgeous opposition parties deliberately because Janata Party in the Centre had served the Bourgeous landlord class and the capitalists on the other hand, are utilising fears and apprehensions of different section of the people both minority and majority communities to push forward their anti-people policies and by aggravating the divisions among the people of the State they want to establish themselves among the people in order to capture power. Their aim is identical i.e. they are duty bound to serve the interests of the monopolists and the landlord classes at the cost of working class, peasantry and other toiling people of the State of Assam. Sir, that is why C.P.I. (M) is not interested in joining and wish to keep aloof from the nefarious political game. The General Secretary of our party Comrade E.M.S. Nambudripad has, after his brief visit to the State appealed to all democratic and patriotic sections of our people to beware of the divisive and disruptive forces and work

for maximum unity with a view to bringing together all the linguistic, religious and ethnic groups without which the foreign national issue cannot be solved. I therefore submit Sir, the need of the hour is to formulate a democratic alternative and wage a constant and continuous struggle for achieving unity among the people on the basis of a common minimum programme. Thank you Sir.

Mr. DEPUTY SPEAKER : Mr. Baruah, you are allowed only 16 minutes time.

*শ্ৰীদুলাল চন্দ্ৰ বৰুৱা : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা আগবঢ়োৱা অনাস্থা প্ৰস্তাৱৰ সমৰ্থনত মই কেইটামান মাত্ৰ কথা আগবঢ়াব খুজিছো। এই যে অনাস্থা প্ৰস্তাৱটো অনা হ'ল এই অনাস্থা প্ৰস্তাৱটো কোনো ব্যক্তিবিশেষৰ বিৰুদ্ধে অনা নাই। এই অনাস্থা প্ৰস্তাৱ নীতিগত অনাস্থা প্ৰস্তাৱ। জয় পৰাজয় পাচত হব। এই অনাস্থা প্ৰস্তাৱৰ সন্দৰ্ভত বহুকেইজন ব্যক্তিৰ ফালৰ পৰা নানা ধৰণৰ মন্তব্য বা নানা ধৰণৰ পৰামৰ্শ আগবঢ়াইছো। মই এই বিলাক বিশেষভাবে কবলৈ নাযাওঁ। আমি এই সদনত বহি লৈ আইন প্ৰনয়ন কৰো। সংবিধানৰ কথা কও। আৰু আইন তৈয়াৰ কৰি আইনৰ যোগেদি জনগনক ৰক্ষণাবেক্ষণ দিয়াৰ ব্যৱস্থা কৰো। কিন্তু যেতিয়া আজি এই চৰকাৰ গঠন কৰা হ'ল এই চৰকাৰ গঠন কৰা সময়ত ৰাজ্যপাল তথা শাসনাধীন লোক সকলে সংবিধানৰ নীতি নিয়ম সকলো পৰিহাৰ কৰি বলপূৰ্ব্বক ভাবে অবস্থাৰ সুবিধা লৈ এই চৰকাৰ গঠন কৰিছে। কিন্তু এই চৰকাৰৰ কোনো ধৰণৰ সংখ্যাগৰীষ্ঠতা নাই। কোনো পৰমপৰা নীতি নিয়ম মানি এই চৰকাৰ গঠন কৰা হোৱা নাই। কেইজনমান

* Speech not corrected.

মাননীয় সদস্যই কব বিছাৰিছে যে অবস্থাৰ বাধ্য হৈ এই চৰকাৰ গঠন কৰিলে। কিন্তু সংবিধানৰ কথা হয়তো মনতেই নপৰিল। অবস্থাত বাধ্য হৈ সংবিধানক উলংঘা কৰা কোনো গনতান্ত্রিক দেশৰ নীতি হব নোৱাৰে। চৰকাৰ গঠন কৰাৰ লগে লগে আগৰ পৰমপৰা নীতি নিয়ম অনুসৰি সংখ্যাগৰীষ্ঠতা পৰীক্ষা নিৰীক্ষা কৰিবলৈ বিধান সভা পাতিব লাগিছিল কিন্তু আজি বাধ্য হৈ যিহেতু ৩১ মাৰ্চৰ লগে লগে বিত্তিয় বছৰ পাৰ হৈ যাব বাধ্য হৈ এই বিধান সভা পাতিছে। প্ৰথম দিন বিধান সভা পতাৰ পাচতে তিনি দিন বন্ধ থাকিল আৰু মাত্ৰ ৬-৭ দিনৰ কাৰণে বিধান সভা পতা হৈছে। খৰতকীয়াকৈ বিধান সভা পতাৰ উদ্দেশ্য হৈছে যেন তেনে ক্ষমতা বজাই ৰাখিব লাগে। যিহেতু এই চৰকাৰ সংখ্যালঘীষ্ঠ কোনো গনতান্ত্রিক পদ্ধতিৰ নীতি নিয়মৰ মাজেৰে গঠন কৰা হোৱা নাই। সেই কাৰণে গনতান্ত্রিক নীতিগত হিচাবে এই অনাস্থা প্ৰস্তাব অনা হৈছে।

অসমৰ পৰম্পৰাৰ এটা ঐতিহ্য আছে। অসমৰ মানুহ সহজ সৰল আৰু অসমৰ ৰাইজে সকলোকে আপোন কৰি লব পাৰে কাকো হিংসাৰ চকুৰে নাচায়। কিন্তু এই লোক সকলৰ মাজত আজি বিভেদ অনৈক্যৰ সৃষ্টি হৈছে। আজি ডেৰ বছৰে অসমত যি আন্দোলন চলি আছে, তাক কোনোবাই প্ৰগতিবাদী কোনোবাই অন্য কোনো আখ্যা দি সমৰ্থন নকৰিলেও কিন্তু ইয়াৰ মূল সমস্যা তাক সকলোৱে স্বীকৃতি দিবই লাগিব। অসমৰ ৰাইজে সদায় ভালকে দেখে বেয়াতো নেদেখে-এয়া জাতীয় চৰিত্ৰ। এই আন্দোলনক সক্ৰীয় ভাবে আমি সমৰ্থন নকৰিলেও সমস্যাৰ সমাধান আমি বিছাৰো। কিন্তু অতি দুখৰ কথা এই আন্দোলনৰ ওপৰত হেচা দি অসমীয়া জাতিৰ মাজত অনৈক্য অবিশ্বাস আৰু ভুল বুজা বুজিৰ সৃষ্টি কৰিছে। যাৰ ফলত সোনৰ অসম মাতৃভূমিক বেলেগ পথলৈ টানি নিছে। দেশ-খনক বচাবলৈ ছাত্ৰসন্থা বা গণসংগ্ৰামৰ যি দায়ীত্ব আছে আমাৰো

নিশ্চয় সেই দায়িত্ব আছে। কাৰণ নীতিগত ভাবে আমি আজিও অসমৰ জনসাধাৰণক প্ৰতিনিধিত্ব কৰি আহিছো। মই মাননীয় সদস্য সকলক নিজে নিজে এই কথা বিশ্লেষণ কৰি চাবলৈ অনুৰোধ জনাইছো। দেশখনক আমি বিয়েকচনাৰী সকলৰ হাতত এৰি দিয়াটো উচিত নহব। জনগনৰ মুক্তিৰ কাৰণে ৰাইজৰ প্ৰতিনিধি হিচাবে নীতি নিয়মৰ মাজেদি আমি এই সমস্যাৰ সমাধান কামনা কৰো। আজি দেশ খনত চাৰিওফালে প্ৰতিক্ৰীয়াশীল শক্তি সমূহে থিয় হৈ উঠিছে। ফলত প্ৰতিক্ৰিয়াশীল শক্তিয়ে গোটেই অসমতে বিভাজন আনিছে। আৰু ৰাইজৰ মাজত জনগণৰ মাজত যি যুগমীয়া সংহতি সৃষ্টি হৈছিল, সেই যুগমীয়া সংহতি বিনষ্ট হোৱাই নহয়, বহুতৰ প্ৰাণ পৰ্য্যন্ত হানি হল। সৰ্ব্বভাৰতীয় ভিত্তিত আমাৰ ইয়াত যি হিন্দু আছে তেওঁ হিন্দু হৈ থাকিব, মুছলমান মুছলমান হৈ থাকিব, অসমীয়া ভাষা-ভাষী যিবিলাক আছে তেওঁলোক অসমীয়া হৈ থাকিব, বুদ্ধিষ্ট বুদ্ধিষ্ট হৈ থাকিব আৰু খৃষ্টান খৃষ্টান হৈ থাকিব। অতীজৰ পৰা এই সকলোই যুগ যুগ ধৰি সংহতিৰ দোলেৰে বান্ধ খাই চলি আহিছে। ভাৰতবৰ্ষত ইমূৰৰ পৰা সিমুৰলৈ যেতিয়া সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি হৈছিল, হাজাৰ হাজাৰ মানুহৰ প্ৰাণ নাশ হৈছিল, তেতিয়াও মোৰ এই অসম দেশৰ মানুহ আগৰ দৰেই ভাই ভাই হিচাবেই আছিল। মোৰ এই দেশৰ মাটিত কীৰ্ত্তন ঘৰ থাকিব, মছজিদ থাকিব, বুদ্ধৰ মথ থাকিব আৰু খৃষ্টানৰ গীৰ্জা ঘৰো থাকিব। নামঘৰত নাম প্ৰসঙ্গ চলি থাকিব, মছজিদত প্ৰাৰ্থনা চলি থাকিব, সেইদৰে সকলো সম্প্ৰদায়ৰ মানুহেই নিজৰ নিজৰ গৃহত উপাসনা কৰি থাকিব। কিন্তু আজি এই সংহতি কলৈ গল? আমি আশা কৰিছিলো চৰকাৰ গণতান্ত্ৰিক ভাবে গঠিত হলে বিনষ্ট হোৱা সংহতি পুনৰ উদ্ধাৰৰ কাৰণে চেষ্টা কৰিব। কিন্তু অতি আচৰিত কথা এই চৰকাৰ শাসনলৈ অহাৰ দিনৰ পৰাই চৰকাৰৰ কামবোৰ ওলোটা। সংহতি ৰক্ষা কৰাৰ পৰিবৰ্ত্তে

মাত্র প্ৰতিক্ৰিয়াশীল শক্তিৰহে পৰিচয় দিছে। আজি যি গৰাকীৰ মুখ্যমন্ত্ৰী পতা হল-তেখেত মুখ্যমন্ত্ৰী হোৱাৰ পিচত জনগণৰ মাজলৈ নগৈ, জনগণৰ পৰা বহুত আতৰত কল্যাধৰাত গৈ বাসস্থান ললে। আজি মানুহৰ মাজত সংহতি স্থাপন হোৱা দূৰৰ কথা, বিভাজনৰহে সৃষ্টি হৈছে। যেতিয়া ছাত্ৰ সকলে আৰু গণ সংগ্ৰামৰ নেতা সকলে চৰ্ত্তবিহীন ভাবে চৰকাৰৰ লগত আলোচনা কৰিবলৈ আগবাঢ়ি আহিল তেতিয়া এই চৰকাৰে আলোচনা আৰম্ভ কৰাত আগভাগ লব লাগিছিল, কিন্তু সেইটো নকৰিলে। তাৰ ঠাইত ক্ষমতালৈ আহিয়েই আৰম্ভ কৰিলে ট্ৰেন্সফাৰ, আৰম্ভ কৰিলে এপইণ্টমেণ্ট—এইদৰেই আৰম্ভ কৰিলে কিছুমান জনস্বাৰ্থ বিৰোধী কাম। মুখ্যমন্ত্ৰী মহোদয়াক মই জনাব বিচাৰিছো তেখেত এটা ঐতিহ্যপূৰ্ণ পৰিয়ালৰ মানুহ। তেখেত যি ঠাইৰ পৰা আহিছে সেই ঠাইৰ পৰাই ফৰমান আলি, বাহাদুৰ গাঁওবুঢ়া, মনিৰাম দেৱান, আদি স্বাধীনতাৰ যুজাৰু বীৰ সকলে হাহি হাহি ফাচী কাঠত ওলমিছিল। সেই ঠাইৰ পৰা আহি তেখেতে কি কৰিছে এটা কোটাবীৰ সৃষ্টি কৰিছে। তেখেতে আজি এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি কৰিব বিচাৰিছে যেন তেখেত সকলেই একমাত্ৰ সংখ্যালঘুৰ ৰক্ষক। মই কাকো উপহাস কৰিব নোখোজো দাড়ি ৰাখি টুপী পিন্ধা সকলেই একমাত্ৰ মুছলমান সকলক ৰক্ষা কৰিব নোৱাৰে। অসমলৈ যি সকল আহি অসমৰ হাৱা পানীৰ লগত মিলি গৈছে, অসমকেই মাতৃভুমি বুলি স্বীকাৰ কৰি লৈছে, অসমৰ মাটিকেই যি সোণ বুলি আকোৱালী লৈছে, যি সম্প্ৰদায়ৰেই হওক, যি ধৰ্মৰেই হওক এই সকলোকেই ৰক্ষণাবেক্ষণ দিব লাগিব। আজি যি স্থলত সংখ্যালঘুক ৰক্ষনাবেক্ষন দিয়াৰ কথা কৈছে, আৰু চৰকাৰৰ যিবোৰ কাৰ্য্যকলাপ পৰিলক্ষিত হৈছে এইবোৰৰ দ্বাৰা সংখ্যালঘু আৰু সংখ্যাগৰিষ্ঠৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰিছে, এটা জাতিৰ জাউতীযুগীয়া সংহতি বিনষ্ট কৰিছে। আমি মন্ত্ৰী হবলৈ বিচৰা নাই। মই

এই চিটতেই আজি বহুদিন ধৰি বহি আছিছো—

( ভইচ ঃ আপুনিও এবাৰ এইফালে আহিছিল )

ৰাইজে পঠোৱাত গৈছিলো। কিন্তু কোনোদিনে এতিয়া নতুনকৈ অহা বন্ধুসকলৰ নিচিনাকৈ ক্ষমতাৰ লোভত খোৱা কামোৰা কৰা নাছিলো। ৰাইজৰ প্ৰতিনিধি হিচাবে কাম কৰিবলৈ আহিছো পাৰিলে কৰিম নোৱাৰিলে গুচি যাম। কিন্তু নতুনকৈ অহা সদস্য সকলৰ দৰে আজি ইটো দল কালিলৈ সিটো দল কৰি ঘুৰি ফুৰা নাই। আৰু ৰাতিপুৱা এখন কাগজত চহী কৰি, দুপৰীয়া এখনত চহী কৰি আৰু ৰাতিলৈ এখনত চহী কৰাৰ ৰাজনীতি আমি কৰা নাই আৰু নকৰো। আমি ক্ষমতাৰ লোভত কোনোদিন নৈতিকতা বিসৰ্জন দিয়া নাই। আমাৰ মুখ্যমন্ত্ৰী মহোদয়াই যিখিনি কাম আজিলৈকে কৰিছে—মই জানো। মই মাত্ৰ তাৰ কেইটামান কথাহে উল্লেখ কৰিব বিচাৰিছো। মুখ্যমন্ত্ৰী মহোদয়াই প্ৰথমতে আহিয়েই অসম লোকসেৱা আয়োগৰ ৰিকমেণ্ডেচন থকা যিখন লিষ্ট পুলিচ অফিচাৰৰ সম্পৰ্কত, তেখেতে সেইখন বদলি কৰিলে। অসম লোক সেৱা আয়োগৰ ৰিকমেণ্ডেচন বাদ দি আনকি সকলো মন্ত্ৰীৰ জ্ঞাত নোহোৱাকৈয়ে তেখেতে এই কাম কৰিলে Commission has recommended that the candidates must be suitable for the post of Deputy Superintendent of Police, তেখেতে এইখন কেনচেল কৰিলে। মই জনা মতে গৃহমন্ত্ৰীয়েও এই কথা নাজানে। মাত্ৰ তেখেতে কেইজনমান বিশেষ ব্যক্তিক লগত লৈ এইখন বদলি কৰিলে। আমি এই কথাত আচৰিত হলো। তাৰ পিচত উপায়হীন হৈ এই কথা আমি ৰাজ্যপালকো জনালো। তেখেতে কি কৰিলে আমি নাজানো। অকল ব্যক্তিগত মানুহৰ কথাই নাই তেখেতে এডভোকেট জেনেৰেলৰো এপইণ্টমেণ্ট দিয়াসে। এডভোকেট জেনেৰেলৰ এপইণ্টমেণ্ট বিষয়ৰ যিবোৰ নীতিগত কথা আছিল সেইবোৰ চোৱা নহল।

আনকি এই ক্ষেত্ৰত তেখেতে মন্ত্ৰীসভাৰো অনুমোদন নোলো-ৱাকৈ এজন বিশেষ ব্যক্তিক এডভোকেত জেনেৰেল কৰিলে। লগতে এইখিনি মই কব বিচাৰিছো তেখেতে সকলোবোৰ নীতি নিয়ম পৰিহাৰ কৰি এপয়ণ্টমেণ্ট, পোষ্টিংতে ব্যস্ত আছে। মই মাননীয় সদস্য সকলৰ লগত একমত যে এখন ফুলনিত হবেক ৰকমৰ ফুল থাকিব পাৰে। কিন্তু মালী জনৰ যদি বিচ্যুতি হয় তেতিয়াহলে গোটেই ফুলনিখনৰে সৌন্দৰ্য্য হ্ৰাস পোৱাৰ দৰে মুখ্যমন্ত্ৰীৰ কাৰ্য্যকলাপ বিপৰীতমুখী হলে গোটেই জাতীটোৰেই সংহতি বিনষ্ট হব পাৰে। এই বিলাক কাৰণতে এই মন্ত্ৰী সভা গণতান্ত্ৰিক ভাবে নৈতিক ভাবে ক্ষমতাত থকাৰ কোনো অধিকাৰ নাই।

উপাধ্যক্ষ মহোদয়, এন-এচ-এ, প্ৰেছ এক্ট যিখন চৰকাৰে গণতন্ত্ৰক সন্মান কৰে সেই চৰকাৰে এই এক্ট বিলাক কেতিয়াও মানি লব নোৱাৰে। আমি আশা কৰিছিলো চৰকাৰ অহাৰ এক সপ্তাহৰ ভিতৰতে এন-এচ-এ আৰু প্ৰেছ এক্ট উঠাই লব। কিন্তু যি দিনাই তেওঁলোক আহিল সেই দিনাই প্ৰেছ এক্ট বলবত কৰিলে। মানুহৰ মুখ বন্ধ কৰাৰ নিচিনাকৈ বাতৰি কাকতৰো এই এক্টৰ দ্বাৰা মুখ বন্ধ কৰি ৰখা হল। এন-এচ-এ মতে বহুতকে আটক কৰিছিল যদিও হাইকোৰ্টে বহুতকে মুক্তি দিছে।

যদি কাৰোবাৰ দোষ হয় সেই সকলক শাস্তি বিহিব লাগে, যদি কোনোবাই দোষ কৰে তেনেহলে সেইসকলক আইনৰ জৰিয়তে শাস্তি বিহাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ যিবিলাক আইন আছে সেই আইনবিলাকৰ যোগেদি এই ব্যৱস্থাবিলাক আছে। কিন্তু বৰ দুৰ্ভাগ্যৰ বিষয় সেই আইনৰ সহায় নলৈ গণতন্ত্ৰক হত্যা কৰি বিভিন্ন কলা আইনৰ সহায় লৈ দোষীক ভুকলা কৰিছে। আনহাতে এই চৰকাৰে কলা ব্যৱসায়ী সকলক শাস্তি দিয়াৰ কথা ঘোষণা কৰিছে যদিও আমি জানিব পাৰিছো যে তেওঁলোকৰ লগত হাত মিলাই শাস্তি দিয়াৰ পৰিবৰ্তে কিছুমান

বিশেষ সুবিধাহে দি আছিছে । আজি অসমত খাদ্য দ্ৰব্যৰ নাটনিৰ সৃষ্টি কৰি হাজাৰ হাজাৰ মানুহক কষ্ট দি মুষ্টিমেয় কলা ব্যৱসায়ী কিছুমানক ধনী কৰিছে । চৰকাৰৰ যি নীতি সেই নীতি উলংঘা কৰি তেওঁলোকে নানা ধৰণে দুৰ্নীতিৰ আশ্ৰয় লৈছে । আমাৰ যোগান বিভাগৰ মন্ত্ৰীয়ে কোৱাৰ দৰে বস্তু অনা-নিয়া কৰাত নিশ্চয় কিছুমান অসুবিধা আছে । সেই-বুলিয়েই যদি সচাকৈয়ে এইখন প্ৰগতিশীল চৰকাৰ হয় তেনেহলে তেওঁলোকে লাভখোৰ, কলা ব্যৱসায়ৰ হাতত অসমৰ মানুহৰ জীৱন ধংস কৰিবলৈ এৰি দিব কিয় ? গতিকে নৈতিকতাৰ ফালৰ পৰা এই চৰকাৰৰ গাদীত থকাৰ কোনো অধিকাৰ নাই । আনহাতে দেশৰ আইন শৃঙ্খলাৰ নামত গৃহমন্ত্ৰী মহোদয়ে আজি ৰাতিপুৱা যি বিবৃত দিছে সেইটো মোৰ ফালৰ পৰা কবলৈ গলে আমাক 'মিচলিডিং' কৰিছে । কেইদিনমান আগতে বিধায়কৰ হোষ্টেলত যি দুৰ্ঘটনা হৈ গল তাত বাহিৰা মানুহ জৰিত হৈ থকাৰ উপৰিও বিশেষ ধৰণৰ বিষয়া কিছুমানো জৰিত হৈ আছে । গতিকে উপাধ্যক্ষ মহোদয়, এই বোমা বিস্ফোৰণ তদন্তৰ দায়িত্ব পুলিচ বিষয়াক নিদি আপোনাৰ যোগেদি এটা 'হাই পাৱাৰ জুডিচিয়েল এন্কুৱেৰি' কৰিব লাগে । আৰু কেনেকৈ এইবিলাক ঘটনা ঘটিবলৈ পালে সেই বিষয়ে তদন্ত কৰিব লাগে ।

উপাধ্যক্ষ মহোদয়, সময়ো বৰ কম । সেইকাৰণে মই আৰু বেছি কথা নকওঁ । কিন্তু নৈতিকতাৰ ফালৰ পৰা, বৰ্ত-মান অৱস্থাৰ ফালৰ পৰা এই চৰকাৰে মানুহক নিৰাপত্তা দিব পৰা নাই, মানুহৰ মাজত সংহতি বজাই ৰখাত ব্যৰ্থ হৈছে আৰু এই চৰকাৰে অগণতান্ত্ৰিক নীতি প্ৰতিষ্ঠা কৰি অসমীয়া ভাষা-সংস্কৃতি ৰক্ষা কৰাত সম্পূৰ্ণ ব্যৰ্থ হব বুলি মোৰ দৃঢ় বিশ্বাস আছে । গতিকে এই চৰকাৰৰ গাদীত থকাৰ কোনো নৈতিক অধিকাৰ নাই আৰু সেই কাৰণেই মই এই অনাস্থা প্ৰস্তাৱটো সমৰ্থন কৰিছো ।

Mr. DEPUTY SPEAKER : We have only 48 minutes at our disposal. Many hon. members are still to speak. Moreover, the Govt. side will take some-time to reply. What is the sense of the House? ( The House agreed to sit for one hour more, i.e. upto 6 P.M. )

* শ্ৰীফণী মেধি ঃ উপাধ্যক্ষ মহোদয়, আজি অসমৰ কংগ্ৰেছ (ই) চৰকাৰ অনাস্থা প্ৰস্তাৱৰ সন্মুখীন হৈছে। যি প্ৰক্ৰিয়াৰে এই চৰকাৰ ক্ষমতালৈ আহিছে আৰু ক্ষমতা হস্তগত কৰিছে সেইটো কোনো ৰকমে গণতান্ত্ৰিক আৰু নীতিগত প্ৰক্ৰিয়া হব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, ১৯৭৮ চনত যেতিয়া নিৰ্ব্বাচন হয় তেতিয়া কংগ্ৰেছ (ই) দললৈ মাত্ৰ ৮ জন সদস্য নিৰ্বাচিত হৈ আহিছিল। কিন্তু উপাধ্যক্ষ মহোদয়, এতিয়া ট্ৰেজাৰী বেঞ্চত আমি বহুতো মাননীয় সদস্যৰ মুখবোৰ প্ৰতিফলিত হোৱা দেখিবলৈ পাইছো। এই আঢ়ৈ-বছৰীয়া বিধান সভাৰ কালছোৱাত বহুতো মাননীয় সদস্যক বিভিন্ন ৰূপত আমি দেখিবলৈ পাইছো। ৰূপ দেখিছো আৰম্ভণীতে জনতা পাৰ্টিত তাৰপিচত জনতা ( চিকুলাৰ ) তাৰ পিচত অসম জনতা আৰু তাৰ পিচত দেখিলো কংগ্ৰেছ ই ) দলত আৰু বহুতো কিবা কিবি। উপাধ্যক্ষ মহোদয়, এই কম দিনৰ ভিতৰতে যিসকল মানুহে, যিসকল ব্যক্তিয়ে, ইমান ৰূপ গ্ৰহণ কৰিব পাৰে সেইসকল লোকে অসমৰ জনসাধাৰণৰ প্ৰতিনিধিত্ব কৰা বা সেইসকলে চৰকাৰ গঠন কৰি অসমৰ জনসাধাৰণৰ নেতৃত্ব দিয়াৰ নৈতিক অধিকাৰ থাকিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, ১৯ তাৰিখে এই সদনত কিছমান মাননীয় সদস্যই উত্থাপন কৰা দেখিবলৈ পাইছো যে এই মন্ত্ৰীসভাই বিধায়কক ভীতি প্ৰদৰ্শন কৰিছে, ভাবুকি দিছে

* Speech not corrected.

আনকি বিধায়কক অপহৰণ কৰিবলৈও প্ৰচেষ্টা চলাইছে। অকল সেয়েই নহয়, এই কামত চৰকাৰী উচ্চ বিষয়া আৰু উচ্চপদস্থ পুলিচ বিষয়াকো এই কাৰ্য্যত নিয়োগ কৰা হৈছে। এইটো বৰ বিপদজনক কথা হৈছে।

উপাধ্যক্ষ মহোদয়, এই চৰকাৰ ক্ষমতালৈ অহাৰ পিচত ঘোষনা কৰিছিল যে ৰাজ্যত শান্তি আৰু আইন শৃঙ্খলা ঘুৰাই আনিছে। কিন্তু এই চৰকাৰ ক্ষমতালৈ অহাৰ পিচতেই যোৱা ডেৰ বছৰে যি আন্দোলন চলিছে তাৰ ফলত দেশত উগ্ৰ জাতিয়তাবাদৰ আলোড়ণ উঠিছে। আৰু নানা ধৰণৰ কথা কৈ সংখ্যালঘু সকলৰ ত্ৰানকৰ্ত্তা বুলি দেখুৱাব বিচাৰিছে। কিন্তু আজি কিছুদিন আগতে মোৰাদাবাদত যি হত্যাকাণ্ড হৈ গল তাৰ দ্বাৰা সংখ্যা-লঘুৰ প্ৰতি থকা আচল ৰূপটো ওলাই পৰিছে। সেইদৰে অসম মন্ত্ৰী সভাইও আজি কেন্দ্ৰীয় চৰকাৰৰ নিচিনাই কৰ্ম্ম কৰি আছে। গতিকে মাননীয় সদস্য শ্ৰীহুদা ডাঙৰীয়াই কোৱাৰ দৰে এই বিলাক কথাত সংখ্যালঘু সকলে কোনো পধ্যেই আশ্বস্ত হোৱা উচিত নহৰ।

উপাধ্যক্ষ মহোদয়, শান্তি-শৃঙ্খলাৰ নামত এই চৰকাৰে কি কৰিছে সেইটো কথা অসমৰ ৰাইজে আৰু বুজিবলৈ বাকী নাই। শান্তি-শৃঙ্খলাৰ নামত সমগ্ৰ ৰাজ্যতে পুলিচ, মিলিটাৰী আনি দিছে। আমাৰ মাননীয় সদস্য শ্ৰীবৰবৰা ডাঙৰীয়াই কোৱাৰ দৰে অসমত যি শান্তি বিৰাজ কৰা বুলি কৈছে সেইটো কেৱল শ্মশানৰ শান্তিহে।

কিন্তু এইটো কথা ঠিক যে পুলিচ, মিলিটাৰীৰ দ্বাৰা অসমৰ ৰাইজক ঐক্যবদ্ধ কৰিব নোৱাৰে। আৰু অসমত যি উগ্ৰ জাতীয়তাবাদৰ জন্ম হৈছে সেই বীজ উঘালিব নোৱাৰে।

উপাধ্যক্ষ মহোদয়, শান্তি শৃঙ্খলাৰ নামত আজি গোটেই অসমত

পুলিচ, চি, আৰ, পিৰ যি লীলা চলাইছে তাৰ জৰিয়তে অসমৰ মানুহক বা অসমত বাস কৰা সকলো ধৰ্মীয় সংখ্যালঘুৰ লোক-সকলক ঐক্যতালৈ ঘূৰাই আনিব নোৱাৰে। ইয়াৰ পৰিবৰ্তে অসমৰ সকলো ভাষা-ভাষীৰ লোকে যাতে সমান মৰ্য্যদা পায় তাৰ কাৰণেহে চেষ্টা কৰা উচিত আছিল। কিন্তু এই চৰকাৰৰ ক্ষেত্ৰত আমি সেই প্ৰচেষ্টা দেখা নাই। উপাধ্যক্ষ মহোদয়, এই চৰকাৰ ক্ষমতালৈ অহাৰ পিচত চি, আৰ, পিৰ হতুৱাই যি শান্তি আনিছে সেই শান্তি ১৯৭৫ চনৰ জৰুৰীকালীন অৱস্থাৰ লগত মিলে। জৰুৰী কালিন সময় ছোৱাত পুলিচ মিলিটেৰীৰ হতুৱাই দমন নীতিৰ ব্যৱস্থা লোৱা হৈছিল, সেই দমন নীতিৰ দ্বাৰা যি শান্তি অহা বুলি ভাবিছিল সেই শান্তি কিন্ত শান্তি হব নোৱাৰে। আনহাতে এই চৰকাৰ ক্ষমতালৈ অহাৰ লগে লগে সাধাৰণ পুলিচৰ স্পৰ্দ্ধা ইমান বাঢ়ি গৈছে যে তেওঁলোকে নিজেই নিজে একোজন মুখ্যমন্ত্ৰী বুলি ভাবি লৈছে।

উপাধ্যক্ষ মহোদয়, সিদিনা নলবাৰীত যেতিয়া ওৱালিং চলি আছিল তেতিয়া পুলিচৰ কৰ্মকৰ্ত্তা সকলে ধমক দি কৈছিল যে এই ওৱালত ইন্দিৰা গান্ধীৰ বিৰুদ্ধে কোনো শ্লগান লিখিব নোৱাৰিব, যদি লিখা হয় তেন্তে এন-এচ-আইনৰ অধীনত গ্ৰেপ্তাৰ কৰা হব। উপাধ্যক্ষ মহোদয়, মই সুধিব খুজিছো সেই সামান্য পুলিচৰ ইমান স্পৰ্দ্ধা হৰলৈ পালে কেনেকৈ? এই চৰকাৰ ক্ষম-তালৈ আহি বন্য জন্তুৰ লগত সংগ্ৰাম কৰা খেতিয়ক সকলক উচ্ছেদ কৰিছে। চুওাজানত যি উচ্ছেদ কাৰ্য্য আৰম্ভ কৰা হৈছে আৰু দৰং জিলাৰ গো বিজাৰ্ভত কৃষক সকলক যি দৰে নৃশংস ভাবে উচ্ছেদ কৰা হৈছে সেই কথা দৰং জিলাৰ প্ৰতিনিধি বন্ধুসকলে নিশ্চয় জানে। কামৰূপৰ বাস্কাৰ মৌজাত বাংলাদেশীয় আঁচনিৰ নামত কি কৰা হৈছে? গৰীৱ খেতিয়ক সকলৰ মাৰি পিটি জখম কৰি দুজনক জেলত ভৰাই থৈছে। কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতাৰে এই চৰকাৰে ক্ষমতা লৈ সংখ্যালঘুৰ মৰ্য্যদা ৰক্ষা কৰাৰ কথা কয়।

অকল খেতিয়ক সকলবে নহয় শ্ৰমিক সকলৰ ক্ষেত্ৰতো এই চৰকাৰে কি কৰা নাই ? আমি বিচাৰ কৰি চালে দেখিবলৈ পাওঁ যে তেখেত সকলে বিভিন্ন ধৰণৰ অধ্যাদেশ জাৰি কৰি শ্ৰমিক সকলক নানা ধৰণেৰে অত্যাচাৰ কৰিছে। এইবোৰ আইনৰ জৰিয়তে যদি তেখেত সকলে সমাজ বিৰোধী দুৰ্নীতিগ্ৰস্ত লোকক শাস্তি দিব পাৰিলেহেতেন তেন্তে বহুত কাম হলহেতেন। তাৰ কাৰণে তেখেত সকলক এন, এচ অধ্যাদেশৰ প্ৰয়োজন নহলহেতেন। শ্ৰীমতী ইন্দিৰা গান্ধীৰ আদৰ্শৰে তেখেত সকলে এন, এচ অধ্যাদেশ আৰু অত্যাৱশ্যকীয় সেৱা আইন সুদুৰ প্ৰসাৰী কৰি তুলিছে। ইয়াৰ দ্বাৰাই আমি ১৯৮০ চনৰ জৰুৰী অৱস্থাৰ মাজলৈ সোমাই যোৱা যেন লাগিছে।

উপাধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ অৰ্থনীতি আৰু সাম্ৰাজ্যবাদ লুণ্ঠন কৰিছে আজিৰ ইন্দিৰা গান্ধীৰ চৰকাৰে আৰু এই খন চৰকাৰ তাৰেই লেজু হৈ পৰিছে। আৰু এই কাৰণেই আজি সংখ্যালঘুৰ নামত গঠিত হোৱা চৰকাৰখন অনাস্থা প্ৰস্তাৱৰ সন্মুখীন হব লগা হৈছে। সদনৰ আমাৰ বন্ধু সকলক মই কব খুজিছো যে যদি কোনোবাই গণতন্ত্ৰ বিশ্বাস কৰে আৰু যদি কোনোবা দেশপ্ৰেমী হয় তেন্তে মই তেখেত সকলক আবেদন কৰিব খুজিছো যে তেখেত সকলে শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বত গঢ় লৈ উঠা এই চৰকাৰৰ বিৰোধীতা কৰিব আৰু ক্ষমতাৰ যি প্ৰক্ৰিয়া তাৰ বিৰোধীতা কৰি এই চৰকাৰৰ ক্ষমতাৰ প্ৰক্ৰিয়া বিৰোধীতা কৰিব।

ধন্যবাদ।

**শ্ৰীচিৰাজুল হক :** উপাধ্যক্ষ মহোদয়, আজিৰ এই আলোচনাত দুটা পক্ষই দুই ধৰণেৰে দাবী কৰিছে। আই কংগ্ৰেছ দলে সংখ্যালঘুৰ ত্ৰাণকৰ্ত্তা বুলি দাবী কৰিছে আৰু জনতা দলে গণতন্ত্ৰৰ বাহক বুলি দাবী কৰিছে।

কংগ্ৰেছে ভাৰতবৰ্ষত ৩০-৩৪ বছৰ ৰাজত্ব কৰিছে আৰু মই অতি দুখেৰে সৈতে জনাব বিচাৰিছো যে বন্ধুসকলে যেনেকৈ আলিগড়, মোৰাদাবাদ, আহ্‌মেদাবাদ ইত্যাদি আলোচনা কৰিছে সেইবিলাক বিষয়ে মই আৰু কব নিবিচাৰো, অসমত যিটো আন্দোলন সেই আন্দোলন আৰম্ভ ক'ত আৰু কেনেকৈ হ'ল সেই বিষয়ে আমি আগতেই আলোচনা কৰিছো। অসমত সংখ্যালঘু সকলৰ ওপৰত যি হাৰাশাস্তি আৰু জোৰ-জুলুম চলোৱা হৈছিল তেওঁলোকৰ কণ্ঠ ৰোধ কৰি দি গণতান্ত্ৰিক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ অভিলেখ আছে। সেই সময়ত কেন্দ্ৰত ইন্দিৰা গান্ধীৰ চৰকাৰ প্ৰতিষ্ঠিত হৈছে আৰু তেতিয়াই অসমত মানুহৰ ওপৰত অনাচাৰ, অত্যাচাৰ আদি চলিছে, মানুহৰ মুখ বন্ধ কৰা হৈছে। এইখন গনতান্ত্ৰিক দেশত মানুহে মুখ মেলিব পৰা নাই। মেল-মিটিং পাতিব পৰা নাই। এই সকলোবোৰ কথা বাৰে বাৰে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰা হৈছে। আৰু কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত সংখ্যালঘুৰ ওপৰত নানান অত্যাচাৰ জুলুম আদি চলোৱা হৈছে বুলি কৈছে। আৰু সেই আন্দোলন এটা অগণতান্ত্ৰিক আন্দোলন, লগতে এই আন্দোলনৰ দ্বাৰা ভাৰতবৰ্ষৰ পৰা অসমখনক বিচ্ছিন্ন কৰিব খোজা বুলি কৈছে। এই আন্দোলনৰ পৰিপ্ৰেক্ষিতত বিতাৰণৰ নিৰিখ ১৯৭১ চনৰ ২৫ মাৰ্চ হব লাগে বুলি কেন্দ্ৰীয় চৰকাৰে বাৰে বাৰে প্ৰকাশ কৰা সত্বেও দেখা গৈছে যোৱা ২৪ নবেম্বৰৰ আগলৈকে আন্দোলনকাৰী সকলৰ মনৰ যি স্পৃহা সেই স্পৃহা পুৰণ কৰিবলৈ এৰি দিয়া হৈছে। আন্দোলনকাৰী সকলে মানুহৰ ওপৰত জোৰ-জুলুম চলাইছে, ঘৰ জলাই দিছে, অথচ যোৱা ২৪ নবেম্বৰৰ আগলৈকে কেন্দ্ৰীয় চৰকাৰে একো ব্যৱস্থা নোলোৱাৰ ফলত এই আন্দোলনৰ কালত কাৰফিউ ব্ৰেক কৰাৰ নজীৰ কেইবা ঠাইতো আছে। ইয়াৰ পৰা এইটোৱেই প্ৰমাণ হৈছে যে এই আন্দোলনৰ ফলত সংখ্যালঘু সকলৰ নিৰাপত্তা

নোহোৱা হৈছে। অসমত ইন্দিৰা চৰকাৰ প্ৰতিষ্ঠা হোৱাৰ পিচত অসমৰ আন্দোলনৰ সময়ত যি অত্যাচাৰ জুলুম আদি চলিছিল তাৰ বিৰুদ্ধে যি ধৰণে ব্যৱস্থা লব লাগিছিল সেই ধৰণে হোৱা নাই। সেই কাৰণেই মই অতি দুখেৰে সৈতে জনাব লগা হৈছে যে অসমৰ যি শাসন ব্যৱস্থা এই শাসন ব্যৱস্থা সংখ্যালঘু সকলক ত্ৰাণ কৰিবৰ কাৰণে নহয়। কংগ্ৰেছী শাসনৰ গাদী ৰাখিবৰ কাৰনেহে। গতিকে আজি যি সকলে এই অনাস্থা প্ৰস্তাৱ আনিছে তেওঁলোকে গণতন্ত্ৰক বচাবৰ কাৰণেহে এই প্ৰস্তাৱ আনিছে।

গণতন্ত্ৰৰ সোৱাদ আমি বহুত পাইছো। গোলাপ বৰবৰা চৰকাৰৰ দিনত মংগলদৈত পুলিছে বিদেশী নাগৰীকৰ নামত ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে জাল দস্তখত দি ভোটৰ অধিকাৰৰ পৰা বঞ্চিত কৰিবৰ ব্যৱস্থা কৰিছিল। এই ব্যৱস্থা কেৱল অসমতেই নহয় ভাৰতৰ বিভিন্ন জেগাত, বিভিন্ন দলৰ ৰাজনৈতিক নেতাৰ লগত আলোচনা বিলোচনা কৰা হৈছিল। আজি যি সকলে অনাস্থা প্ৰস্তাৱ আনিছে সেইসকল কংগ্ৰেছ (ইউ) দলৰ মানুহৰ লগত একেলগ হৈ সংখ্যালঘু সকলৰ নিৰাপত্তাহীনতাৰ কথা দিল্লীৰ দৰবাৰত দাখিল কৰিছিলো। অসম জনতা দলৰ চৰকাৰৰ সদস্য প্ৰথমতে ১৭ জনেই আছিল, এই ১৭ জনীয়া চৰকাৰেই গোলাপ বৰবৰাই এৰি থৈ যোৱা গাড়ীত ড্ৰাইভাৰ হিচাবে যোগেন হাজৰীকা বহিল কিন্তু তেওঁ সংখ্যালঘু সকলৰ নিৰাপত্তা দিয়াৰ একো ব্যৱস্থাই কৰিব নোৱাৰিলে, আছু কংগ্ৰেছৰ যিসকল নেতা লগলাগি জনতা চৰকাৰ পাতিছিল। আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে লগতে অন্যান্য সদস্যাই কৈ গৈছে, চাৰিওফালে মাথো হাঁহাকাৰ, চাৰিওফালে মাথো অন্ধকাৰ। শ্ৰীশৰৎ চন্দ্ৰ সিংহই আৰত থাকি চৰকাৰ পাতিছিল। কিন্তু যিচত তেওঁ নাওঁৰ তলিত ডুব কোৰ মাৰি ফুটাই জনতা চৰকাৰক খহাই দিলে। আনোৱাৰ। টাইমুৰে ব্ৰহ্মপুত্ৰত জাল পেলাই বহি থাকিল। এই

ব্ৰহ্মপুত্ৰ নদীত বহুত মানুহৰ তেজ বাগৰিল, বহুতৰে লাচ্ উটি গ'ল, বহুতো ঘৰৰ পোৱা চাই উটি গ'ল। শ্ৰীশৰৎ চন্দ্ৰ সিংহই অন্যান্য মানুহৰ লগত সাঁতুৰি সাঁতুৰি পাৰ পাই দেখিলে যে আনোৱাৰা টাইমুৰৰ জালত ৫৪ জন ধৰা পৰিল। মই এটা প্ৰশ্ন কৰিব বিচাৰো তেওঁক যেতিয়া চৰকাৰ পাতিবলৈ কৈছিলো তেতিয়া সিংহ ডাঙৰীয়াই কৈছিল বাইজে নিৰ্ব্বাচনত চৰকাৰ পাতিবলৈ মানডেট দিয়া নাই। বৰ্ত্তমানে কোনো মানডেট পাইছে নেকি ? শৰৎ বাবুয়ে চৰকাৰ গঠনৰ কিবা নতুন বিকল্প ব্যৱস্থা কৰিছে নেকি ? যদি নহয় তেনেহলে অসমক এটি অনিশ্চয়তাৰ মাজলৈ ঠেলি দিব নোৱাৰি। সংখ্যালঘু সকলৰ নিৰাপত্তাহীনতাৰ কোনো বিকল্প ব্যৱস্থা কৰিব পৰা নাই। আজি ডেৰ বছৰ কাল সৰ্ব্বসাধাৰণ লোক সকলো ফালৰ পৰা বঞ্চিত হৈছে। মই তেতিয়া বৰপেটাত আছিলো সংখ্যালঘু সকলে তেওঁলোকৰ ওপৰত চলা অত্যাচাৰ, অনাচাৰ, জুলুম আদিৰ বিৰুদ্ধে ২৬ মে তাৰিখে প্ৰতিবাদ জনাবলৈ আহিছিল। তেওঁলোকক চহৰত সোমাবলৈ দিয়া নহল। বিভিন্ন জনে শ্লোগান দিছিল 'আমাক জীয়াই থাকিবলৈ দিয়ক' কিন্তু বৰ্ব্বৰ ভাবে তেওঁলোকৰ ওপৰত গুলী চলিল।

মাননীয় উপাধ্যক্ষ মহোদয়, বৰ্ত্তমান চৰকাৰে যি ব্যৱস্থা হাতত লৈছে, সেই ব্যৱস্থাৰ দ্বাৰা কথা কব নোৱাৰা সংখ্যালঘু সকলে কিছু সকাহ পাইছে। মানুহে শান্তি বিচাৰে আৰু আজি সেই শান্তি পাইছে। এই চৰকাৰ ক্ষমতালৈ অহাৰ পিছত, ৰাজ্যৰ প্ৰত্যেক অফিচ চলিছে, স্কুল চলিছে আৰু নাগৰিকৰ জীৱনলৈ কিছু শান্তি ঘুৰি আহিছে। কাৰণ গৃহমন্ত্ৰী ৰমেশ চহৰীয়াই পুলিচ লগাই কেতিয়াও কোনো কৰ্ম্মচাৰীকে অফিচত সুমুৱাই দিয়াহি নাই, বা স্কুল-কলেজৰ ল'ৰা-ছোৱালীকো টানি আনি সুমুৱাই দিয়াহি নাই। তথাপি স্কুল-কলেজ চলি আছে। অফিচ চলি আছে। আগৰ জনতা চৰকাৰৰ দিনত কোনো নিৰাপত্তা দিব পৰা নাছিল। বৰ্ত্তমান অসমৰ পৰিস্থিতি আয়ত্তলৈ আনি জনসাধাৰণক নিৰাপত্তা

দিব পৰা কাৰণেই আজি স্কুল চলিছে, অথিচ চলিছে সম্পূৰ্ণৰূপে। বিশেষকৈ সংখ্যালঘুৰ স্বাৰ্থৰক্ষা কৰাত এই চৰকাৰ কৃতকাৰ্য্য হৈছে। গতিকে এইখিনিকে কৈ মই অনাস্থা প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো।

* শ্ৰীনগেন শৰ্ম্মা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই সম্মানিত সদনত মাননীয় সদস্য অতুল গোস্বামী ডাঙৰীয়াই এটা প্ৰস্তাৱ আনিছে 'This House express its want of confidence in the Council of Ministers headed by Smti. Syeda Anwara Taimur". এই প্ৰস্তাৱটো মই সৰ্ব্বান্তকৰণেৰে সমৰ্থন জনাইছো। ইতিমধ্যে বিভিন্ন বক্তাই, বিভিন্ন মাননীয় সদস্য সকলে এই প্ৰস্তাৱটোৰ সপক্ষে আৰু বিপক্ষে বিভিন্ন মতামত দাঙি ধৰিছে। মইও প্ৰস্তাৱৰ সপক্ষে কোৱা সকলৰ লগত এক মত হৈ আৰু দুটা কাৰণ যোগ দিব খুজিছো। প্ৰথম কথা হ'ল, এই চৰকাৰখন সম্পূৰ্ণৰূপে গণতন্ত্ৰ বিৰোধী আৰু ৰাইজৰ আস্থা ভাজন নহয় বুলি কব খোজো। অসমত বাস কৰা যি খিনি শান্তিপ্ৰিয় ভাৰতীয় নাগৰিক আছে, এই সকলোখিনি নাগৰিকেই আজি ১২১ জন মানুহৰ মুখলৈ চাই আছে আজি আমি কি সিদ্ধান্ত কৰো, সেইটো এটা ঐতিহাসিক সিদ্ধান্ত হ'ব। বহু দেশ, বহু ৰাজ্যত আৰু বহুতো সময়ত এনেকুৱা ঐতিহাসিক সিদ্ধান্ত হৈ গৈছে। মোৰ আজি তেনেকুৱা কেইটামান সিদ্ধান্তলৈ মনত পৰিছে। সেয়া ১৯৩৩ চনৰ কথা মই কব বিচাৰিছো।

(At this stage Mr. Deputy Speaker vacated and Mr. Speaker occupied the Chair)

মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথা, অসমৰ ৰাইজে এইখন

* Speech not corrected.

তেওঁলোকৰ গণতান্ত্ৰিক চৰকাৰ নহয় বুলি ভাবে কি কি কাৰণত, তাৰ বিষয়ে অলপ কব লাগিব। অলপ আগতে চি, আৰ, পি, চিৰ কথা উনুকিয়াইছিল। ইয়াৰ প্ৰথম যিখন ডকুমেণ্ট সেইখনত যিখিনি কথা লিপিবদ্ধ কৰা হৈছিল, সেইখিনি প্ৰকাশৰ সময়ত নিশ্চয় ভাবি-চিন্তি চোৱা হোৱা নাছিল বুলি মই ভাবো।

(ভইচ ঃ চি, আৰ, পি, চি মানে কি ?)

চি, আৰ, পি, চি, মানে কি সকলোৱে ইতিমধ্যে জানিছেই, মই নকলেও হ'ব। এই চি, আৰ, পি, চি থকা স্বত্তেও দেশৰ নাগৰিকৰ অধিকাৰ ৰক্ষা হৈছে নে নাই সেইটো চাব লাগে। কিন্তু আজি নাগৰিকৰ অধিকাৰ ৰক্ষা কৰা হোৱা নাই। গতিকেই ৰাইজৰ আস্থাভাজন এই চৰকাৰ হ'ব পৰা নাই। দ্বিতীয়তে, এইখন আমাৰ ৰাইজৰ চৰকাৰ নহয় বুলি ভাবো এই কাৰণেই যে ১৯৮০ চনৰ ১০ জুন তাৰিখে প্ৰেছিডেণ্ট ৰোলৰ সময়ত যিখন চাৰ্কোলাৰ দিয়া হৈছিল, সেই মতে ৰাজ্যখনৰ চৰকাৰী, অৰ্দ্ধ চৰকাৰী আদি নিয়োগ খণ্ডত চাকৰি প্ৰাৰ্থীৰ জন্মস্থান বা জন্মৰাজ্য তথা পিতৃ পৰিচয় আদিৰ বিবৃতিৰে 'প্ৰ-পত্ৰৰ' যি ব্যৱস্থা আছিল বৰ্ত্তমান অসমৰ ইন্দিৰা চৰকাৰে এই বছৰৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে পুনৰ এখন চাৰ্কোলাৰৰ যোগেদি উঠাই দিছে। ইয়াৰ পৰা এইটোকেই প্ৰমাণ হৈছে যে অসমত ক'ৰবাত কেনেবাকৈ বিদেশী আছে যদিও বৰ্ত্তমান চৰকাৰে বাহিৰ কৰিব নোখোজে। তৃতীয় কথা হ'ল আমাৰ বৰ্ত্তমান যি গৰাকী মাননীয়া মুখ্যমন্ত্ৰী, তেতিয়া অৱশ্যে মন্ত্ৰী নাছিল, তেখেতে কৈছিল যে ১৯৭৭ চনৰ ভোটাৰ তালিকা অনুসৰি নিৰ্বাচন হ'ব লাগে। তেনে ক্ষেত্ৰত নিজেই যেতিয়া মুখ্যমন্ত্ৰী হৈ আছে, তেখেতে কেনেকৈ বিদেশী বহিষ্কাৰৰ কাৰণে চেষ্টা চলাব। আনহাতে যদিও কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা কোৱা হৈছে যে ১৯৭১ চনৰ পৰা বিদেশী বহিষ্কাৰ কৰিব লাগে। গতিকেই বিষয়টো লৈ বিশেষ ভাবে চিন্তা কৰিব লগীয়া হৈছে। বৰ্ত্তমান চৰকাৰে হিতলাৰী

অৰ্গেনাইজেচন তৈয়াৰ কৰিছে আৰু তাৰ বাবে টকা-পইছা যি লাগে ওপৰৰ পৰা আহিছে। বিশেষকৈ আজি কেইবাবছৰ ধৰি অসমৰ নিবনুৱা সমস্যাৰ জটিলতাৰ বাবে উপযোগী ৰক্ষনাবেক্ষণৰ দাবী উঠিছে। এতিয়া অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ সময়ত অসমৰ নিবনুৱা সমস্যাই সমাধানৰ বাটৰ হেঙাৰ স্বৰূপ হৈ পৰিছে। আজি কিছুদিনৰ পৰা এনে কিছুমান কাম প্ৰশাসন স্তৰত কৰা হ'ব ধৰিছে যে তাৰ পৰা সন্দেহ হয় ৰাজ্যখনৰ বাস্তৱ সমস্যাৰ কথা ভবাতকৈ এটা শক্তিশালী চক্ৰই স্বজন-গোষ্ঠী তোষণতহে ব্যস্ত হৈ পৰিছে।

অধ্যক্ষ মহোদয়, আজি কথা হৈছে এই ভাৰতবৰ্ষৰ বুকুতেই এদিন ইতিহাস ৰচনা হৈছিল। একবটল হুইস্কি আৰু এটা টেবলেটৰ জৰিয়তেই এক ৰাতিৰ ভিতৰতে ইতিহাস ৰচনা কৰা হল। একে ৰাতিৰ ভিতৰতেই মাউণ্টবেটেনৰ মানুহ বিলাতলৈ গৈ দুই মিনিটৰ ভিতৰতে পালিয়ামেণ্টত এইটো গৃহীত হৈছিল। যাৰ ফল আমি আজি ৩৩ বছৰে ভোগ কৰি থাকিব লগা হৈছে। আজি যি ইতিহাস ৰচিত হব ইয়াৰ ফল আৰু কিমান দিন ভোগ কৰিব লাগিব সেইটো আমি কব নোৱাৰো। এই বিলাক শুনি মাননীয় সদস্য সকল উত্তেজিত হওক কথা নাই কিন্তু ধৈৰ্য্য ধৰি শুনক।

দ্বিতীয় কথা হৈছে, মাননীয় সদস্য শ্ৰীপ্ৰমোদ গগৈ ডাঙৰীয়াই এটা সুন্দৰ কথা কৈ গৈছে। আজি যিটো চৰকাৰ সেই চৰকাৰটো এটা 'কোটাৰী' য়ে চলাইছে। এইটো গণতান্ত্ৰিক চৰকাৰ নহয় এইটো কেইজনমান পুজিপতি, কেইজনমান বিষয়া, কেইজনমান ধনলোভী আৰু ক্ষমতালোভী ৰাজনৈতিক কোটাৰীৰ এটা চৰকাৰ। যিসকল দিল্লীলৈ গৈছিল সেই সকল কেনেকুৱা অৱস্থাত পৰিব লগা হৈছিল-মই তাৰ এটা উদাহৰণ দিব বিচাৰিছো। ২৪ ফেব্ৰুৱাৰী তাৰিখে দিল্লীৰ অসম হাউচত ঘটা এইটো ঘটনা।

তেতিয়া আবেলি ৫ বাজিছে। সেই সময়ত এজন মাননীয় সদস্য কিবা বিশেষ কাৰণত দিল্লীলৈ গৈছিল। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত তেওলোকৰ কিবা দাবী আছিল। তেখেত এটা সস্থাৰ প্ৰতিনিধি হিচাপে গৈছিল। তেখেতৰ কোঠা তলত আছিল। তেখেতৰ ৰুমলৈ বাবে বাবে এজন মন্ত্ৰী গৈছিল ( অৱশ্যে তেখেত তেতিয়া মন্ত্ৰী নাছিল )। তেখেতে বাৰে বাৰে গৈ এই সদস্য জনক কৈছিল যে আপুনি কংগ্ৰেছ (আই) লৈ আহক। সদস্য গৰাকীয়ে কংগ্ৰেছ আইলৈ নাহো বুলি কোৱাত তেতিয়া কৈছিল যে আপুনি নাহে নাই কিন্তু আমাৰ এজন ওপৰৰ নেতাক দেখা কৰক। তেতিয়া সদস্য গৰাকীয়ে নাযাও বুলি কলে। তেতিয়া মন্ত্ৰী গৰাকীয়ে কলে যে আহক একো নহয়, মাতিছে দেখা কৰিব। তেতিয়া সদস্য গৰাকী নেতা থকা ১৭নং ৰুমলৈ গল। তেখেতৰ লগতে মন্ত্ৰী গৰাকীও নেতা জনৰ ওচৰলৈ গৈছিল। সদস্য গৰাকীক বহুত বুজাই দিয়া হল। কিন্তু সদস্য গৰাকী ইমানেই আক্ৰোৰগোজ যে বুজনি কোনোমতেই নেমানে। তেতিয়া ডাঙৰ নেতা গৰাকীয়ে সদস্যজনক ১৭নং কোঠাৰ কাষতে থকা এটা সৰু কোঠালৈ মাতি লৈ গৈ বহুতো কাবৌ কোকালি কৰিব ধৰিছিল। এইদৰে কাবৌ কৰি কলে যে আপুনি এই চাৰিখন কাগজত চহী কৰি দিয়ক। আপোনাৰ একো নহয়। চহী কৰা কাগজখিনি আপুনি আপোনাৰ জেপতে লৈ যাব পাৰিব। তাৰ পিচত মস্ত এটা পেকেট ডাঙৰ নেতা গৰাকীয়ে সদস্য জনৰ জহৰ কোটৰ জেপত ভৰাই দিলে (ভইচঃচেম, চেম)। তেতিয়া সদস্য জনে শুধিলে এইটো কি দিছে? তেতিয়া নেতা গৰাকীয়ে কলে যে একো নহয় আপোনাৰ সমৰ্থিত কাম কৰিবৰ কাৰণে শ্ৰীমতী ইন্দিৰা গান্ধীয়ে দিছে। তেতিয়া সদস্য গৰাকীয়ে পেকেটতো দলি মাৰি দি তললৈ আহি চহী কৰা কাগজখিনি ফালি পেলালে তেখেতে অনুমান কৰিছিল যে তাত কম পক্ষেও ১ লাখ টকা আছিল। মই সদনৰ সৌষ্ঠৱ নষ্ট হব বুলি ভাবি গোটেইখিনি কথা নকলো।

এনেধৰনে বহুতো সদস্য হয়তো কংগ্ৰেছ আইলৈ গৈছে। ইয়াত চলিছে এটা কোকাচৰ ৰাজত্ব চলিছে ঃ কোনো দলৰ ৰাজত্ব নহয়। তেখেত সকলৰ নেতাই কৈ গৈছিল যে বিবেক ভোট। যাৰ ফলত নিজৰ প্ৰাৰ্থী হাৰি ভি, ভি, গিৰি ৰাষ্ট্ৰপতি হৈছিল। ইয়াত দেখা গৈছে কোকাচৰ ৰাজত্ব। আজিৰ এই ঐতিহাসিক দিনটোলৈ অসমৰ ১ কোটি ৬৫ লাখ মানুহে চাই আছে। চাই আছে এটা মুহূৰ্ত্তত ঐতিহাসিক শুদ্ধ এটা সিদ্ধান্ত লব আৰু সকলোৱে নিশ্চয় চৰকাৰৰ বিৰুদ্ধে ভোট দিব। ইয়াকে কৈ মই শেষ কৰিলো।

Shri A. F. GOLAM OSMANI (Minister, Supply) Hon'ble Speaker, Sir, in moving the no-confidence motion the main thrust of the attack is against the supply policy of the Government. In this house presently there are atleast 3 members who acted as Minister of Supply to the Govt. of Assam and as such I feel that this supply matter, its policy, execution in various stages in past few years, can be discussed and I hope they will agree with me about the facts and circumstances that existed at the relevant period in which they presided over the Ministry. About two main things the members have shown their interest. Firstly this Govt. has made a fundamental change in Supply policy making departure from public distribution system and secondly as to the involvement of the Govt. in the matters of procurement, distribution and monitoring of essential and other consumer commodities.

I can assure this August house that some members were very much ill-informed in the

sense that whatever they read in newspaper believed to be true. I do not blame them, because, in Assam for last few months, I would say for atleast two years now our medias circulated news which had no relation with the actual realities. Otherwise, this type of charges which has nothing to do with the reality of thing would not have been placed before the House in an irresponsible manner. Let us have a frank discussion about supply policy as a whole, because it is a very important matter. Generally we are habituated to deal with this type of serious matter in an adhoc manner. When we involve Govt. in procurement, distribution and monitoring of essential commodities, we in a way enter into a pattern which we can view as a pattern of socialistic functioning of the State.

In the matters of trade and commerce it is admitted in our country that there are three spheres :- in one sphere it is the absolute domain of the Govt. to deal with some commodities where private trade do not exists. In one category both Government and private traders exist and in one category only private traders operate. These are the patterns. They do exist and we have to see at what level they function.

I am not going to elaborate much on these things but I am going to project its relation first to rapeseeds oil about which much has been said that the Government have taken changed stand. Rapeseeds oil was started to

be imported into India in 1977 when there was acute shortage of edible oil and Central Government made allotments to State Governments for distribution through the public distribution system which is in short called 'PDS'. Assam had its share. I will come later as to how it was procured and distributed. Let us see how Assam dealt with its allotment. In 1977-78 the Central Government allotted 1250 MT of rapeseeds oil, but Assam was able to lift only 400 MT; in 1978-79 when our famous legislator, Shri Dulal Chandra Barua, happened to be the Supply Minister the allotment was 3100 MT over of which only 110 MT could be brought to the State of Assam. The rest quantity was allowed to be lapsed in Calcutta. During the President's Rule in Assam, thanks to Shri Sarin whom I consider to be one of the ablest administrators, he took sufficient care and a record quantity of rapeseed oil was brought into Assam. ( Interruption ) Let even the devil gets its due. Even in those days of agitation 921.14 MT out of an allotment of 1200 MT was brought to Assam.

In November, 1980 1500 MT of rapeseed oil was allotted to Assam. Extension was given up to 31st December, 1980. STATFED was requested to lift the quantity. In month of January, 1981 when I was given the Supply portfolio due to the illness of my collegue Shri Hiteswar Saikia, I sent one telex message for further extension. I went to Calcutta on 22nd and I was told there by an employee of STC who happened

to come form Assam that 1500 MT of rapeseed oil allotted to Assam was going to lapse on the 31st of January. I at once sent a telex to the Secretary, Supply, Director Supply and the Managing Director of STATFED to come to Calcutta with necessary money so that they could lift the whole quantity. I then went to Silchar to attend the Republic Day celebrations and returned to Calcutta on 27th evening. Secretary Supply sent the Director of Supply and the Managing Director of STATFED. I asked them if they have got the money and I was told that money was being brought the next day by the IAC flight. Next day a meeting was held in the Assam House attended by STC officials. When the Managing Director STATFED produced a cheque of Rs. 27 lakhs the STC said that on account of 1979-80 for 921 MT of rapeseed oil STATFED had yet to pay a sum. of Rs 68 lakhs to STC and that unless the arrear amount was cleared we would not be allowed to lift the 1500 MT of rapeseed oil the cost of which would be about Rs. 1 crore 20 lakhs. So I asked the TADM to make arrangements so that the rapeseed oil could be send to Assam. He floated short tenders. Many parties came forward and stated that they would lift the rapeseed oil but were not willing to carry the same to Assam. So negotiations took place and ultimately five parties were found willing to carry the rapeseed oil on the condition that they will be given all the coverge which is generally given to Handling Agents of STC. They signed the

contract as proposed by the Director of Supply. Immediately thereafter wild rumours were aflost in Assam that private parties had been given allotment of rapeseed oil, but I can inform the House that of the 1500 MT more than 1200 MT has already reached Gauhati and the rest are in the pipeline.

In the meantime we moved the Govt. of India to give us additional allotment covering our backlog because I find that it is a useful edible oil and it can keep down the price of mustard oil. As a result of actual importation of edible oil the price of mustard oil in Assam has fallen by Rs. 3/-per tin in wholesale market. I would request the Hon'ble Members to verify the price. The retail price of mustard oil cannot go beyond Rs. 16/- per kg. now in Gauhati. I made a representation to the Union Minister of Civil Supplies and he agreed to allot 1100 MT of rapeseed oil to Assam for the month of March and 1000 MT of Palm oil.

We have also succeeded to get an outlet of STC opened in Gauhati due to help given by the Central Government officials and the STC. They have now godown facilities with the Warehousing Corporation having space of 38 thousand sq.ft. The STC has agreed that as against our next allotment 500 MT rapeseed oil would be made available at Gauhati by April and they would be able to have sufficient warehousing facility to feed the whole northeast

India from Gauhati and not form Calcutta and Siliguri as had been the practice. So, I should say that whatever we did under the circumstances of the case was justified. To allow the thing to get lapsed on whatever ground, I think, is more harmful. We paid to the businessman on the terms and conditions a STC paid to their handling agents. So, there is no room for criticism. To meet the first point of criticism allotment was never made to the private parties. It is the practice of the Statfed that they do allot rapeseed oil also to the various dealers for distribution. I can go back to 1977 even and say from records that wherever no Co-operatives existed. the D. C. s and S. D. Os put forward the names of authorised dealers. Presently, of course, we are becoming strict. The Supply Department at first thought that they would go back to their previous practice. But we have asked the DCs SDOs to forward the names of the Co-operatives only and when the Co-operatives are found unable to lift the quantities, the question of allotment to authorised dealers can come. So, I say, there is no hide and seek about the rapeseed oil. Rather, this Government for the first time succeeded in lifting the entire quantity and arrangement made for its distribution through the public distribution system. The DCs and SDOs have circulated a notification telling that every ration card holder in the modified rationing area and also in the rural areas will get 2 kg. of rapeseed per card,

About salt—what is about salt ? My friend -once a colleague in the Janata Government said that I have given a good-bye to the policy they initiated. What was that thing then introduced ? In 1977, the Statfed took a decision definitely that they did not want to get involved in salt business. In 1978 in the first part during the Government headed by Shri S.C. Sinha, the Statfed was completely eliminated from the scheme of procurement of salt. That experience also was bitter because very many wagons/rakes could not be brought into Assam and allotment lapsed. When Janata Government came to power they started to think afresh ; there was some originality in that, I would say. They wanted to bring salt directly from the manufacturers. I can refer to the proceedings of the Statfed. The Board of Directors in which Shri Atul Goswami was also one of the Directors, must be knowing how those 4 groups of people were brought into the salt business. The Directors had their reservations. In that meeting of the Statfed it was definitely the views of the Board of Directors that they would not enter into agreement with those 4 groups as there was no open tender. I find from the records that the Board of Directors said that without tender acceptance of rate would not be proper. Sir, I feel I should be able to give reply so that the House knows what really transpired. Sir, 4 groups of people in the name of manufacturers of the West Coast were brought to Gauhati. The Statfed did not know ; they did not bring them and they were

given contract on terms which the Statfed itself felt not very reasonable. I would only point out on what grounds the Board of Directors objected.

The Chairman of the Board of Directors of the Statfed Shri Kiron Bezbarua who happen to be my Brother-in-law called to the Bar from the same Issue initiated the discussion in pursuance of the decision taken under item No. 2 of the business transacted in the meeting of the Board of Directors held on 18.7.78/19.7.78. Lengthy discussion was held in respect of the 4 parties who offered to supply salt for the period from 1.9.78 to 31.12.78. Terms were discussed in details by all the members of the Board of Directors present and it was decided that it would not be possible to enter into agreement with these 4 parties in view of the following reasons : Statfed received 2 telegrams from 2 other Associations of Salt Manufacturers of West Coast and as such it was reasonable to invite them also. Most of the members present in the meeting expressed the view that it will not be reasonable to enter into agreement straightway with these 4 parties. Their most important reason was that one of the local Gauhati suppliers wanted to supply salt at lesser price than what those 4 parties were offering. So, they said that they would have to consider the matter further. Then the matter took a sudden change and at whose instance I donot know. Then the Board decided that they would be willing to enter into an agreement with

those 4 parties for supply of normal quota of salt for August 1978 to December 1978. Then my friend, Shri Majumdar the then Supply Minister paid hurried visit to the West Coast to see the transactions, As many as 21 handling agents were appointed between July 1978 to December/80. I had to consider all these things. I went through the records of the Statfed and the decision taken by the then Governmenf in the Supply Department. Inspite of the resistence of the Statfed, the Board of Directors entered into a contract and as a consequence there was a loss of Rs. 16. 10 lakhs between 1979-80 on account of salt.

What we worked out- it is not the Minister alone who worked out, everybody concerned was represented in the meeting. The Minister and Secretary Supply, Managing Director and Chairman Statfed were there in the meeting wherein the salt rate was worked out in such a way that presently the Statfed will make a profit of Rs. 12 lakhs, salt would be sold to consumers at prices lesser by 3 paise compared to present retail price. The business that was handed over to the West Coast Manufacturers and their agents has been given to Assam Traders who are registered under Salt Importers Licencing Order, Assam. Salt Importers Association represented to the Prime Minister and the Prime Minister promised that she would ask the Assam Government to look into their grievances. As such,

I find, my friends, by this new policy we have been able to give salt at lesser price i.e. 0.55 paisc the Statfed has got a commission of 0.75 paise per bag and retailers' margin raised to Rs.2.25 p. per bag.

So I feel that what we have worked out is for the betterment of the State. Earlier the Supply Minister had to rush to West Coast to see that the salt is made available for the State. Sir, so far as rapeseed oil is concerned, there will be no necessity of allotment to any private party as the rapeseed oil will be made available here at Gauhati and no question of allotment to a private party as it was done in the past. Thank you Sir.

শ্ৰীঅজয় দত্ত ঃ মই এটা কথা জানিব বিচাৰিছো ৰেপচিদৰ কথা কোৱা হৈছে, বাইজে পাব বুজিছো কিন্তু গুৱাহাটীৰ তিনিটা ব্যৱসায়ী মালচান্দ মতিলাল আদিক তাৰ দায়িত্ব দিয়া হ'ল? আনক পাহৰি গ'ল নেকি ?

Shri ALTAF HUSSAIN MAZUMDAR : Mr. Speaker Sir, I am thankful to my friend as he has mentioned that I went to West Coast. I went there to see that the traders should not be allowed to bring aquarious salt, less cost salt. These are the reasons for which I went there and to see that salt is regularly carried through Statfed.

* শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( বিত্তমন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মোৰ বন্ধু শ্ৰীহিতেশ্বৰ শইকীয়া ডাঙৰীয়া ৰোগগ্ৰস্থ হৈ থকা অৱস্থাত মই শিক্ষা বিভাগৰ

* Speech not corrected.

দায়ীত্বত থাকোতে মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কালি অৱশ্যে সেই কথাটো উল্লেখো কৰিছিল— বৰপেটাৰ মাধৱ দেৱ চৌধুৰী কলেজৰ শ্ৰীবিজন লাল চৌধুৰী, শ্ৰীঅজিত দাস, শ্ৰীমহি গোস্বামীৰ দৰ্ম্মহাৰ কথা উল্লেখ কৰিছিল। মই তাৰ অধ্যক্ষ আৰু ইয়াৰ প্ৰিন্সিপাল কাউন্সিলৰ অধ্যক্ষকো মাতি আনিছিলো আৰু সেই হিচাবে তেওঁলোকক দৰ্ম্মহা দিয়াৰ কথা কৈছিলো কিন্তু পাচত খবৰ কৰি জানিব পাৰিলো সেই আদেশ এতিয়াও পালন কৰা হোৱা নাই। গতিকে এতিয়া আৰু আমি আদেশ দিছো যে ২৫-৩-৮১ তাৰিখৰ আগতে তেওঁলোকৰ দৰ্ম্মহা নিদিলে সেই কলেজৰ গ্ৰাণ্ট ইন এইড বন্ধ কৰি দিয়া হব।

তাৰ পিচত বন্ধুবৰ সদস্য শ্ৰীগান্ধীৰাম টিমুং ডাঙৰীয়াই ডিফুৰ ইনস্পেক্টৰ শ্ৰীবংশী দাসৰ কথা কৈছে তেওঁ ৭৭ চনৰ পৰা তাত আছে তেওঁৰ বদলিৰ সময় হৈছে সেইটো কাৰ্য্যকৰী কৰা হব। আৰু যিবিলাক নিৰ্দ্দিষ্ট অভিযোগৰ কথা কৈছে সেইখিনি চোৱা হব।

*শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মুখ্যমন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মাননীয় সদস্য শ্ৰীঅতুল গোস্বামীদেৱে আমাৰ চৰকাৰৰ পদত্যাগ দাবী কৰিছে। মই তাৰ তীব্ৰ বিৰোধিতা কৰি বিৰোধী পক্ষই তোলা দাবীসমূহ খণ্ডন কৰি কওঁ যে উক্ত অনাস্থা প্ৰস্তাৱৰ কোনো যুক্তিযুক্ততা নাই। এই মন্ত্ৰীসভাৰ প্ৰতি সদনৰ সংখ্যাগৰিষ্ঠ সদস্যৰেই সমৰ্থন আছে তাক আমি দৃঢ়তাৰে প্ৰতিপন্ন কৰিবলৈ সমৰ্থ। অসমৰ ৰাইজৰো যে এই চৰকাৰৰ প্ৰতি সম্পূৰ্ণ আস্থা আছে তাক ইতিমধ্যে দ্ৰুত গতিৰে ঘূৰি অহা শান্তি আৰু শৃঙ্খলাৰ পৰিবেশে আজি প্ৰমাণ কৰিছে। এবছৰ কাল সদনৰ কাৰ্য্য স্থগিত থকাৰ পাচত পুনৰ সদনত বহি এনে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিবলৈ বিৰোধী পক্ষই যি সুযোগ সুবিধা পাইছে সেই সুবিধা এই মন্ত্ৰীসভা প্ৰতিষ্ঠা হোৱাৰ

* Speech not corrected.

ক্ষলতেই যে সম্ভৱ হৈছে তাক আজি নিশ্চয় বিৰোধী পক্ষই স্বীকাৰ কৰিব। আজি বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে তেওঁলোকৰ সংবিধানিক অধিকাৰ প্ৰতিষ্ঠা কৰিবলৈ এই সদনৰ মজিয়াত যিদৰে ত্যাগবাঢ়ি আহিছে তাৰ কাৰণে মই নিজেই গৌৰৱ অনুভৱ কৰিছো। এনে উন্নত গণতান্ত্ৰিক বাতাৱৰণ অসমত যোৱা এবছৰ কাল যে নাছিল তাক সকলোৱে স্বীকাৰ কৰিব। সকলোৱে স্বীকাৰ কৰিব যে যোৱা তিনিমাহৰ ভিতৰত অসমৰ ৰাজহুৱা জীৱনত আৰু প্ৰশাসনিক ক্ষেত্ৰত যি স্থিৰতা আহিল সি অভূতপূৰ্ব্ব। আমাৰ মাননীয় বিৰোধী সদস্য সকলে নিশ্চয় স্বীকাৰ কৰিব যে অৰ্থনৈতিক আৰু উদ্যোগিক ক্ষেত্ৰতো অসমত স্বাভাৱিক অৱস্থা ঘূৰি আহিছে। তেল, প্লাইউদ, মৰাপাট, বাহ আদিৰ চলাচলৰ প্ৰতিবন্ধক এই তিনি-মাহৰ ভিতৰতে উঠি গৈ স্বাভাৱিক অৱস্থালৈ ঘূৰি আহিল। অসমৰ কাৰণে ভাৰতৰ কাৰণে এই তিনিমাহ অসমৰ সাফল্যপূৰ্ণ দিনবোৰৰ ঐতিহাসিক তাৎপৰ্য্য আছে।

অধ্যক্ষ মহোদয়, আমাৰ মন্ত্ৰীসভাই এটা সংকটপূৰ্ণ সময়ত কাৰ্য্যভাৰ গ্ৰহণ কৰি ইতিমধ্যে ৰাজ্যখনৰ শান্তিপূৰ্ণ পৰিবেশ ঘূৰাই আনিবলৈ যি চেষ্টা কৰিছে তাত ত্ৰুটি হব পাৰে কিন্তু আমাৰ উদ্দেশ্য শান্তি শৃংখলাৰ পৰিবেশ ঘূৰাই অনা। মাননীয় গোলাপ বৰবৰা ডাঙৰীয়াই অনাস্থা প্ৰস্তাৱ সমৰ্থন কৰি ৰাইজৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব্ব কৰাৰ যি অভিযোগ তুলিছে সি সত্য নহয়। জাতীয় নিৰাপত্তা আইনৰ অপব্যৱহাৰ কৰা হোৱা নাই। আৰু এই আইন ৰাজ্য চৰকাৰে প্ৰয়োগ কৰাৰ ক্ষেত্ৰত যথেষ্ট সতৰ্কতা অৱলম্বন কৰিছে। ১৪৪ ধাৰা প্ৰয়োগ কৰাৰ ক্ষেত্ৰতো শান্তি শৃংখলা বিঘ্নিত কৰাৰ আশংকা কৰিহে কৰা হৈছে। ৰাইজৰ শান্তি সম্প্ৰীতি ৰক্ষা কৰিবৰ কাৰণে চৰকাৰে যথাবিহীত ব্যৱস্থা লোৱা একান্ত প্ৰয়োজন। এই উদ্দেশ্যই এনে নিৰাপত্তামূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

বিদেশী বহিস্কাৰৰ আন্দোলনৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি আছে। ই এটা জটিল

জাতীয় সমস্যা আৰু এই সমস্যা জাতীয় পৰ্য্যায়ত সমাধান কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে চেষ্টা চলাই আহিছে। আমি এই সমস্যাৰ এটা সাংবিধানিক সমাধান আলাপ আলোচনাৰে মাজেদি যাতে সোনকালে হয় তাৰকাৰণে সদায় সচেষ্ট। আমি এই ক্ষেত্ৰত সকলো ৰাজনৈতিক দলৰে সহযোগীতা কামনা কৰো। আৰু আশাকৰো যে ইয়াৰ এটা শান্তিপূৰ্ণ সমাধান জাতীয় ভিত্তিত কেন্দ্ৰীয় চৰকাৰে বিচাৰি উলিয়াব।

এইক্ষেত্ৰত মই এটা কথা কোৱা উচিত হব যে আমাৰ বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে কৈছে যে আমাৰ চৰকাৰে আন্দোলনকাৰী সকলৰ লগত আলাপ আলোচনা কৰিব খোজা নাই আৰু বিৰোধী পক্ষৰ লগতো আলোচনা হোৱা নাই। আমাৰ মাননীয় সদস্য শ্ৰীৰমেশ কুলী ভাওৰীয়াই এই কথা উল্লেখ কৰাত আনন্দিত হৈছো। আমাৰ মন্ত্ৰীসভা গঠণ হোৱাৰ পাছতো আমাৰ বিৰোধী পক্ষৰ সদস্য সকলৰ লগত আলোচনা কৰিছিলো অৱশ্যে প্ৰাক্তন মুখ্যমন্ত্ৰী মহোদয়ে ৰেডিও যোগে তেখেতক আলোচনালৈ মতা নাই বুলি কৈছে। গতিকে আলোচনা যে হৈছিল তাক এই সদনে প্ৰমাণ কৰিলে। বিৰোধী দলপতি সকলৰ লগত আলোচনা কৰা হৈছিল, গতিকে কুলী ভাওৰীয়াই এইটো অসত্য কথা কৈছে। তেখেত সকলে আন্দোলনকাৰীক আলোচনালৈ মতাৰ কথাও কৈছে। কিন্তু ৰেডিও যোগে খবৰ কাগজৰ যোগে আমি অসমত শান্তি সম্প্ৰীতি অটুট ৰখাৰ কাৰণে আৰু এই জটিল সমস্যা সমাধানৰ কাৰণে সদায়ে আহবান কৰি আছো। কিন্তু চৰকাৰ গঠণ হোৱাৰ পাছত আন্দোলনকাৰী ছাত্ৰ বন্ধু সকলে আমাৰ চৰকাৰক স্বীকৃতি নিদিয়াৰ কথাও কৈছে। আৰু সেই কাৰণেই এই আলোচনা হোৱা নাই। কেন্দ্ৰীয় চৰকাৰৰ লগত এই আলোচনাৰ দুৱাৰ সদায়ে মুকলি আছে আৰু ইতিমধ্যে কেইবাৰানিও আলোচনা তেওঁলোকৰ লগত হৈ গৈছে। আমাৰ প্ৰিয় প্ৰধান মন্ত্ৰীয়ে অতি ধৈৰ্য্য সহকাৰে এই

সমস্যা সমাধানৰ কাৰণে চেষ্টা কৰি আছে তেখেত নিজেও ইয়ালৈ আহি গৈছে, তেখেতে যে চেষ্টা কৰি আছে এই কথা অসমৰ ৰাইজে নিশ্চয় স্বীকাৰ কৰিব। আমাৰ কেন্দ্ৰীয় গৃহ মন্ত্ৰীয়ে নিজে ইয়ালৈ আহি আৰু দিল্লীতো কেবাবাৰো আলোচনাত বহিছে কিন্তু তেওঁলোকৰ মতানৈক্যৰ কাৰণেই এই আলোচনা সফল হোৱা নাই। কিন্তু এই কথা ঠিক যে আমাৰ চৰকাৰ হোৱাৰ পাছৰ পৰা দেশলৈ স্বাভাৱিক অৱস্থা ঘূৰি আহিছে তাৰ প্ৰমাণ আপোনালোকে পাইছে। ছাত্ৰছাত্ৰী সকল পৰীক্ষাত ব্যস্ত থকাৰ বাবেই হয়তো আলোচনা সোনকালে কৰিব খোজা নাই। শিক্ষানুষ্ঠান বিলাকত সুস্থ পৰিবেশ ঘূৰি আহিছে। ১ লাখ ৬৫ হাজাৰ প্ৰবেশিকা পৰীক্ষাৰ্থীয়ে পৰীক্ষাত বহিছে আৰু আজিৰ পৰা কলেজৰ পৰীক্ষা আৰম্ভ হৈছে। আমি এতিয়াও আশা কৰিছো এই জটিল সমস্যাৰ এটা, সমাধান উলিয়াব পৰা হব।

আমাৰ সদনৰ মাননীয় সদস্যসকলে জানে যে ইতিমধ্যে বিভেদকামী আৰু সন্ত্ৰাসবাদী শক্তি সমূহে এ, আই, ৰেডিওৰ ডিব্ৰুগড় আৰু জালুকবাৰীৰ ট্ৰেনচমেটিং ষ্টেচনত বিস্ফোৰণ কাৰ্য্য ঘটাইছিল। চেকনিত তেলৰ পাইপ লাইনত বিস্ফোৰণ ঘটাইছিল, নলবাৰী আৰু আগিয়াঠুৰিত ৰেলৰ লাইনত পথাটঘাটি কাৰ্য্য সম্পাদন কৰি নিৰীহ ৰেলৰ যাত্ৰীৰ জীৱন হানি কৰিছিল। পুলিচৰ অনুসন্ধানৰ মাজেদি এই ঘটনা সমূহত যে এটা সন্ত্ৰাসবাদী চক্ৰই পৰিকল্পিত ভাৱে এই ঘটনা সমূহ কৰিছে তাৰ প্ৰমান পোৱা হৈছে। ৰাজ্যখনত বিশৃঙ্খলতা আৰু সন্ত্ৰাস সৃষ্টিৰ কাৰণে এই সন্ত্ৰাসবাদী চক্ৰই নানা ভাবে চেষ্টা চলাইছে আৰু এই উদ্দেশ্য লৈয়েই এচেমব্লি হোষ্টেল প্ৰাঙ্গনত বোমা বিস্ফোৰণ আদি সন্ত্ৰাসমূলক কাৰ্য্যও কৰা হৈছে। সদনৰ সদস্য সকলৰ জীৱনৰ নিৰাপত্তা ৰক্ষা কৰা কাৰণেহে নিৰাপত্তামূলক ব্যৱস্থা সমূহ হাতত লোৱা হৈছে। আৰু এই বিষয়ে সদনৰ অধ্যক্ষৰ

সন্মতি লোৱা হৈছে। গণতান্ত্রিক আৰু সংবিধানিক অধিকাৰ ক্ষুন্ন কৰাৰ কোনো প্ৰচেষ্টাই এই নিৰাপত্তামূলক ব্যৱস্থাৰ দ্বাৰা কৰা হোৱা নাই। আৰু সদনৰ মাননীয় সদস্য সকলৰ মৰ্য্যদা আৰু সন্মান ৰক্ষাৰ কাৰণেহে এই ব্যৱস্থাসমূহ কটকটীয়া কৰা হৈছে।

এই প্ৰসঙ্গত মই মাননীয় অধ্যক্ষ ডাঙৰীয়া আৰু সদনৰ মাননীয় সদস্য সকলৰ আগত বিনীত ভাৱে জনাব খোজো যে এচেম্বলি হোষ্টেলৰ চৌহদত হোৱা বোমা বিস্ফোৰণৰ সংক্ৰান্তত নানা ধৰণৰ অভিযোগ আনি চৰকাৰৰ উচ্চপদস্থ বিষয়াক লিপ্ত কৰাৰ যি অপচেষ্টা কৰা হৈছে ই ৰাজনৈতিক উদ্দেশ্যপ্ৰনোদিত আৰু সম্পূৰ্ণ ভিত্তিহীন। এই বিষয়ে উপযুক্ত অনুসন্ধান চলোৱা হৈছে আৰু প্ৰকৃত দুস্কৃতিকাৰীক ধৰা পেলোৱাৰ সকলো ব্যৱস্থা লোৱা হৈছে।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য সকলে জানে যে অসমৰ বিধান সভাৰ যোৱা নিৰ্ব্বাচনত কোনো এটা দলেই একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰিলে। গতিকেই ৰৰৰা ডাঙৰীয়াৰ নেতৃত্বত গঠিত হোৱা মন্ত্ৰীসভাই চি, পি, এমৰ সমৰ্থনত মন্ত্ৰীসভা চলাইছিল। কিন্তু ২৮ মাহৰ পাচত জনতা দলত বিভাজন হোৱাত আৰু চি, পি, এম দলে সমৰ্থন উঠাই লোৱাত জনতা মন্ত্ৰীসভাৰ পতন হয়। ইয়াৰ পাচত অসম জনতা দলৰ নেতা শ্ৰীযোগেন হাজৰীকাৰ মুখ্যমন্ত্ৰীত্বত পুনৰ মন্ত্ৰীসভাই কাৰ্য্যভাৰ গ্ৰহণ কৰে। কিন্তু এই মন্ত্ৰীসভাক চি, পি, আই, কংগ্ৰেছ ইউ আৰু কংগ্ৰেছ আইয়ে সমৰ্থন কৰাতহে ই তিষ্টি আছিল। শ্ৰীশৰৎ সিংহৰ নেতৃত্বাধীন কংগ্ৰেছ ইউ দলে যেতিয়া ইয়াৰ সমৰ্থন যোগেন হাজৰীকাৰ মন্ত্ৰীসভাৰ পৰা প্ৰত্যাহাৰ কৰে তেতিয়া এই মন্ত্ৰীসভাৰো পতন হ'ল। আৰু অসমত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্ত্তিত হয়। এবছৰ কাল ৰাষ্ট্ৰপতিৰ শাসনত ৰাজ্যখনৰ প্ৰশাসন চলিছিল। কাৰণ জনপ্ৰিয় চৰকাৰ নাছিল। এনে এক বিশেষ পৰিস্থিতিৰ

মাজতহে আমাৰ মন্ত্ৰীসভাই অসমত কাৰ্য্যভাৰ গ্ৰহণ কৰিছে আৰু ৰাজ্যখনত গনতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰিছে। এই গনতান্ত্ৰিক আৰু সাংবিধানিক পৰিবেশ ঘূৰাই আনি, ৰাজ্যখনত শান্তি শৃঙ্খলা ঘুৰাই আনি পুনৰ প্ৰতিস্থা কৰি অসমত অস্থিৰতা ঘুৰাই আনি স্থিৰতা আনি দিয়া হয়। সদৌ ৰাইজৰ মনত নিৰাপত্তা আৰু শান্তি সম্প্ৰীতিৰ পৰিবেশ পুনৰ প্ৰতিষ্ঠিত কৰিছে। শিক্ষা আৰু সংস্কৃতিৰ জগতলৈ সম্পূৰ্ণ স্বাভাৱিক অবস্থা ঘুৰি আহিছে। একলাখ ষাঠি হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল লিভিং চাৰ্টিফিকেট পৰীক্ষা দিছে। আজিৰ পৰা প্ৰাক-বিশ্ববিদ্যালয়ৰ পৰীক্ষা আৰম্ভ হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী পক্ষৰ মাননীয় সদস্য কেইগৰাকীমানে প্ৰেছ চেনচৰ কৰাৰ কথা কৈছিল। এই বিষয়টো লৈ মই কব খুজিছো যে মাননীয় সদস্য সকলোৱে জানে যে ১৯৬০ চনত এই বিধান সভাতেই গৃহিত হোৱা প্ৰেছ চেনচৰ আইনখন বৰ্ত্তমান পৰিস্থিতিত সু-বিবেচনা কৰি ব্যবহাৰ কৰা হ'ল। আমি এই অভিযোগৰ সাৰ্থকতা অস্বীকাৰ কৰো। বিদেশী নাগৰিকৰ সমস্যা সন্দৰ্ভত হোৱা আন্দোলনৰ বাতৰি প্ৰচাৰ কৰাত কোনো বাধা নিষেধ আৰোপ কৰা হোৱা নাই। কিন্তু আন্দোলন চলি থকা অবস্থাত বাতৰি কাকতত প্ৰকাশিত কোনো বিষয়ে যাতে ৰাজ্যখনৰ সাম্প্ৰদায়িক শান্তি সম্প্ৰীতি আৰু সংহতি নষ্ট নকৰে আৰু এটা শান্তিপূৰ্ণ পৰিবেশৰ মাজেদি জনসাধাৰণে জীৱন নিৰ্ব্বাহ কৰিব পাৰে তাৰ কাৰণে অতিৰঞ্জিত বিভেদকামী আৰু সাম্প্ৰদায়ীক প্ৰৰোচনা জগাই তুলিব পৰা বাতৰিৰ প্ৰচাৰতহে বাধা নিষেধ আৰোপ কৰা হৈছে। মই স্পষ্টভাৱে কব খোজো যে এই বাধা নিষেধ শান্তিপূৰ্ণ গনতান্ত্ৰিক আৰু অহিংসা কোনো কাৰ্য্যকলাপৰ অৰ্থে, হোৱা আন্দোলনৰ বিৰুদ্ধে নহয়। বৰং দেশৰ ঐক্য সংহতি আৰু শান্তি ৰক্ষাৰ কাৰণে প্ৰয়োজনতহে আৰোপ কৰা হৈছে। মাননীয় সদস্য সকলে এই কথা লক্ষ্য নকৰি থকা নাই যে

এই ব্যবস্থা গ্ৰহণৰ ফলত ইতিমধ্যে সাম্প্ৰদায়িক ভেদ ভাব বহু খিনি হ্ৰাস পাইছে। আৰু এটা শান্তিৰ বাতাৱৰণ প্ৰতিষ্ঠা হৈছে। এই বাতাবৰণ স্থায়ী হোৱাৰ সম্ভাবনা সম্পৰ্কে নিশ্চিত হব পাৰিলেই বাতৰি কাকতৰ ওপৰত আৰোপ কৰা বাধা উঠাই লোৱা হব।

আলিগড় বিশ্ববিদ্যালয়ৰ এগৰাকী প্ৰখ্যাত অধ্যাপকক চাকৰিৰ পৰা অব্যাহতি দিয়া সম্পৰ্কত মাননীয় সদস্য এগৰাকীয়ে অভিযোগ তুলিছে। মই নিজে আলিগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰী আছিলো আৰু উক্ত অধ্যাপক গৰাকীক ব্যক্তিগত ভাৱে চিনিও পাওঁ। তেখেতৰ পাণ্ডিত্যৰ, স্বাধীন চিন্তা আৰু কাৰ্য্যদক্ষতা সম্পৰ্কে কোনো সন্দেহৰ থল নাই। উক্ত বিশ্ববিদ্যালয়ত এক শ্ৰেণীৰ ছাত্ৰৰ আন্দোলন আৰু হেচাৰ ফলত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিছে। আমাৰ বিশ্ববিদ্যালয়বোৰ স্বায়ত্ব শাসিত (অটনমাচ) অনুষ্ঠান। বিশ্ববিদ্যালয়ে গ্ৰহণ কৰা কাৰ্য্যব্যৱস্থাৰ লগত কেন্দ্ৰীয় চৰকাৰক জৰিত কৰাটো অযুক্তিকৰ কথা। জ্ঞান, সাধনা আৰু কোনো বিষয় সম্পৰ্কে স্বমত পোষন কৰাৰ অধিকাৰক আমি স্বীকাৰ কৰোঁ।

মন্ত্ৰীসভা গঠন কৰা সম্পৰ্কত বহুত বিলাক অভিযোগ উত্থাপন কৰা হৈছে। আৰু বহুতেই কৈছে যে এই সম্পৰ্কত সাংবিধানিক যি বিলাক নীতি নিয়ম মানি চলিব লাগে সেই বিলাক মানি চলা নাই আৰু এই চৰকাৰক ওপৰৰ পৰা জাপি দিয়া হৈছে। এই প্ৰসঙ্গত জনাও যে বৰ্ত্তমানৰ বিৰোধী সদস্য শ্ৰীগোলাপ বৰবৰাক মন্ত্ৰীসভা গঠন কৰিবৰ কাৰণে আহ্বান জনোৱা হৈছিল। কিন্তু তেখেতে মন্ত্ৰীসভা গঠন কৰিবলৈ অক্ষমতা প্ৰকাশ কৰিলে। তেতিয়া শ্ৰীযোগেন হাজৰীকাদেৱক মন্ত্ৰীসভা গঠন কৰিবলৈ আহ্বান জনোৱা হ'ল।

( ভইচ ঃ মিচা কথা, কাকো মতা হোৱা নাছিল )

কিন্তু এখেতেও মন্ত্ৰীসভা গঠন কৰিবৰ জোখাৰে শক্তি দেখুৱাব নোৱাৰিলে। তেতিয়া ইন্দিৰা কংগ্ৰেছৰ নেতা হিচাবে মোক আহ্বান জনোৱাত মই আৱশ্যকীয় সদস্যৰ সংখ্যা দাখিল কৰোঁ। আৰু সেইমতেই এই মন্ত্ৰীসভাই শাসনৰ দায়িত্ব গ্ৰহণ কৰে। ইয়াত অসাংবিধানিক বা অবৈধ একো হোৱা নাই। এটা গণতান্ত্ৰিক পদ্ধতিৰ যোগেদি প্ৰতিষ্ঠিত হোৱা এই চৰকাৰে বৰ্ত্তি থকা বৰ্ত্তমান পৰিবেশ আৰু বাতাবৰণত ৰাজ্যখনৰ বিভিন্ন সমস্যা সমাধানৰ কাৰণে যথাসম্ভৱ সকলো কৰিছে।

জাতীয় নিৰাপত্তা আইন প্ৰয়োগত তোলা অভিযোগৰ সম্পৰ্কত জনাওঁ যে কেন্দ্ৰীয় চৰকাৰ আৰু ভাৰতৰ দুই এখন ৰাজ্যৰ ৰাজ্যিক চৰকাৰেও বিশেষ পৰিস্থিতিত জাতীয় নিৰাপত্তা আইন প্ৰয়োগ কৰিবলগীয়া হৈছিল। কাৰো প্ৰতি হিংসা পৰবশ হৈ বা প্ৰতিশোধমূলকভাৱে আমাৰ চৰকাৰে কাৰো বিৰুদ্ধে এই আইন প্ৰয়োগ কৰা নাই। দেশ আৰু সমাজৰ বৃহত্তৰ স্বাৰ্থৰ খাতিৰতহে অপৰিহাৰ্য্য ক্ষেত্ৰত এই আইন প্ৰয়োগ কৰা হৈছে।

অৰ্থনৈতিক উন্নয়নৰ কাৰণে এই চৰকাৰে একো কৰা নাই বুলি যি অভিযোগ তুলিছে তাৰ উত্তৰত মই কব খোজোঁ যে ইতিমধ্যে বন্ধ হৈ যোৱা অসমৰ দুটা মৰাপাটৰ কল পুনৰ আৰম্ভ কৰা হৈছে। বঙাইগাৱৰ পেট্ৰকেমিকেল কমপ্লেক্সত অনুসাঙ্গিক পলিয়েষ্টাৰ আহঁ আৰু অন্যান্য কেইবাটাও উদ্যোগ প্ৰতিষ্ঠাৰ বাবে টাস্কফৰ্চ নিয়োগ কৰা হৈছে। এই শিল্পবোৰত প্ৰায় ডেৰ লাখ যুৱক যুৱতীয়ে কৰ্ম্মসংস্থানৰ সুবিধা পাব। বঙাইগাৱত থাৰমেল প্ৰজেক্ট ইতিমধ্যে কাৰ্য্যক্ষম হৈছে। এই প্ৰকল্পত বহুতো নিবনুৱাই কৰ্ম্ম-সংস্থানৰ সুবিধা পাব। অ, এন, জি, চি, আৰু অইল ইন্দিয়া তৈল-ক্ষেত্ৰত প্ৰাকৃতিক গেচ ব্যৱহাৰৰ বাবে ৭ টা গেচ টাৰবাইন স্থাপনৰ কাম ক্ষীপ্ৰ গতিৰে আগবাঢ়িছে আৰু অহা বছৰতে এই কাম সম্পুৰ্ণ হব। ১৬ শ খন গাৱত গ্ৰাম্য বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰা হৈছে।

মুঠতে ৭২ শ খন গাৱত এই বছৰৰ ভিতৰতে বৈদ্যুতিকৰণ ব্যৱস্থা সম্পূৰ্ণ হব বুলি আশা কৰা হৈছে। বাজেট বক্তৃতাত সকলোবিলাক উন্নয়নমূলক আঁচনিৰ উল্লেখ আছিল। ডিজেল আদিৰ অভাবৰ কাৰণে সেইয়া সম্পূৰ্ণ হোৱা নাছিল।

কেন্দ্ৰত মোৰাৰজী দেশাইৰ নেতৃত্বাধীন জনতা চৰকাৰ আৰু চৰণ সিংৰ নেতৃত্বাধীন লোকদল মন্ত্ৰী সভাৰ পতনৰ পিচত গণতান্ত্ৰিক নিৰ্বাচনৰ যোগেদি শ্ৰীমতী ইন্দিৰা গান্ধীৰ নেতৃত্বত কংগ্ৰেছ আইয়ে শাসনভাৰ গ্ৰহণ কৰে। এই দলৰ ঘোষিত নিৰ্বাচনী ইস্তাহাৰত সংখ্যালঘুসকলক ৰক্ষনাবেক্ষণ দিয়াৰ প্ৰতিশ্ৰুতি আছে। মোৰাদাবাদ, আলিগড়, মিৰাট আদি ভাৰতবৰ্ষৰ কিছুমান অঞ্চলত যি দুৰ্ভাগ্যজনক সাম্প্ৰদায়িক সংঘৰ্ষ হৈছিল তাক কঠোৰ ভাবে, আইনসংগত উপায়েৰে নিৰ্মূল কৰিবৰ কাৰণে প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীৰ চৰকাৰে সম্ভৱপৰ সকলো ব্যৱস্থা অৱলম্বন কৰিছে। এই সাম্প্ৰদায়িক সংঘৰ্ষবোৰ অতি দুৰ্ভাগ্যজনক। আৰু দেশৰ বৃহত্তৰ স্বাৰ্থৰ কাৰণে ক্ষতিকৰ। আমি সকলোৱে এনে সংঘৰ্ষৰ বীজ নিৰ্মূল কৰিবৰ কাৰণে ৰাজনৈতিক দল নিৰ্বিশেষে সক্ৰীয় ভুমিকা গ্ৰহণ কৰা উচিত। ইতিমধ্যে মুৰাদাবাদত সংঘৰ্ষ সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰে আৰু তাৰ ৰাজ্য চৰকাৰে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। পুলিচে কৰা আতিশয্যৰ অভিযোগ সম্পৰ্কেও ব্যাপক তদন্তৰ ব্যৱস্থা কৰিছে। এনে দুৰ্ভাগ্যজনক ঘটনাক দলীয় ৰাজনীতিৰ মূলধন হিচাপে ব্যৱহাৰ নকৰাটোৱেই সকলোৰে কাৰণে মঙ্গলজনক হব।

সৰ্চা অৰ্থত আমি অতি জটিল পৰিস্থিতিৰ মাজেৰে চলিছো। আৰু তদনুৰূপ এতিয়াও চলি থকা স্বত্বেও ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ দ্বাৰা আটক কৰা লোকৰ নগণ্য সংখ্যাই এই কথাকে প্ৰমাণ কৰে যে অপৰিহাৰ্য্য কাৰণতহে ইয়াক প্ৰয়োগ কৰিবলগীয়া হৈছে। মাননীয় সদস্য সকল এই বিষয়ত সজাগ যে গুৱাহাটী

উচ্চ ন্যায়ালয়ৰ এজন বিচাৰক আৰু দুজন অৱসৰপ্ৰাপ্ত বিচাৰকৰ দ্বাৰা গঠিত পৰামৰ্শ দিয়া বৰ্ডৰ দ্বাৰা অৱৰোধ আদেশ সমৰ্থিত। পৰামৰ্শদাতা বৰ্ডৰ দ্বাৰা অধিকাংশ অৱৰোধ আদেশ সমৰ্থিত হোৱাত এইটো স্পষ্ট বুজা গল যে এই আদেশ সমূহ বৈধ যুক্তিৰ ওপৰত ভিত্তি কৰি কৰা হৈছে। কেইটামান আদেশ নিসন্দেহে মাননীয় উচ্চ ন্যায়ালয়ে বদ কৰিছে। কিন্তু কাৰীকৰি ভিত্তিতহে বেচিভাগ ক্ষেত্ৰত সেইটো কৰা হৈছে আৰু অৱৰোধ কৰা যুক্তিযুক্ততাও নহয়। এইটো মন কৰা উচিত যে কোনো ক্ষেত্ৰতে আটক কৰা কৰ্ত্তৃপক্ষৰ সৎ উদ্দেশ্যত মাননীয় উচ্চ ন্যায়ালয়ে বিৰোধভাৱে মন্তব্য কৰা নাই।

আমাৰ আন্দোলনৰ সময়ত যি বিলাক উন্নয়ন মূলক কাম-কাজ বন্ধ হৈ আছিল সেই বিলাক পুনৰ কৰিবলৈ লোৱা হৈছে। যি বিলাক ঘৰ দুৱাৰৰ কাম বা ৰাস্তা পদুলিৰ কাম বন্ধ হৈ আছিল সেই বিলাক পুনৰ কৰিবলৈ লোৱা হৈছে। আন্দোলনৰ সময়ত আমি উচ্ছেদ কাৰ্য্য বন্ধ ৰাখিছিলো যদিও এতিয়া অৱস্থা প্ৰায় স্বাভাবিক হৈ অহাৰ কাৰণে উচ্ছেদৰ কাম পুনৰ আৰম্ভ কৰিবলৈ দিহা কৰিছো। লগতে জনজাতীয় লোক সকলে যাতে ক্ষেত্ৰত সকলৰ সংস্কৃতি ৰক্ষা কৰিব পাৰে তাৰ কাৰণেও চেষ্টা কৰা হৈছে। তেওঁলোকৰ জীৱন ধাৰণত যাতে কোনো অসুবিধাৰ সৃষ্টি নহয় তাৰ প্ৰতিও লক্ষ্য ৰখা হৈছে। ভুমি, ৰাজহ আইনখন সংশোধন কৰা সম্পৰ্কে বিশেষভাৱে পৰীক্ষা কৰি ব্যৱস্থা গ্ৰহণ কৰা হব। আৰু এই বিষয়ত বিশেষ দৃষ্টি ৰখা হব।

এই বিষয়ে আমি জনজাতীয় সকলৰ লগতো আলোচনা কৰিছো আৰু পি, টি, চি, এ, ৰ লগতো আলোচনা কৰা হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীবৰুৱা ডাঙৰীয়াই এ, পি, এচ, চিৰ কথা কৈছে। তাৰ উত্তৰত মই কবলৈ বিচাৰিছো যে এ, পি, এচ, চি,ত যি নিযুক্তি হৈ আছে সেইটো ষ্ট্ৰীমলাইন হোৱা নাই।

সেইকাৰণে যি কেইজন এপ্লিকেন্ট আছিল তেওঁলোকৰ মাজৰ পৰা যিনি জনক অৰ্হতা চাই নিযুক্তি দিয়া হয়। কিন্তু এপইণ্টমেণ্টৰ যি খন ৰুল আছে সেইখন ক্লিয়াৰ নহয় কাৰণে কিছুমান অসুবিধা হৈছে। শ্ৰীবৰুৱা ডাঙৰীয়াই আৰু ৭ জন এ, চি, এচ, বিষয়াৰ নিযুক্তিৰ কথা কৈছে। এই কেইজনৰ মেৰিট কম আছিল। কিন্তু পিচত এই ৭ জনৰ পৰা দৰখাস্ত পালো যে তেওঁলোকে ডি, এচ, পি,ৰ কাৰণেহে বিচাৰিছিল আৰু ডি, এচ, পি,ৰ কাৰণে যোগ্যতা থকা বাবে তেওঁলোকক ডি, এচ, পি, হিচাবে নিযুক্তি দিয়া হৈছিল।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ মই কৈছো যে এ, পি, এচ, চি, ৰ নমিনেশ্যনত এইটো ষ্ট্ৰংলি দিয়াই আছে।

* শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ (মুখ্যমন্ত্ৰী) ঃ এই ক্ষেত্ৰত কিছুমান বিজুতি আছে। সেইবিলাক চাব লাগিব। বিদেশী নাগৰিকৰ অনুপ্ৰবেশৰ ক্ষেত্ৰত কওঁ যে বিদেশী নাগৰিকৰ অনুপ্ৰবেশ বন্ধ কৰিবৰ কাৰণে চৰকাৰে বহুতো ব্যৱস্থা লোৱাৰ কাৰণে চেষ্টা কৰিছে। পুলিচ চেকপোষ্ট ৪৮ টাৰ পৰা ৭৯ টালৈ বৃদ্ধি কৰা হৈছে আৰু বৰ্ডাৰত ১৭৪ টা বৰ্ডাৰ চেক পোষ্ট কৰা হৈছে। ১৫ টা পেট্ৰোলিং পাৰ্টি আৰু ১৬ খন নাওঁ আৰু ১২ খন ইঞ্জিনযুক্ত বোটৰ ব্যৱস্থা কৰি ৰিভাৰ পুলিচ বাহিনী খোলাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাহিৰেও বিদেশী নাগৰিক যাতে অসমত সোমাব নোৱাৰে তাৰ বাবে 'ৱাল' দিয়াৰ কাৰণেও আলোচনা কৰা হৈছে আৰু গোটেই সীমাতে কাটাতাৰৰ বেৰা দিয়াৰ ব্যৱস্থা কৰা হৈছে। অসমত যাতে এজনো বিদেশী নাগৰিক থাকিব নোৱাৰে তাৰ কাৰণে আমি চেষ্টা কৰিয়েই আছো। এই ক্ষেত্ৰত আপোনালোকৰ সহায়-সহযোগ পালেহে এইটো সম্ভৱপৰ হৈ উঠিব।

---

* Speech not corrected.

তেলৰ ৰয়েলিটিৰ সম্পৰ্কে মই জনাব খুজিছো যে এশ দিনৰ ভিতৰতে এই চৰকাৰে পেট্ৰোলৰ ৰয়েলিটি ৪২ টকাৰ পৰা ৬১ টকালৈ বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছে।

( সদনত হাত চাপৰি আৰু একেলগে কিছু গণ্ডগোল আৰম্ভ হয় )

শ্ৰীবৰঘৰৰা ডাঙৰীয়া মুখ্যমন্ত্ৰী হৈ থাকোতে আৰু মোৰাৰজী দেশাই প্ৰধানমন্ত্ৰী হৈ থাকোতে এক পইচাও বঢ়াব পৰা নাছিল। আনকি প্ৰাক্তন মুখ্যমন্ত্ৰী শৰত সিংহ ডাঙৰীয়াৰ দিনত যেতিয়া ইন্দিৰা গান্ধী প্ৰধানমন্ত্ৰী হৈ আছিল তেতিয়াও ৰয়েলিটি বঢ়াব পৰা নাছিল। ( হাত চাপৰি )

Shri SARAT CHANDRA SINHA : Mr. Speaker, Sir, it is not a fact. The Chief Minister is mis informing the House. Definitely it was increased. Why she is misleading the House ?

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ ( মুখ্যমন্ত্ৰী ) : তেখেত ফুল টাৰ্ম মুখ্যমন্ত্ৰী হৈ আছিল। কিন্তু আমি মাত্ৰ এশ দিনৰ ভিতৰতেই এই খিনি কৰিবলৈ চেষ্টা কৰিছো।

অধ্যক্ষ মহোদয়, দেশত যি গণতন্ত্ৰ চলি আছে সেই গণতন্ত্ৰ পদ্ধতিৰেই আমি আজি এই সদনলৈ আহিছো।

( সদনত হুলস্থুল )...

Mr. SPEAKER : Order, order. Whatever is stated in the House it must be correct.

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ (মুখ্যমন্ত্ৰী) : আমি সেই সময়ত সকলো সদস্যই ঘেৰাও হৈ আছিলো। আৰু আমাৰ তেতিয়া দুৰ্গতিৰ সীমা নোহোৱা হৈছিল। বৰপেটা আৰু অসমৰ অন্যান্য ঠাই কিছুমানত সদস্যক মাৰপিটো কৰিছিল। গতিকে এইবিলাক সমস্যা দূৰ

কৰি দেশত গণতন্ত্ৰ ৰক্ষা কৰাৰ কাৰণে আমি চেষ্টা কৰি আছো। আৰু আশা ৰাখিছো মাননীয় সদস্য সকলে ৰি দলতেই নাথাকক এই ক্ষেত্ৰত আমাৰ লগত সহায় সহযোগিতা কৰিব। লগতে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰি যিবিলাক কথা আলোচনা কৰা হ'ল তাৰপৰা নিশ্চয় আমাৰ বহুতো উপকাৰ হব আৰু আপোনালোকেও ৰাইজৰ প্ৰতিনিধি হিচাবে ৰাইজৰ মনৰ কথা ব্যক্ত কৰিবলৈ ইয়াৰ দ্বাৰাই সুবিধা পাইছে। গতিকে এই প্ৰস্তাৱটো উঠাই লবলৈ মই মাননীয় সদস্য সকলক অনুৰোধ জনাইছো যাতে তেওঁলোকে আমাৰ লগত সহযোগিতা কৰি গণতন্ত্ৰ ৰক্ষা কৰাত আমাক সহায় কৰে।

Shri BENOY KUMAR BASUMATARI : Sir I ..............

Mr. SPEAKER : No. Now right of reply.
Mr. Atul Goswami ................................

Shri BENOY KUMAR BASUMATARI : Sir, I want one clarification. The Chief Minister has referred to some considerations are being made on Tribal problems and that Govt. assures to remove those problems. Regarding the Bill for protection of Tribal land, this Bill was discussed by us with the Government of Assam and the Bill which was approved jointly by the Government of Assam and ourselves was sent to the Central Government during the Presidential Rule. Central Government had some more observation which we jointly clarified in the month of November and this was accepted in the Tripartite conference amongs the Central Govt. the Govt. of Assam and on us due. This Bill was sent back to the Government of Assam. Now the Chief Minister says

that they are going to re-consider the issue. Sir, we want a categorical assurance that this Bill which was approved jointly by the Central Government, ourselves and the Government of Assam will not be set aside, will not be shelved and will be accepted as it is. Can the Chief Minister give us this categorical assurance ?

শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰ ( মুখ্যমন্ত্ৰী ) : আমি এইটো পৰীক্ষা কৰি আছো। পিচত বিবেচনা কৰি চাম।

Shri BENOY KUMAR BASUMATARI : There is no scope for any examination of the Bill.

Shri KIRON CHANDRA BEZBARUA : If the Bill is not placed before the House I will say a conspiracy is going on between the Govt. and the P.T.C. The Bill must be placed before the House, you cannot by pass the House.

( Interruptions )

Shri DULAL CHANDRA BARUA : If the Bill has been passed by the House and if anything is to be reconsidered, it has be reconsidered by the House.

শ্ৰীগজেন তাঁতী : অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীৰ পৰা যিটো শুনিছো যে বিলখন কনচিদাৰ কৰিব, ইমান দিন পৰি থাকিল অথচ আজি আগ মুহুৰ্ত্তত কিয় চিঠি দিব লগা হ'ল ইয়াৰ মাজত এটা বিৰাট ষড়যন্ত্ৰ নাইনে ? কি অভিসন্ধি লৈ এই কথাটো কৰলৈ আহিছে ?

Mr. SPEAKER : Whatever be thc case the hon'ble members of the House, they know everything.

the draft Bill. Now the problem is whether the Govt. will place this Bill as it is drafted. We do not want that this should be reconsidered. We want that this should be placed as it is accepted by the Govt. of India and the Govt. of Assam. That is the thing.

Shri KESHAB CHANDRA GOGOI (Minister): Mr. Speaker, Sir. For information of the House I would like to say a few word. Now what happened is that the Govt. of India and our members of the P. T. C. had some discussions and during the President's Rule a draft Bill was prepared. Now the matter was placed before us and our Chief Minister has already answered that it is under consideration. So, as it is not a Bill prepared by this Govt., the question of placing it before the House does not arise. If we want to amend any existing law, we shall have to place it before the House. So she has rightly said that it is under consideration; she cannot say we have already agreed to it. That is why she said it is under consideration at this stage. So, when the Bill will come to this House and the House accepts it, only then it will become a law. That is the position.

* শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ মই শুনি সন্তোষ পাইছো যে মযেই এই চৰকাৰৰ বিৰুদ্ধে এই অনাস্থা প্ৰস্তাৱ আনিছিলো। যাৰ ফলিয়তে অসমৰ বাহিৰে-ভিতৰে, চুকে-কোনে কি ঘটিছে সেইটো আপোনালোকৰ আৰু লোকৰ চকুলৈ আহিছে। দিল্লীৰ পৰা মন্ত্ৰী আহি ইয়াত ২/৩

* Speech not corrected.

দিনকৈ থুপনি পুতি লৈ শাসকীয় দলৰ মাজত থকা যি বিৰোধ আছিল তাক আজিলৈকে চাপ্পা কৰাৰ অবিৰাম প্ৰচেষ্টা চলি থাকিল। আজি যদি কিবা কৰি এই চৰকাৰ ওফৰি নেযায় তেন্তে মই ক'ব খুজিছো জনতা চৰকাৰৰ দৰে ৩১ মাৰ্চ্চৰ ভিতৰত নহলেও অহা এপ্ৰিলৰ ৭/৮ তাৰিখৰ ভিতৰতে এই চৰকাৰ ক্ষমতাচ্যুত হব। ৰাজনীতিৰ ক্ষেত্ৰত ভবিষ্যতবানী কৰিব নেপায়, কিন্তু মই ভবিষ্যত বানীয়েই কৰিলো। মই সন্তোষ পাইছো যে এই অনাস্থা প্ৰস্তাৱ অনাৰ কাৰণে এই কংগ্ৰেছ চৰকাৰে এই ভূমিপুত্ৰ সকলৰ বহুতো আকাংখ্যা পূৰণ কৰিম বুলি আশ্বাস দিছিল। যদি এই চৰকাৰ থাকে তেন্তে সকলোৱে দেখিব যে যি আশ্বাস দিছে সেই আশ্বাস পূৰণ কৰা হবনে নহয়? যোৱা ৩০ বছৰে কংগ্ৰেছৰ চৰিত্ৰ দেশৰ জন-গণই দেখিলে। এই চৰিত্ৰ হৈছে প্ৰতিশ্ৰুতি ভংগ কৰা চৰিত্ৰ। অৰ্থাৎ অলপো এই আশ্বাস নাৰাখি শান্তি ভংগ কৰাৰ চৰিত্ৰ। আজিও যি সকলে এই দলত অংশ গ্ৰহণ কৰিছে তেখেত সকলকো মই আশ্বাস ৰক্ষা কৰিব পাৰেনে নোৱাৰে সেই কথা সকিয়াই থলো। জনতা চৰকাৰৰ ওপৰত বাইজে আশ্বাস নাৰাখিলেও বিশ্বাস ৰাখিছিল। কিন্তু বৰ্ত্তমানৰ চৰকাৰে কি কাম কৰিব এই কথালৈ কমিউনিষ্ঠ গোষ্ঠী লোকে অকনো আশ্বাস ৰাখিব পৰা নাই। বৰ্ত্তমান চৰকাৰটো মাইনৰিটি চৰকাৰ যে এই কথা প্ৰমাণ কৰিবলৈ একো টান কথা নহয়। সকলো কথা কামেৰেহে প্ৰমাণ হয়। আজি ( আই ) কংগ্ৰেছৰ ডেপুটি লিডাৰ মন্ত্ৰী হোৱাৰ পিচত পিচ ফালে ৰহি আছে। তেখেতৰ মনোভাৱ কি আছিল বিধান সভাতেই মাননীয় সদস্য নুৰুল হুদাই পঢ়ি শুনাইছিল। ব্ৰহ্মপুত্ৰৰ পানী নি গংগাত পেলালেও আমাৰ দেশখন মৰুভূমিত পৰিণত কৰিব পৰা নেযায়। মই এটা কথা কওঁ যে আৰু এই কথা শাসনৰ দলৰ বহুতো সদস্যইও জানে যে আজি যদি এই চৰকাৰ ভাগি যাব লগা হয় কালিলৈৰ পৰা ৰাষ্ট্ৰপতিৰ শাসন আহিব আৰু হাঁহাকাৰ লাগিব।

( Voices : No, we do not know ).

Regarding the placing of the Bill I cannot press anybody to place the Bill here. How can I press ?

* Shri DULAL CHANDRA BARUA : Sir, the whole question is we are practically the custodian of the Bill. If any amendment is made it has to be brought to the notice of the House. Sir, the whole thing is we do not know what is going on. Hon'ble member Shri Tanti is right in saying that when he was on that side of the House the tribal problem was discussed threadbare. But the whole thing is, for such a long time no decision has been taken by this Govt. though there is instruction, as has been stated, from the Govt. of India. How overnight on such an important issue agreement can be reached ? When the House is in session any policy decision taken by the Govt. in any respect must be placed before the House. Sir, there are rulings from the Chair on several occasions on this that when the House is in session any matter concerning the House, concerning the people, any policy decision concerning the State must be placed before the House. Only then the question of agreement can come. The statement of the Hon'ble member on the other side and the statement given by the Chief Minister indicate some under-hand deal is going on. This may create confusion in

* Speech not corrected.

the mind of the hon'ble members of the House and the people and it will bring bad consequences and as you are the custodian of the House you are to give protection to us. When matters relate to the House we must be allowed to know what is going on.

Mr. SPEAKER : I request the hon'ble members to be patient. If necessary the time will be increased. Now I like to hear from the Parliamentary Affairs Minister.

* Shri KIRON CHANDRA BEZBARUA : This is a question of privilege. I am very grateful to my friend Shri Basumatari for saying that there was an agreement. But this is a privilege quite unheard of. Can consultation be held with private individuals ? This is a statement made by an hon'ble member of the House and I accept it. All that I am saying is that a member of the House has said there were consultations-two times.

( Interruptions )

Shri BINOY KUMAR BASUMATARI : Mr. Speaker Sir, I am sorry that a confusion has been created. What I said is the bill was drafted in consultation with the Govt. of India, the Govt. of Assam and ourselves. It is a long standing grievance of the tribal people. The position is Govt. of Assam has already accepted the draft Bill, the Govt. of India has also accepted

* Speech not corrected.

গতিকে ৩১ মাৰ্চলৈকে চাপ্টিং নোহোৱা ৰেলৰ ডবাৰ নিচিনাকৈ ৩১ মাৰ্চলৈকে থাকিব। আমাৰ চেনেহী আনোৱাৰা বাইদেউ যাক মই মানিকী বাইদেউ বুলি ভাল পাওঁ তেওঁ যদি কেনেবাকৈ গাদীচ্যুত হ'ব লগা হয় তেন্তে তেওঁৰ ঠাইত যে আন কাৰোবাৰ এই আসন লবৰ সুবিধা হব সেই কথা মই নেভাবো আৰু শাসনৰ গাদীত থকা মোৰ বন্ধু সদস্য সকলেও জানে।

অধ্যক্ষ মহোদয়, এইখিনিতে মোৰ এটা সাধু কথা মনত পৰিছে। এজন লোকে এগৰাকী ছোৱালী বিয়া কৰালে কিন্তু তাই মাতিব নোৱাৰে। বহুত দিন বহু চেষ্টা কৰাৰ পিচত তাইৰ মাত ওলাল। মানুহজনে আনন্দত উতফুল্লিত হৈ পৰিল। কিন্তু কেইদিনমান যোৱাৰ পিচত তাইৰ কথাৰ কোবত মানুহজন অতীষ্ঠ হৈ পৰি বন্ধু-বান্ধৱৰ আগত কবলৈ ধৰিলে যে তেওঁৰ পত্নীয়ে মাতিব নোৱাৰা হৈ থাকোতেই ভাল আছিল। এতিয়া মই যেন আৰু তাইৰ মাত নুশুনিম এনে হেন ভাব হৈছে। আমাৰ মানিকী বাইদেউ মাতিব নোৱাৰা এগৰাকী বাইদেউ আছিল। কিন্তু মন্ত্ৰী হোৱাৰ পিচত ইমানেই মাত ফুটিল যে তেখেতৰ দলীয় মন্ত্ৰী সকলো থাকিব নোৱাৰা হ'ল। আৰু আজি এনেকৈ ভাবিবলৈ বাধ্য হৈছে যে হয় যদি অতুল গোস্বামীৰ অনাস্থা প্ৰস্তাবতে কিবা এটা হওঁক।

অধ্যক্ষ মহোদয়, মই আনোৱাৰা টাইমুৰ, কেশৱ গগৈ, ৰবীন চৌধুৰী আদিৰ মাজত একো পাৰ্থক্য নেদেখো। তেখেতসকল কংগ্ৰেছ (আই) ৰ সদস্য হৈয়ো শাসনৰ গাদীত বহি ইস্কাল-সিস্কাল হ'ল। কিন্তু আমাৰ কেশৱ গগৈ ডাঙৰীয়াক হলে আমি আজিও একে ঠাইতেই দেখা পালো।

(বিৰাট হাঁহিৰ খলকনী)

মই ভবিষ্যতবানী নকৰো তথাপিও মোৰ সন্দেহ হৈছে যে

তেখেতে বোধহয় প্ৰথমে শাসনৰ গাদীৰ পৰা এভিঃক্ৰুট হব। মই মোৰ ভাষণত কৈছোৱেই. যে আছুয়ে কৰক বা আমছুৱেই কৰক বা অতুল গোস্বামীয়েই কৰক যি মানবতাৰ বিৰোধী দুষ্কৃতি কৰিব সকলোকে মই নিন্দা কৰো। অসমৰ ইতিহাস ব্ৰহ্মপুত্ৰ এলেকাৰ পৰা শোৱনশিৰি, মানাস সকলো নদীৰ সংগম স্থলৰ ইতিহাস। ইয়াত আমি সকলো থাকিম। কিন্তু যদি ঘা লগা ঠাইত আকৌ এবাৰ ঘা লাগে আৰু সেই ঘা'ত যদি লোন ধালিহে থকা হয় শুকুৱাৰ ব্যৱস্থা কৰা নহয়, তেন্তে সি বহল হৈহে যাব। ........... ৰবীন্দ্ৰ নাথ ঠাকুৰৰ ভাষাত মই কব বিচাৰিছো যে—

'অন্যায় যে করে আর
অন্যায় যে সহে
তব ঘৃণা যেন তারে
তৃণ সম দোহে'।

এইখিনি কৈয়েই মই অনাস্থা প্ৰস্তাৱটো এই সদনত দাঙি ধৰিছো। মই আশা কৰিছো দেশৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি সচেতন থকা মোৰ প্ৰত্যেক জন বন্ধুয়েই নিজৰ নিজৰ বিবেক প্ৰয়োগ কৰি এই প্ৰস্তাৱটো কাৰ্য্যকৰী হোৱাত সহাঁৰি জনাব।

Mr. SPEAKER : Now at the close of the discussion, I put the Motion before the August House. "This House expressed its wanted confidence in the Council of Ministers headed by Shrimati Syeda Anwara Taimur." Those who are in favour of the Motion say Ayes and those who are against the Motion say Noes.

( The House divided )

Mr. SPEAKER : The hon'ble members, the result of the division is :—

| | |
|---|---|
| Ayes | 43 |
| Noes | 53 |
| Abstain | 23 |

So the motion is lost.

The House stands adjourned till 10 A.M. to-morrow, the 25th March, 1981.

## ADJOURNMENT

The House then rose at 6-40 P.M. and stood adjourned till 10 A.M. on Wednesday, the 25th March, 1981.

Dated Dispur
The 24th March, 1981

P.D. Barua
Secretary
Assam Legislative Assembly